
ৰাজীৱ বৰুৱা

# ৰ'দবাহিনী



# ৰ'দবাহিনী

ৰাজীৱ বৰুৱা

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
পাণবজাৰ, গুৱাহাটী - ৭৮১০০১

Rodbahinee
A collection of selected poems by Rajeev Barua and published by
Students Stores, Panbazar, Guwahati - 781001

ISBN : 978-93-88458-25-2

Price ₹ : 300.00

© Rajeev Barua, 2019

rajeevbarua63@gmail.com
Mob No. +91 94017 26408

**প্ৰকাশক**
ষ্টুডেণ্টচ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড, পাণবজাৰ, গুৱাহাটী-১

**প্ৰথম প্ৰকাশ**
জুন ২০১৯

**প্ৰচ্ছদ**
কুঁৱৰ ৰবীন্দ্ৰ (মধ্য প্ৰদেশ)

**অংগসজ্জা**
কুশল দত্ত

**ছপাশাল**
৯১/এ গিৰি প্ৰিণ্ট ছাৰ্ভিচ
বৈঠকখানা ৰোড
কলকাতা-৯

পূজ্যপাদ শিক্ষাগুৰু

ডঃ হীৰেন গোহাঁইৰ
হাতত

BLANK

# আগকথা

মোৰ বিশ্বাস মানুহ হ'বৰ বাবে কোনো কোনোজন কবি হ'ব খোজে। কবিতা মোৰ বাবে মানুহ হোৱাৰ প্ৰয়াসৰে ফচল। 'ৰ'দবাহিনী' মোৰ স্ব-নিৰ্বাচিত কবিতা সংকলন। কবিতাবোৰ ইতিপূৰ্বে প্ৰকাশিত সাতটা সংকলনৰপৰা নিৰ্বাচন কৰি উলিওৱা হৈছে। এই বাছনি কিমান নিৰ্মোহ ক'ব নোৱাৰোঁ। মোৰ ধাৰণা প্ৰতিগৰাকী লেখকৰ ভিতৰতে একোজন সমালোচক থাকে বা থকা উচিত। সেইবাবেই তেওঁ কিবা লিখি মনঃপূত নহ'লে কাটি নতুনকৈ লিখে, অৰ্থাৎ পৰিমাৰ্জন কৰে। ভিতৰৰ সমালোচকজন তীক্ষ্ণধী হ'ব পাৰিলে ভাল। সৃষ্টিৰ মান বাঢ়ে। মোৰ ভিতৰৰ সমালোচকজন কিমান দীক্ষিত-নিৰ্মোহ এই বিচাৰৰ ভাৰ সহৃদয় পঢ়ুৱৈ সমাজলৈ এৰিলোঁ। এই পুথিখনত যদি পঢ়ুৱৈসকলে তেওঁৰ উপস্থিতিৰ নাম-নাচ আভাসো পায় তেন্তে জানিম মোৰ চেষ্টা ফলিৱত হৈছে। নিজৰ সৃষ্টিৰ প্ৰতি মোহ এৰা সহজ নহয়। যিমানেই নহওক— নিজৰ সৃষ্টি! সি লাগিলে শোকোতাই হওক বা মুকুতাই হওক!

এই নিৰ্বাচিত সংকলনটো মোৰ শ্ৰদ্ধেয় শিক্ষাগুৰু ডঃ হীৰেন গোহাঁই ছাৰৰ নামত উছৰ্গা কৰিলোঁ। ছাৰৰ সতৰ্ক চকুৰ আগত মোৰ কবিতাৰ পৰ্বান্তৰ হৈছিল আৰু এতিয়াও হৈ আছে বুলিয়ে মোৰ বিশ্বাস। ভাতৃসম মননশীল কবি কুশল দত্তৰ সহায় সদায়েই স্মৰণ কৰিম। "নিৰ্বাচিত কবিতাৰ সংকলন এটা উলিয়াবৰ হ'ল" বুলি মোক ছপা আখৰত আব্দাৰ ধৰা ডঃ মৃদুল শৰ্মাক আন্তৰিক ধন্যবাদ জনালোঁ। প্ৰচ্ছদ শিল্পী, মধ্যপ্ৰদেশৰ কবি-চিত্ৰকৰ কোঁৱৰ ৰবীন্দ্ৰলৈ যাচিলোঁ কৃতজ্ঞতা। অনুজ কবি অংকুৰ ৰঞ্জন ফুকনৰ সাহায্যৰো কৃতজ্ঞচিত্তে শলাগ ল'লোঁ। কিতাপখন প্ৰকাশৰ গুৰুভাৰ গ্ৰহণ কৰা বাবে ৰাজ্যৰ অগ্ৰণী প্ৰকাশন প্ৰতিষ্ঠান ষ্টুডেণ্টচ ষ্ট'ৰচৰ শ্ৰীযুত অজয় দত্ত, শ্ৰীযুত মৃত্যুঞ্জয় দত্তকে ধৰি আটাইলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ৰাজীৱ বৰুৱা
প্ৰত্যয় নিলয়, সাংবাদিক ক'লনী, জনকপুৰ,
কাহিলিপাৰা, গুৱাহাটী - ১৯

# সূচীপত্ৰ

**পাতনি**
পাঠকৰ বাতায়নেৰে ৰাজীৱ বৰুৱাৰ কবিতাত দৃষ্টিপাত
ৰাজীৱ বৰা || ১৩

**অঘৰী দিনৰ ডায়েৰীৰপৰা**

অনুভূতি || ৪৫
দুঃসময় || ৪৬

**গছে পোহৰ দিয়া দিনৰপৰা**

পাতনি || ৪৯
হাত || ৫২
স্ফৰ্ফাদেউ || ৫৩
এখন অৰণ্যৰ সাধু || ৫৫
শূন্যতা || ৫৬
পলাতক || ৫৮
শোক-গাথা || ৬০
ছাঁ || ৬২

**পানীৰ ঘৰৰপৰা**

আৱৰ্ত ভঙাৰ গান || ৬৬
ঘৰ || ৬৭
চিয়াংপৰীয়া সাধু || ৬৯
আদি ছন্দ || ৭১
নিদ্ৰা || ৭৩
ৰেচন কাৰ্ডৰ ৰং নীলা || ৭৪
পানী || ৭৬

**তুমি কি কবি, নিজৰ এটা পুখুৰী নাইৰপৰা**

এযোৰ জোতাৰ কাহিনী || ৭৮
জেপ || ৮০
পুখুৰী || ৮২
আকৌ পুখুৰী || ৮৪
ঘুণ || ৮৬
বগা শিল ফছিল || ৮৮
বজাৰ || ৮৯
আই || ৯১
বাজ || ৯৩
গোৱা - ২০০০ || ৯৪
নেদেখা ঘণ্টা || ৯৬
কবি || ৯৮
প্ৰিয় কবি || ৯৯
মেকুৰী || ১০০
জীৱনৰ বাবে || ১০১
লালুকী || ১০২

## খালী বটলৰ মালিতাৰপৰা

আঁচ ॥ ১০৬
গ'লৰক্ষক ॥ ১০৭
এখন টুলৰ উচ্চতা ॥ ১০৮
অফিচ কোঠাত আপুনি-মই ॥ ১১০
বৰষুণ ফুলাৰ গোন্ধ ॥ ১১২
ধুনীয়া দেখি ॥ ১১৩
মাৰাডোনাৰ বাবে ॥ ১১৫
দুটা কবিতা ॥ ১১৬
কবিৰ বদনাম ॥ ১১৭
শিং লগা কুঁৰলী ॥ ১১৯
খালী বটলৰ মালিতা ॥ ১২০
কোন তেওঁ ॥ ১২১
পৰিক্ৰমা ॥ ১২৩
জটায়ু ॥ ১২৪
হাতেখড়ি ॥ ১২৬
বিষণ্ণতাৰ মালিতা ॥ ১২৭
উৎকল ॥ ১২৮
ধৰ্মৰ দুৱাৰ ॥ ১৩০
কথা ॥ ১৩১
বহুৰূপা ॥ ১৩৩

## কিছুমান বোধৰ বৰণৰপৰা

টেকেলি ভঙাৰ খেল ॥ ১৩৬
উন্মেষ ॥ ১৩৭
ভোমোৰাগুৰিত প্ৰাতঃভ্ৰমণ ॥ ১৩৮
এৰাতিৰ সাধু ॥ ১৩৯
ঘৰ সৰা মানুহজনী ॥ ১৪০
বিলনীয়া ॥ ১৪২
পোন বাটৰ মানুহ ॥ ১৪৪
তুলাচনীত ভোক ॥ ১৪৫
ছিদ্ৰ-পুৰাণ ॥ ১৪৭
নিহত-১ ॥ ১৪৮
কাহিনী লিখাৰ কাহিনী ॥ ১৪৯
তথাগত ॥ ১৫১
নেটৱৰ্ক ॥ ১৫২
আপুনি প্ৰথমে আপোনাৰ ॥ ১৫৩
কা আৰু কে ॥ ১৫৫
এদিন দেওবাৰে ॥ ১৫৬
সঞ্চাৰক ॥ ১৫৭
পানী ৰঙৰ ছবি ॥ ১৫৯
ছায়াযুদ্ধ ॥ ১৬০
অংগ-বহিৰংগ ॥ ১৬২
এখন টেবুলৰ সমতলত ॥ ১৬৩
এটা কবিতাৰ দ্বিতীয় খচৰা ॥ ১৬৫
প্লুটো-দশা ॥ ১৬৬
নতুন জোতা ॥ ১৬৭
বাকলি বিজ্ঞাপন ॥ ১৬৯
পূৰ্বৰাগ ॥ ১৭০
গুপ্ত-দোষ ॥ ১৭১
ফুটবল ॥ ১৭২
আওটনি ॥ ১৭৪
চৰাইপানী ॥ ১৭৫
জীৱন অন্যত্ৰ ॥ ১৭৭
নীড়ৰ আশ্ৰয় ॥ ১৭৮
শোক আৰু শ্লোক ॥ ১৮০
চলিখৰি ॥ ১৮১
ওলমা ঘণ্টা ॥ ১৮২

পানী ধৰ্ম ॥ ১৮৩
আকাশলৈ চোৱা ভাল ॥ ১৮৫
বন্ধন বা বন্ধনহীনতা ॥ ১৮৭
মৃত্যুপক্ষ ॥ ১৮৯
অৱৰোহণ ॥ ১৯০
প্ৰত্যাৱৰ্তন ॥ ১৯২
অৱশেষ অমিয়া ॥ ১৯৪
পুৰা-বৃত্ত ॥ ১৯৫
নিশি কথা ॥ ১৯৭
বিষয় তালিকা ॥ ১৯৮
মহানগৰীৰ কেমিকেল গধূলি ॥ ২০০
আপেক্ষিক ॥ ২০২

## হয়তো মুদ্ৰাদোষৰপৰা

বাটচ'ৰা ॥ ২০৪
বকুল বকুল ॥ ২০৫
জ্ঞান স্থিৰ সৰোবৰ ॥ ২০৭
ফুল ছিঙা মানুহ ॥ ২০৮
নিষিদ্ধ অঞ্চল ॥ ২০৯
ধূলিৰ ওপৰত ধূলি জাপি ॥ ২১০
গৰখীয়া ॥ ২১১
হাতৰ হেতালি ॥ ২১২
শিলৰ সেৱা ॥ ২১৩
জেব্ৰা ভাবনা ॥ ২১৪
চকুহাল যোৰ পুখুৰী ॥ ২১৫
দুই-এটা খলকনি ॥ ২১৬
অপ্ৰকাশিত ॥ ২১৭
একেটি সাৰেং চৰাইৰ মাত ॥ ২১৮
বৰযুণৰ বেদীত ॥ ২১৯
আকৌ পুখুৰী পাৰত ॥ ২২১
সুপ্ৰভাত ॥ ২২২
কিছুমান প্ৰশ্নবোধক ॥ ২২৩
আমাৰ শ্বেইক্সপিয়েৰ ॥ ২২৫
কবিতা কেঁচকলি ॥ ২২৭
নেন' জীৱন ॥ ২৩৩
কাৰ আগত ক'ম ॥ ২৩৫
বৰ্তমানৰ শোকগাথা ॥ ২৩৬
ৰ'দ বাহিনী ॥ ২৩৮
ভৰি চুই বিশালতাৰ ফালে ॥ ২৩৯
আধাৰ ॥ ২৪০
উৰণ ॥ ২৪১
পাঠ ॥ ২৪২
হয়তো মুদ্ৰাদোষ ॥ ২৪৩
লাজৰ ৰেটিং ॥ ২৪৪
খেলুৱৈসুলভ ॥ ২৪৫
শিপাই বিচৰা মাটি ॥ ২৪৬
প্ৰতাৰণাৰ প্ৰথম কাহিনী ॥ ২৪৭
প্ৰতাৰণাৰ দ্বিতীয় কাহিনী ॥ ২৪৮
খিৰিকী লৈ ফুৰা মানুহ ॥ ২৪৯
কবিতা ॥ ২৫১
প্ৰাগত প্ৰাতঃ ভ্ৰমণ ॥ ২৫৩
মালিকৰ দুৱাৰ ॥ ২৫৫

## অসংকলিত কবিতা

ভূতৰ ভৱিষ্যৎ ॥ ২৫৮

BLANK

# পাঠকৰ বাতায়নেৰে ৰাজীৱ বৰুৱাৰ কবিতাত দৃষ্টিপাত

বিংশ শতাব্দীৰ নৱৈ দশকৰ প্ৰথমৰ ফালে ‘তৰুণ প্ৰজন্মৰ প্ৰতিশ্ৰুতিসম্পন্ন কবি’ হিচাপে ধৰা দিয়া ৰাজীৱ বৰুৱাই নিৰলস কাব্য সাধনাৰে অতিক্ৰান্ত সময়ত, আজিৰ বিচাৰত (২০১৮) সেই প্ৰতিশ্ৰুত পথ-পৰিক্ৰমাত সমৃদ্ধিৰ এনে ঠাইত উপনীত হৈছেহি যে সমকালীন প্ৰায়কেইজন নবীন-প্ৰবীণ সমালোচকৰ শুভবাদ লভি তেওঁ বিংশ-একবিংশ শতিকাৰ সন্ধিক্ষণত অসমীয়া কবিতাৰ অন্যতম শ্ৰেষ্ঠ কবি হিচাপে পৰিগণিত হৈছে। আৰম্ভণিৰপৰাই আনে যোৱা বাটেৰে নগৈ নকৈ বাট কটাৰ কষ্টকৰ যাত্ৰাক মোৰ বুলি ল’বলৈ কৰা সাহসিক প্ৰচেষ্টাৰ বাবেই অসমীয়া কবিতাৰ প্ৰধান সুঁতিটোত তেওঁক এটা স্বকীয় কণ্ঠ বুলি ক’ব পাৰি। সমকালীন অসমীয়া কবিকুলৰ সৈতে একেটা পৰিমণ্ডলতে থাকিও উপলব্ধিৰ অভিনৱত্ব আৰু জিজ্ঞাসাৰ খেও ধৰি তেওঁ কাব্য ভাবনাত এনে কিছু প্ৰশ্ন আৰু বোধ-অভিব্যক্তিৰ ওৰা ধৰিছে যিবোৰ আন কবিৰ কবিতাত সুলভ নহয় আৰু সিবোৰে পাঠকক অচিন অথচ আকৰ্ষণীয় সোৱাদ দিবলৈ সমৰ্থ হৈছে। কবিতাক সততে পঢুৱৈমুখী কৰাত প্ৰবৃত্ত হ’লেও জনপ্ৰিয়তাৰ মোহ বা সৰ্বস্তৰৰ পঢুৱৈক আমোদ দিয়াৰ উদ্দেশ্যে অভিনৱত্বহীন অনুশীলনৰ প্ৰতি তেওঁৰ সিমান আকৰ্ষণ নাই; তত্ত্ববাগীশৰ কৌশলী আৰু নিৰ্জীৱ কছৰতো তেওঁ কৰা নাই; আধুনিক নিঃসংগ মানুহৰ জীৱন-যাতনা আৰু জীৱন-সান্ত্বনাৰ যুগপৎ অভিব্যক্তিহে তেওঁৰ কাব্য-অভিব্যক্তিৰ অন্বিষ্ট হৈছে। সেয়াও বাস্তৱ আধাৰিত, অভিজ্ঞতাজাত অনুষংগৰ বয়নতে ইবোৰৰ অনুসন্ধান চলিছে; কপোলকল্পিত শিহৰণেৰে নহয়। আৱেগক নিয়ন্ত্ৰণ কৰি সংযমী কাব্য প্ৰকাশেৰে মানুহৰ জীৱন-ৰহস্য আৰু জীৱন-সত্যৰ অনুসন্ধানত কবি ব্ৰতী হৈছে। এই সন্ধানত প্ৰথমৰ ফালে জাগতিক নিৰীক্ষণৰপৰা অহা অসন্তোষে তেওঁক ব্যথিত কৰিছে, আস্থাক অবিশ্বাসে আঘাত কৰিছে যদিও প্ৰথম প্ৰতিশ্ৰুতিৰপৰা পূৰঠ বোধলৈ আহোঁতে কবিয়ে মানুহৰ জীৱনৰ পৰিপূৰ্ণতা আৰু সত্যৰ উপলব্ধিও হৃদয়ঙ্গম কৰিছে। এই উপলব্ধিৰ বাবে নিৰ্দিষ্ট দৰ্শনত অৱগাহন নকৰিলেও নৱ-বৈষ্ণৱবাদ আৰু বৌদ্ধ দৰ্শনে তেওঁৰ বোধৰ পথত কেতিয়াবা আলোকসম্পাত কৰা যেনো লাগে। সুদীৰ্ঘ চাৰিটা দশকৰ

নিৰলস কাব্য-চৰ্চাৰ অন্তত তেওঁৰ কাব্য-ভঁৰাল ভৰিছে সাতজপীয়া কাব্য-বৈভৱেৰে— **অঘৰী দিনৰ ডায়েৰী** (১৯৮৫), **গছে পোহৰ দিয়া দিন** (১৯৯২), **পানীৰ ঘৰ** (১৯৯৭), **তুমি কি কবি নিজৰ এটা পুখুৰী নাই** (২০০১), **খালী বটলৰ মালিতা** (২০০৫), **কিছুমান বোধৰ বৰণ** (২০১১), **হয়তো মুদ্ৰাদোষ** (২০১৬)। আমাৰ আলচত পঢ়ুৱৈক উদ্দেশ্যি এজন পাঠকৰ বাতায়নেৰে ৰাজীৱ বৰুৱাৰ কবিতাত আলোকপাতৰ প্ৰয়াস কৰিছোঁ।

ছাত্ৰাৱস্থাৰপৰা কবিৰ ফুটবল প্ৰীতি আৰু নিজে এগৰাকী ফুটবল খেলুৱৈ হোৱাৰ উপৰি কিছুকাল সাংবাদিকতাত নিয়োজিত হৈ পৰৱৰ্তী সময়ত আকাশবাণীত কৰ্মৰত হোৱাৰ সুবাদতে তেওঁৰ কবিতালৈ কিছু বিশিষ্টতা আহিছে। সেয়া ভাব-অনুভৱ-বোধক পঢ়ুৱৈমুখী কৰোঁতে পোনপটীয়া নকৰি কেৰী কটাৰ কৌশল, ঘটনা বা পৰিস্থিতিৰ বৰ্ণনাতকৈ তাৰ অভ্যন্তৰ বা কাৰ্য-কাৰণ অনুসন্ধানৰ প্ৰৱণতা আৰু পাঠকৰ প্ৰতি ন্যায্যতা প্ৰতিপাদনৰ দায়বদ্ধতা। প্ৰচুৰ অধ্যয়নলব্ধ অভিজ্ঞতা তেওঁৰ কবি মনৰ অন্যতম সম্পদ হৈছে। সময়ে সময়ে কবিতাৰ ৰাজ্যত বিচৰণ কৰা মতবাদকো তেওঁ নিৰীক্ষণ কৰিছে আৰু সিবোৰক কাব্যকলাত অতিৰিক্তভাৱে সংযুক্ত অংগ (appendixes) নকৰি জীণ নিয়াবলৈ সচেষ্ট হৈছে। বিদেশী অনুষংগ-প্ৰসংগক অসমৰ প্ৰেক্ষাপটত উপস্থাপন কৰি গ্ৰহণীয় কৰি তুলিব পৰাতো কষ্টকৰ যদিও তাক সাধিবৰ বাবে কবি আগ্ৰহী। তেওঁৰ প্ৰায়কেইটা কবিতা সংকলনতে এই প্ৰচেষ্টা ধৰা পৰে। পশ্চিমীয়া পুলি এটা অসমৰ মাটিত ৰুই সাৰ-পানী দি তাক মহীৰূহ কৰাৰ কৌশলটো তেওঁ কাব্য-চৰ্চাৰ মাজেৰে আয়ত্ত কৰিবলৈ যত্নশীল হোৱা দেখা যায় আৰু এইক্ষেত্ৰত তেওঁ সফলতাও লভিছে। সেয়ে তেওঁৰ কবিতাত ফিলিপ লাৰ্কিনৰ ভাবনায়ো উকমুকাই, শ্বেইক্সপিয়েৰো আমাৰ হৈ পৰে। ষ্টি'ভ জব্‌ছ, কাফ্‌কা, অৰ্হান পামুকৰ সৃষ্টিকৰ্মৰ চৰিত্ৰবোৰে তেওঁৰ কবিতাত ঠাই উলিয়াই লয়। জীৱন চেৰাই কবিতা নহয়। জীৱন আৰু জীৱনটো উদ্‌যাপিত হৈ থকা জগতখন, তাৰপৰাই লভা অভিজ্ঞতা, ভিন্ন ঘটনা-প্ৰপঞ্চৰপৰা আহৰণ কৰা উপলব্ধি-বোধক আধাৰ কৰি কেতিয়াবা কোনো এটা বিষয় আৰু তাৰ অন্তৰাল উন্মোচনত তেওঁ সাংবাদিক-অনুসন্ধিৎসাৰে প্ৰবৃত্ত হৈছে।

তেওঁৰ কবিতা সমগ্ৰৰ মাজত ফুটবল বিষয়ক কেইবাটাও কবিতা আছে। ফুটবল খেলত এগৰাকী খেলুৱৈৰ কৌশল, ছন্দায়িত গতি, শকতি আৰু গ'ল কৰাৰ বুভুক্ষাৰ সৈতে দৰ্শকৰ শিহৰণ, উৎকণ্ঠা আৰু বিনোদনৰ সংযুক্তিক তেওঁ কাব্য-কৌশলৰো অংশীদাৰ কৰাত প্ৰবৃত্ত হৈছে। ফুটবল খেল সকলো শ্ৰেণীৰ দৰ্শকৰ বাবে উপভোগ্য হোৱাৰ দৰে ছেকোশ্লোভাকিয়াৰ কবি মিৰোশ্লাভ হ'লু (Miroslav Holub)-ও কবিতাক



পঢ়ুৱৈৰ বাবে ফুটবল খেল উপভোগৰ দৰে সহজ আৰু প্ৰভাৱশালী কৰাৰ পক্ষপাতী— ''Miroslav Holub would like people to 'read poems as naturally as they read the papers, or go to a football match. Not to consider it as anything more difficult, or effeminate, or praiseworthy.' '' (উৎস ঃ পৃষ্ঠপট-পাঠ, Selected Poems by Miroslav Holub) এইসমূহ বিশেষত্বৰ সৈতে এজন কবিৰ বাবে প্ৰয়োজনীয় সংবেদনশীলতা (sensivity)-ও তেওঁ আহৰণ কৰিছে যাৰ জৰিয়তে তেওঁ শুনে—

গুড়িপৰুৱাই চেনিৰ দানা ভঙাৰ শব্দ
শব্দমালাৰ সংগীত বাজিলেহে অৰ্থই নাচে
কবিতাৰ অৰ্থই বিচাৰে এটা জীৱন্ত শৰীৰ (কবিতা— 'কেঁচকলি')

**তুমি কি কবি নিজৰ এটা পুখুৰী নাই** সংকলনৰ আৰম্ভণিৰ গদ্যাংশত কবিয়ে কবি এজনৰ দায়বদ্ধতাক দোহাৰি কবিতা এটাক পাঠকমুখী কৰোঁতে মন দিবলগীয়া প্ৰসংগ এটা উত্থাপন কৰি Wordsworth-ৰ ''a poet is a man, speaking to his fellow men''— এই কথাফাকিৰ জেৰ টানি লিখিছে— ''কাবিয়ে ঘাইকৈ নিজৰ বাবে লিখে যদিও তেওঁৰ চেতন বা অৱচেতন মনত পাঠক সদায় ক্ৰিয়াশীল।'' কাব্য-ভাবনাক মূলতঃ পঢ়ুৱৈমুখী কৰাৰ প্ৰৱণতাই কবিৰ বোধ-অভিব্যক্তিৰ প্ৰকৰণত গঢ় লোৱা কবিতাক খেয়ালী-ধূসৰতাত নপৰিবৰ বাবে অনুপ্ৰাণিত কৰে। সেয়ে তেওঁৰ কবিতাৰ প্ৰতীক-চিত্ৰকল্পও সততে পাঠকৰ পৰিদৃশ্যমান পৰিচিত জগতৰ ৰূপকল্প আধাৰিত।

কবিতাৰ যিটো বিশুদ্ধতা (purity)-ৰে তেওঁৰ কাব্য-বোধৰ আৰম্ভণি তাত আধুনিক জটিল জীৱনৰ বিভ্ৰান্ত গতিময়তাই সৃষ্টি কৰা অৱক্ষয়ৰ লেশ বৰকৈ নাছিল। কিন্তু বিড়ম্বনা এয়ে যে নিৰোগী জীৱনবোধৰ উহনিৰপৰাই তেওঁ অনিবাৰ্যভাৱে ৰোগগ্ৰস্ত চহৰৰ চমৎকাৰী পোহৰৰ মাজত থকা অন্ধত্বকো জিলিকাবলগীয়া হ'ল। কবিৰ প্ৰথমৰ ফালৰ কবিতাৰ এই নিৰ্ভেজাল অনুভৱ এনে—

শৈশৱৰ বাহিৰে তাত একো নাছিল
পুৱা-সন্ধ্য এডৰা ফুলি থকা সৰিয়হৰ বাবে
আইতাৰ গোসাঁই প্ৰাৰ্থনা (দৌৰ)

এই বিশুদ্ধতা পৰিৱৰ্তিত প্ৰেক্ষাপটৰ ধূলি-ধূসৰিত চামনিৰে বিবৰ্ণ নোহোৱাকৈ

থকা নাই আৰু কাব্য প্ৰকৰণত প্ৰতীক-ৰূপক-চিত্ৰকল্পৰ বয়নত তেওঁৰ কবিতাই কেতিয়াবা সাধাৰণ পাঠকৰ বাবে আচহুৱা ৰূপ নোলোৱাকৈও থকা নাই। তেনে ক্ষেত্ৰত তেওঁৰ কবিতাই অসমীয়া কবিতাত বিংশ শতাব্দীৰ যাঠিৰ দশকত ভিৰ কৰা প্ৰতীকবাদী চৰিত্ৰৰ ওচৰ চপা যেন অনুভৱ কৰায়। বিষয়ক আচহুৱাকৰণ কৰা শৈলীটোৰ প্ৰয়োজনতে কেতিয়াবা ফৰাচী প্ৰতীকবাদী কবিতাৰ শৈলীটোৰ কাষ চপা যেন লাগিলেও কবিসকলে প্ৰতীকৰ ব্যৱহাৰ ভাব-চিন্তাক জটিলতা বৰ্জিত কৰা আৰু বিষয়ক স্পষ্ট আৰু প্ৰভাৱশালী কৰাৰ প্ৰয়োজনতহে ব্যৱহাৰ কৰে আৰু ৰাজীৱ বৰুৱাও ইয়াৰ ব্যতিক্ৰম নহয়। কাব্য-নিৰ্মাণত পৰিচিত প্ৰকাশৰ বাটত হঠাতে অপৰিচিতৰ সংযাজন, সমিধানতকৈ প্ৰশ্নৰ উপৰ্যুপৰি প্ৰয়োগে তেওঁৰ কবিতা-পঢ়ুৱৈক আগ ভৰি দিও উলটি চাবলৈ বাধ্য কৰায়; যেনেদৰে অন্যমনস্ক বাটৰুৱা আগবাঢ়ি গৈও বিমোৰত পৰে— পাৰ হৈ অহা জানটোত সাঁকো আছিল নে দলং? 'স্বৰ্গদেউ' কবিতাত 'স্বৰ্গদেউৰ কৰ্ম ৰাজকীয়, ধৰ্মও—

"আজ্ঞা হয়
চমতাৰ কোব
অথবা পাঁচটা বাঘ ঢকা
সকলো সহি থাকোঁ নীৰৱে"

কিন্তু কবিয়ে যেতিয়া পৰৱৰ্তী কাব্যাংশত 'মোৰ স্বৰ্গদেউ/ মোৰ জুপুৰিতে থাকে' বুলি কয়, তেতিয়া স্বৰ্গদেউ ৰূপক (allegory) হৈ অন্য অৰ্থৰহে পোহাৰ মেলে। কবিৰ প্ৰথমৰ ফালৰ কবিতাত ৰূপক-প্ৰতীকৰ বহুল পয়োভৰ আৰু চিত্ৰাঙ্গী (decorated) ধ্বনিময়তাই ভিৰ কৰা দেখা যায়। সেয়া 'পলাতক' কবিতাৰ আইনাৰ পোহৰেই হওক বা 'শিলৰ সাধু'ৰ চৰিয়াৰ পানীত সাঁতুৰি মৰা 'পৰুৱা'ই হওক। 'গছে পোহৰ দিয়া দিন'-ও আহিছে 'সন্তানহাৰা গছবোৰে' চুলি মেলি ৰাউচি জোৰা জৰা-মৃত্যুৰ তালাচী চকী অতিক্ৰম কৰি। আপাতঃ বিৰোধযুক্ত দুটা প্ৰসংগক একে সমতলতে থাপি আৰম্ভ কৰা কথকতাৰ মাজত ব্যঞ্জিত 'গছৰ পোহৰ' প্ৰকৃততে জীৱন-আন্ধাৰৰ মৃত সপোনৰ পোৱা মাটিত জীৱনৰে পুনৰ জাগৰণ। কবিতাটিত ১৯৯১ চনৰ জানুৱাৰীৰ প্ৰতি নিৰ্দেশ কৰি কবিয়ে বাস্তৱিকতে তদানীন্তন প্ৰসংগ যুটি দিছে— অসমীয়া জাতীয় জীৱনৰ ভগ্ন স্বপ্ন আৰু দুৰ্দিনৰ প্ৰতি কটাক্ষৰে। তাৰ মাজতো আছে—

"সপোনৰ মৃত্যুৰ পিছত
গছবোৰে পুনৰ গৰ্ভধাৰণ কৰিছে
প্ৰহৰীৰ দৰে চৰাইবোৰে দিনে-ৰাতিয়ে
গছক পহৰা দিছে
মৃত সপোনৰ স্মৃতিত
গৰ্ভৱতী গছে আজি পোহৰ দিছে" (জানুৱাৰী ১৯৯১)

নগৰীয়া জীৱনৰ নেতি প্ৰকাশক পূৰ্বজ আৰু সমকালীন অনেকজন অসমীয়া কবিৰ কাব্য-কচৰতৰ মাজত কবি বৰুৱাৰ বোধে প্ৰতীকী প্ৰকাশৰ প্ৰতিহে সঁহাৰি দিছে। 'ছাতিৰ চহৰ' কবিতাতো সেউজহীনতা, ৰ'দহীনতা, বৰষুণহীনতাৰ গোমা বেদনাত আক্ৰান্ত, ৰক্তচাপত অস্থিৰ চহৰৰ ধমনীৰ অশান্ত প্ৰৱাহৰ প্ৰতি কবিৰ বিৰাগৰ কৌশলী প্ৰকাশ—

"ছাতিটোৰপৰা এখন চিঠি পাওঁ— নিমন্ত্ৰণ
চহৰখনত কবিতা পঢ়িবলৈ' মাতে
তাত বৰষুণ নহয়
বৰষুণ নহ'লে কবিতা পঢ়িব নোৱাৰি
জিভা শুকায়— মুখৰপৰা গেঙেৰি ওলায়" (ছাতিৰ ঘৰ)

**কিছুমান বোধৰ বৰণত** সন্নিৱিষ্ট 'অচিনা মুখ' এটা প্ৰতীকধৰ্মী কবিতা। ইয়াতো আধাৰিত টুপীটো ৰ'দ-বতাহ নিবৃত্তিৰ উপকৰণ নহয়, আসজ অনুভৱ বা মানুহৰ বাসনাৰ ওপৰত দিয়া ঢাকনিহে। কবিতাটিত ৰাজনৈতিক ব্যংগ স্পষ্ট হৈছে আৰু 'টুপী পিন্ধোৱা' বুলি ব্যৱহৃত ভাষিক বক্ৰ প্ৰয়োগক আধাৰ কৰি তেওঁ নিৰ্মাণ কৰিছে শ্লেষ—

"পৃথিৱীৰ সকলো ৰূপ-গুণ তাল-মান
আত্মসাৎ কৰি তুমি যেতিয়া
মঞ্চত উঠিলা আমি পঢ়ি চালোঁ তোমাৰ মুখ
তুমি যি দেখুৱালা আমি তাকেহে দেখিলোঁ
তোমাৰ টোপনি শুই দেখিলোঁ আমাৰ সপোন
তোমাৰ কাণেৰে শুনিলোঁ বিপুলা পৃথিৱীৰ সাধু

তোমাৰ টুপীয়েও টুপীহে পিন্ধে
টুপীটোৰ বাহিৰে আমি তোমাক দেখা নেপাওঁ
টুপী পিন্ধাৰ পিছত মানুহবোৰ
চিনি নোপোৱা হয়" (অচিনা মুখ)

গূঢ়াৰ্থ একাষৰীয়া কৰি থৈ চালে বৈষ্ণৱ কবি ছান্দসাইৰ কবিতাত দেখা দিয়া বিষয় আৰু কাৰ্য্যৰ বিৰোধত সৃষ্টি হোৱা ৰসিকতা চমৎকাৰ। এই কথকতাৰ অনুৰূপভাৱে সৃষ্ট ব্যঞ্জনাৰ প্ৰভাৱশালী প্ৰয়োগৰ কাব্যকৌশল ৰাজীৱ বৰুৱাৰ কবিতাত আৰম্ভণিৰপৰাই পৰিলক্ষিত হয়। চান্দসাইৰ কবিতাৰ গঁতুৱা এন্দুৰৰ পাৰত পৰি বোন্দা বিড়ালীয়ে কন্দা অথবা চৰুৱে ৰান্ধনীক খেদি নিয়াৰ অনুৰূপ বিৰোধাভাসৰ ব্যৱহাৰেৰে চিন্তা উদ্ৰেককাৰী প্ৰসংগত পাঠকৰ চিন্ত-ভাবনাকো চিকুটিবলৈ কৰা প্ৰয়াস তেওঁৰ কবিতাৰ প্ৰধান সহগ—

"নদীয়ালক নাৱেৰে নমাই থৈ
সন্ধিয়াটোৱেদি গুচি গ'ল এখন নদী
শোকত ম্ৰিয়মাণ হ'ল মহানগৰী" (আহ্নিক)

বিৰল অনুভৱৰ উন্মেষ-উদ্ভাস অংগীভূত ভাবনাৰ লেজুত ওলমি ৰোৱা চেতন-অৱচেতনৰ গ্ৰন্থিমোচনে আনে পাঠকৰ মনলৈ আচহুৱা, অপ্ৰত্যাশিত ভাব। বিষয়ৰ স্বাভাৱিকতাৰ মাজতো ভুমুকি মৰা অস্বাভাৱিকতাই যি বিৰোধ আনে সি প্ৰভাৱসঞ্চাৰী হৈ উঠে—

"জুই ভুগিছে দহনত
শিল কাঠিন্যত
পানীয়েও আমনি কৰে
বন্ধ দুৱাৰ খোলা
সোমাই আহক নতুন অতিথি" (উন্মেষ)

এনেবোৰ সমৃদ্ধি থাকিলেও অৱশ্যে কবিৰ আৰম্ভণিৰ কাব্য-ৰূপত বৰ্ণনাধৰ্মিতাৰ পয়োভৰো আছিল বেছি। বৰ্ণনাধৰ্মিতা যে উচ্চ পৰ্য্যায়ৰ কাব্য প্ৰকাশৰ বাবে অনুকূল নহয় সেই কথা কবিয়ে অনুধাৱন কৰিব পৰাৰ বাবেই পাছলৈ সচেতনভাৱে এই প্ৰকাশভংগীক নিয়ন্ত্ৰণ কৰিবলৈ যত্ন কৰিছে। প্ৰদীপ আচাৰ্য্যই তেওঁৰ কবিতা 'gorgeously বৰ্ণনাত্মক' বুলি কোৱাৰ মাজত থকা উজাৰি লুকুৱা ইংগিতো সেয়াই। অৰ্থাৎ তেওঁৰ কবিতাৰ বৰ্ণনামূলকতা বিষয় এটাৰ সাধাৰণ বৰ্ণনাৰেই দায়সৰা বিধৰ নহয়; বৰঞ্চ ইংগিতময় বা ব্যঞ্জনাক্ষম শৈলী এটাৰ আঁৰলত উদ্ভাসি উঠা বৰ্ণনাধৰ্মিতাহে। সেয়ে এই ৰীতি সহজ বা আয়াসসাধ্যও নহয়, কষ্ট-আহৃত আৰু অনুশীলনৰ ফল। এই অভিমত তেওঁৰ শেহতীয়া কবিতাসমূহে প্ৰতিপন্ন কৰে। ইয়াৰ ফলত তেওঁৰ কবিতাত লীৰিকধৰ্মী চৰিত্ৰ বৰকৈ নাই, গদ্যৰ সৈতে হাতে হাত ধৰি আগুৱাই যোৱা পদ্যময়তাহে বেছি।



অনুশোচনা আৰু আত্মদংশনৰপৰা উদ্ভূত এক ধৰণৰ সমালোচনা তেওঁৰ কবিতাত উপলব্ধি কৰিব পাৰি। **পানীৰ ঘৰ** সংকলনত এই উপলব্ধি মন কৰিবলগীয়া। যি জাগতিক পাৰিপাৰ্শ্বিকতা আৰু সমাজ-বাস্তৱৰ ছাঁ লভি কবিৰ ভাব-জগত পুৰঠ হৈছে তাত থকা নঞৰ্থকতাবোৰক লৈ কবি অসুখী। এই অসুখজাত উপলব্ধি, অনুশোচনা বা আত্মদংশনে তেওঁৰ কবিতালৈ ব্যংগ-বিদ্ৰূপৰ ছাট এটা আনি দিছে আৰু কেতিয়াবা ই ৰাজনৈতিক সমালোচনাৰো প্ৰান্তদেশ চুইছেগৈ। অৱশ্যে এই ব্যংগ বা বিদ্ৰূপ তেওঁৰ কবিতাত প্ৰচ্ছন্ন ৰূপৰহে, সততে গা ঘেলাই ফুৰা বিধৰ নহয়—

"কেৰাচিন তেলৰ বাবে দীঘল কিউ দেখি
জনসভা বুলি ৰৈ যাব কোনো অত্যুৎসাহী নেতা" (পানীৰ ঘৰ)

মহানগৰীয় সমস্যাৰ ৰেহ-ৰূপ সম্বলিত এনে ব্যংগ কেতিয়াবা বক্তব্যসম্বলিত, নিৰ্জীৱ কচৰৎ যেন অনুভৱ হয়। পিছে ইয়াৰ পৰৱৰ্তী সংকলনকেইটাৰ কবিতাত ব্যংগ যেন তেওঁৰ মজ্জাগত হৈ পৰিছে আৰু হৈ উঠিছে কাব্যিকতা সমৃদ্ধ। **কিছুমান বোধৰ বৰণৰ** 'আওটানি' বা **অথবা মুদ্ৰাদোষৰ** 'কবিতা-কলি' কবিতা দুটিত আলোকপাত কৰিলেই এয়া বোধগম্য হ'ব। এই ব্যংগই কেতিয়াবা সমকালীন সমাজবাস্তৱতা প্ৰকাশৰ বাবে তিৰ্য্যক ৰূপো লৈছে। ভাও-ভণ্ডামিৰ গেজেপনি চহৰত সততা, সত্যতাৰ পথ ক'ত? জাৰণি ফালি যাবৰ বাবে হাবি কাটি লুংলুঙীয়া বাট কাটিব লাগিব। চকুৱে চাই বাট এটা আঁকিব পাৰি, চিকুণাব নোৱাৰি। এই সত্যটো অনুধাৱন কৰিব পৰা হ'লে ৰাতি সাত হাল বাই পুৱালৈ এহালো নোহোৱা অৱস্থা বহুতৰে নহ'লহেঁতেন চাগৈ—

"চেনেলত বহি 'বিশিষ্টজনে' কৰি আছে আলোকপাত
তথাপি ইমান এন্ধাৰ এই মুলুকত" (কবিতা-কলি)

তেওঁৰ কবিতাত চহৰ-নগৰৰ লগতে গাঁৱৰো যুগপৎ যাতনা অভিধা-লক্ষণাৰ গাতে আউজি ব্যঞ্জিত হৈছে। পথাৰে গৰ্ভধাৰণ কৰাৰ বাবে কৃষকৰ উদ্বাউল আগ্ৰহক ভেঙুচিয়াই বন্ধ্যা হোৱা প্ৰকৃতিক গ্ৰহণ কৰিবলগীয়া কৃষকৰ স্বপ্নভংগৰ চিত্ৰ—

"পিতৃ এটুকুৰা প্ৰস্তৰ
ধুতিৰ লোচাৰে চকু মোহাৰি আকাশ চায়
এতিয়াও ডাৱৰ জমা হোৱা নাই" (বন্ধ্যা)

জীৱন-ভিন্নতা চিত্ৰিত কৰিবলৈ যাওঁতেও তেওঁ প্ৰত্যক্ষ কৰা দুখৰ ভৰ প্ৰকাশত

গুৰুত্ব দিছে। জীৱনত দুখেই সুলভ— "দুচকুৰে বৈ আহিছিল লুণীয়া পানী/ তেওঁ পাঠ কৰিছিল জীৱন।" জীৱন যন্ত্ৰণাদগ্ধ হ'লেও সকলো সময়তে সততা বিমুখ নহয়; সেয়ে আধুনিক অৰ্থসৰ্বস্বতাক এনে ধাৰণাৰে আওকাণো কৰিব পাৰি। শৈশৱৰ স্মৃতি, গ্ৰাম্য সমৃদ্ধিৰ বেওটো পাৰ হৈ নগৰীয়া বতাহেৰে অলিন্দ ফুলাই লভা বোধ-অনুভৱত খুন্দা মৰা বৈপৰীত্য **পানীৰ ঘৰ**ত কল্লোলিত— ধ্বনিময়। গ্ৰাম্য-সৰলতাৰ আদিপাঠেৰে পাৰ কৰা ল'ৰালিয়ে চহৰীয়া মেৰ-পেঁচত সোমাই আচহুৱা অনুভৱ কৰাটো স্বভাৱিক। নতুন অভিজ্ঞতা, অনুসন্ধানক আধাৰ কৰি বাস্তৱৰ নিৰীক্ষক হ'বলৈ কবি প্ৰথমৰেপৰাই উৎসাহিত হৈছে—

"নগৰত খুলি পেলালোঁ
মোৰ লেজুত শুকোৱা ৰহিলা চোলা
হে'লজেনৰ পোহৰত
দেহৰ সৰ্বাংগ সোলোকাই
ইলেক্ট্ৰিক ডায়িং কৰালোঁ" (ৰং ঘঁহি আহিছো)

তাৰ পাছত কবি গাঁৱলৈ গৈ আচহুৱা হ'ল। গাঁৱৰপৰা ঘূৰি অহাৰ পাছত "নগৰীয়াই ক'লে ঃ ৰং ঘঁহি আহিছা/কি দুৰ্গন্ধ!"

একেআগী সৃজনস্পৃহা, ভাবনাৰ নিস্তেজ অভিব্যক্তি বা জীৱনৰ বন্ধ্যা আৱৰ্তত নিমজ্জিত থকাৰ প্ৰতি কবি আগ্ৰহী নহয়—

"তুমি ইচ্ছা কৰিলেই কণীৰ চোকোৰাৰ দৰে
তোমাৰ আৱৰ্ত ভাগি পৰে
গছে-বনে ওলমি থাকে মোট সলোৱা সাপৰ চোলা" (আৱৰ্ত ভঙাৰ গান)

তেওঁৰ আটাইকেইখন কবিতাপুথিৰ আৰম্ভণিতে আঁৰি দিয়া স্বল্পৰূপ আপোন স্বীকাৰোক্তিৰ গদ্যাংশত মাজে মাজে এজন সমালোচকে ভুমুকি মৰা পৰিলক্ষিত হয়। বিশ্ব সাহিত্যৰ বছা বছা কবিৰ কাব্যকৃতিৰ সৈতে থকা পৰিচিতিৰ সুবাদতে তেওঁ মাজে মাজে নিজৰ কবিতাৰ সৈতে সিবোৰৰ তুলনাৰ বাতায়নেৰে আপোন সমৃদ্ধি আৰু সীমাৱদ্ধতাৰ বিষয়ে সজাগ হৈ উঠে। এজন কবি যদি একে সময়তে নিজৰ কবিতাৰ সমালোচকো হৈ উঠিব পাৰে তেনেহ'লে তেনে অভিব্যক্তিত কাব্যৰ মসৃণ ৰূপ এটা উপলব্ধি কৰিব পাৰি।

আলোচকলৈ সুৰুঙা থৈও কবিয়ে আপোন সৃষ্টিশীল কৰ্মৰ বিষয়ে দিয়া স্পষ্টীকৰণ ধৰ্তব্য— "কবিতা মোৰ কবি হোৱাৰ চেষ্টাৰ ফচল নহয়, ই মোৰ মানুহ হোৱাৰ প্ৰয়াসৰ ফচলহে। জীৱনৰ অক্ষয় সত্যৰ প্ৰতি, এক পৰিপূৰ্ণ জীৱনৰ প্ৰতি মোৰ চিৰন্তন আকাংক্ষা। আধুনিক জীৱনৰ বিপন্ন বৈচিত্ৰ্য; অপূৰ্ণতা, খণ্ডিত ৰূপৰ প্ৰতি মই তীব্ৰভাৱে সজাগ। সেয়েহে এক অখণ্ড আৰু অকৃত্ৰিম ৰূপ বিচাৰোঁ প্ৰকৃতিৰ মাজত, অতীত-শৈশৱৰ নিৰ্দোষ জীৱনত। শব্দ-উপমা-চিত্ৰকল্প ৰূপকৰ জৰিয়তে উন্মোচন কৰিব খোজোঁ জীৱনৰ পৰমাৰ্থ। এই চিত্ৰকল্প প্ৰতীক ৰূপক উপমা উৎপ্ৰেক্ষাই কবিতাৰ মৰ্মত পাঠকৰ প্ৰৱেশ হয়তো বিলম্বিত কৰিব পাৰে। কিন্তু ৰসগ্ৰাহী পাঠক তাত প্ৰৱেশ নকৰাকৈ নাথাকে। বিলম্বিত প্ৰাপ্তিৰ আনন্দই সুকীয়া।" কাব্য সাধনাৰ স্বীকৃতি কবিৰ কাংক্ষিত নহয়; যদি সেয়া আহেও সি শৰ্টকাট্ হোৱাটো কবিৰ কাম্য নহয়। ভুকুতে কল পকাবলৈ গ'লে সি নপকে, দপেহে, দপা কল সদায়ে বিস্বাদ। জনপ্ৰিয়তাৰ মেৰঘৰটোৰপৰা বাহিৰত থাকি কবিতাক গহীন (serious)ভাৱে লোৱা কবি এজনৰ বাবেহে এনে স্বীকাৰোক্তি সম্ভৱ হ'ব পাৰে।

**তুমি কি কবি তোমাৰ এটা পুখুৰী নাই** (২০০১) সংকলনত কবিয়ে লিখিছে— "আচৰিত এই কবিৰ মনোজগত। ঠিক যেন এটা পুখুৰীৰ দৰে। পুখুৰীত জলজ শস্যৰ লগতে সাপ-ভেকুলী বিষাক্ত পোক-পৰুৱা আদিও থাকে।" কবিয়ে আঙুলিয়াই নিদিলেও পঢ়ুৱৈ মাত্ৰেই জানে যে পুখুৰী এটাৰ প্ৰধান প্ৰয়োজনীয়তাৰ আধাৰ এইকেইটা নহয়; পানী আৰু মাছহে। ইবোৰ অনুষংগহে। কবিতাৰ ক্ষেত্ৰতো ঠিক কবিৰ মনোজাগতিক অৱস্থাৰ সৈতে বস্তুতঃ উপাদান-প্ৰকৰণৰ সু-সংশ্লেষণৰ দাবী একোটা থাকে আৰু তাক পূৰণ কৰিবৰ বেলিকা আৰ ছিগা চুলি তাৰ ছিগা চুলি মাৰি যাওঁ নেঘেৰী খোপা হোৱাটো কাব্যৰ সুস্বাস্থ্যৰ অনুগামী নহয়। সেয়ে ৰূপকধৰ্মী (allegorical) এই পুখুৰীটোৰ গৰাকী নোহোৱা কবিজন কি কবি— এই প্ৰশ্ন। এইটো ইংগিতময় প্ৰশ্নৰ সাৰ্বজনীনতাৰ উপলব্ধিও কবিতা পুথিখনৰ বাটকটীয়া হৈছে ডেনিচ ব্ৰুটাছৰ এই epigraph-ৰে—

"The good smell of dust
That is the same
Everywhere around the earth"

সংকলনটোৰ প্ৰথম কবিতা 'এজোৰ জোতাৰ কাহিনী' কবিজনাৰ অন্যতম শ্ৰেষ্ঠ কবিতাসমূহৰ ভিতৰত এটা। ইয়াতো ইণ্ডোনেছিয়াৰ কবি ছাপাৰ্ডী জ'কো ডাম'ন' (Sapardi Djoko Damono)ৰ এটা উদ্ধৃতি— "A pair of shoes had fallen in love/ With a pair of feet." ই কবিতাটিৰ বীজ-বিন্দু প্ৰকাশক উদ্ধৃতি হ'লেও

অথবা ই কবিতাত বিদেশী অনুষংগৰ অনুকৰণশীল চৰ্য্যাৰ প্ৰতি আঙুলি টোঁৱালেও অথবা জোতাৰ প্ৰসংগই ভেন গগৰ উত্তৰ প্ৰভাৱবাদ (post-impressionism) শৈলীৰ বিখ্যাত চিত্ৰ ‘A Pair of Shoes’-খনলৈ মনত পেলালেও কবিতাটিৰ প্ৰথম শাৰীটোৱে কবিতাটিক অসমীয়া কাব্যশৈলীৰ অভ্যন্তৰতহে থাপিছে যেন লাগে— ‘ভঁৰালৰ গাধৈত পৰি আছে এযোৰ পুৰণি জোতা’। ই যেন কেৱল নগৰায়নৰে নহয়, গ্ৰাম্য পৰিশীলনৰো এক উদ্বাস্তু প্ৰপঞ্চ— উপেক্ষিত হৈও সঞ্চিত। আৰু তাত—

‘সোঁ পাতত থাকে মকৰা এটা
বাঁওপাতত এজনী কুমাৰণী
সোঁপাটৰ দুৱাৰডলিত এখন মকৰাজাল— আধা সজা
বাঁওপাতত কুমাৰণীৰ মাটিৰ কেপচুল”

উপযোগবাদৰ তুলাচনীত এই উপেক্ষাই জীৱন সত্য। তাৰ পিছতো অন্তঃকৰণৰ অনামী এৰাব নোৱৰা এঠা আৰু বিষয়ীৰ স্বপ্ন। চিত্ৰখন পৰিচিত, সহজ আৰু অভিধাৰ বিচাৰত যথাযথ। কিন্তু পাঁচোটা খণ্ডৰ কবিতাটিৰ দ্বিতীয় খণ্ডটিত ওৱা পতা অনুভৱে জোতা ৰূপ বিষয়ৰ মাজেদি বিষয়ী ৰূপ পৰিধানকৰ্তাৰ অতীত উন্মোচনৰ চেষ্টাত নামিছে আৰু তাতো প্ৰতিফলিত হৈছে এটা দ্বন্দ্বাত্মক সহাৱস্থান—

“সোঁপাটে ভাবিছে পাৰ্লাৰ ফেৰৎ মহিলাৰ
গালৰ দৰে মসৃণ পথৰ কথা
বাঁওপাতে ভাবিছে বোকা-পানীৰে ডোঙা বন্ধা
গাঁৱৰ কেঁচা ৰাস্তাৰ কথা”

এই দোদুল্যমান অৱস্থা বা দ্বন্দ্বইতো ৰাজীৱ বৰুৱাৰ প্ৰায়বোৰ কবিতাৰ সহগ। কিন্তু পৰিধেয়গৰাকীৰ ওচৰত এলাগী হৈ উঠাৰ বাবেই জোতাযোৰৰ অৱস্থান হৈছে বৰ্জিতৰ শাৰীত। ঠিক যেনেকৈ ব্যক্তিসত্তাত প্ৰতিষ্ঠিত মতাদৰ্শৰ চলমান স্থিতি আৰু নতুনত্বৰ সৈতে দ্বন্দ্বাত্মক অৱস্থানৰ মাজৰ মীমাংসা নৌ হওঁতেই আহি পৰা আন এটা নতুনৰ বাবে পুৰণি এলাগী হ’বলগীয়া অৱস্থা এটা। কিন্তু তাৰো এটা ভবিষ্যৎ থাকে নেকি— নতুনৰ জনম নহ’লেও নতুন জন্মই পুৰণিক আঁকোৱালি লোৱাৰ? ইও এটা প্ৰশ্নই।

ৰাজীৱ বৰুৱাৰ কবিতাগুচ্ছৰ মাজত পুখুৰী বিষয়ক কবিতালানি মন কৰিবলগীয়া। এইটো সংকলনৰ ‘পুখুৰী’, ‘জুই-পুখুৰী’, ‘আকৌ পুখুৰী’ আদি কবিতাৰ মাজেদি তেওঁ



নৈ-প্ৰিয় অসমীয়া কবিকুলৰ চিন্তা-প্ৰৱাহৰ ওলোটা বাট এটা লৈছে। প্ৰৱাহিনী নৈৰ বিপৰীত পুখুৰীৰ স্থিতিশীলতাকো গতি দিবলৈ কৰা হাবিয়াসতে এই প্ৰযত্ন প্ৰতিফলিত হৈছে। প্ৰতীকৰ পোহৰত চালে পুখুৰী— পানী, মাছ, সৃষ্টি-সমৃদ্ধি; হৃদয়ৰো-মগজুৰো কৰ্ষণ-সৃষ্টিৰ আধাৰ। কেতিয়াবা ই মেটাফৰ। আনৰ ডোবাত জাকৈ বোৱা, আনৰ পুখুৰীৰ মাছেৰে খালৈ ভৰোৱাত কবি আগ্ৰহী নহয়। নহয় আনে যোৱা বাটেৰে যাবলৈ—

“কিছুমান পুখুৰীৰ গভীৰত ভৰি থাকে সোণালী শস্য
তেনে পুখুৰীৰ গৰাকীক মই প্ৰণাম কৰোঁ।”

সেয়ে কবিৰ জুই-পুখুৰীটো অপৰিদৃশ্যমান আত্মগত মানসহে—

“ইষ্ট দুখত ভৰি থাকে
অন্ধ খণ্ডত জ্বলি থাকে জুই-পুখুৰী
যিদৰে শীতল পানীয়ৰ পাত্ৰৰ
বহিৰ্ভাগ সিক্ত হৈ থাকে”

স্তৱকটোৱে দিয়া অৰ্থ নিৰ্দেশনাৰ বিচাৰত জুই-পুখুৰীটো পৰিদৃশ্যমান নহয়, আত্মগত। কবিতাটিৰ আৰম্ভণিৰ দৃশ্যমান যি বৰ্ণনা সি পাছলৈ পুখুৰীৰ জলজ সমৃদ্ধিৰ অনুৰূপে আত্মিক উপলব্ধিৰ সমৃদ্ধিশালী অৱস্থা এটা সূচাইছে। চিত্ৰায়ণৰ বাস্তৱিক পুখুৰী এটা আৰু বোধ-অনুভৱৰ আত্মিক পুখুৰী এটাৰ তুলনামূলক অৱস্থানৰ মাধ্যমত বাঙ্ময় হোৱা কবিৰ অস্থিৰ নীৰৱতা ইংগিতধৰ্মী—

“পুখুৰী যে এটা দৃশ্য মই দৰ্শক
তাৰ পাৰতেই শব্দৰ সৈতে মোৰ প্ৰথম প্ৰেম
অভিমান বিৰহ বেদনাৰ ঘনঘটা” (আকৌ পুখুৰী)

ৰুক্ষতাৰ ছিঁৱাল-ফটা যাতনাত জলজ হেঁপাহ বা জলজ ছিটিকনিৰ নাম প্ৰেম। সেয়ে পুখুৰীটো বা পুখুৰীকেন্দ্ৰিক অনুষংগবোৰে ইয়াত তাৰেই বাংময় ৰূপ লভিছে আৰু তাৰ মাজেৰে জাগতিক শুভবোধলৈ সম্প্ৰসাৰিত হৈছে। পিছে পানী মানেই পুখুৰী নহয় আৰু পুখুৰী মানেই যে পানী থাকিব তাৰো নিশ্চয়তা নাই, পুখুৰী এটা থকাৰ পিছতো এই সন্দেহ অমূলক নহয়। আৰু অমূলক নহয় পানী থকাৰ পিছতো সি বিশুদ্ধ বা গ্ৰহণীয় নে ক্লেদাক্ত বা বৰ্জনীয়! এই বোধে কবিৰ আত্মিক পৰ্য্যায়তো ভাবনাৰ ওৱা ধৰিছে অসৎ, আসজ, অকল্যাণ চিন্তা নিবৃত্তিৰ বাবে। নিয়ন্ত্ৰিত, পৰিশীলিত শুভবোধহে

তেওঁৰ অন্বিষ্ট—

“মোৰ পুখুৰীত গজিবলৈ দিয়া নাই মেটেকা
কেৱল বেঙুনীয়াৰ বাবে জলাশয় হ’ব নোৱাৰে পুখুৰী
জলাশয়ত পুখুৰীৰ জেউতি ক’ত?” (আকৌ পুখুৰী)

তেওঁৰ শেহতীয়া সংকলন **হয়তো মুদ্ৰাদোষ**ৰ ‘চকুহাল যোৰপুখুৰী’ শীৰ্ষক কবিতাত এই চিন্তা নব্য বিন্যাস-বয়ন আৰু যেন অন্য উদ্ভাৱন সম্বলিত। ইয়াত পুখুৰী বিষয় নহয় অনুষংগহে, সিও ৰূপক আধাৰিত। ‘আকৌ পুখুৰী পাৰত’ কবিতাত নিজাকৈ এটা পুখুৰী খন্দাৰ বা গৰাকী হোৱাৰ যি প্ৰচেষ্টা অন্য অৰ্থত সৃজন-কৰ্ষণেৰে জীৱনক সমৃদ্ধ কৰাৰ অন্তহীন প্ৰচেষ্টা আৰু সেয়া হোৱা বুলি ভবা পৰিণতিক অসমৰ্থতাৰ দুখেৰে তুলি ধৰিছে এনেবোৰ স্তৱকৰ মাজেৰে—

“মোৰ ছোৱালীজনীক সিদিনা
আমাৰ পুৰণি পুখুৰীটোৰ পাৰলৈ নিছিলোঁ
...... ... ...
মই তাইক পুখুৰীটোৰ পানী চুবলৈ দিছিলোঁ
চুই চাবলৈ দিছিলোঁ তাৰ চাৰি চুক
যাতে মই এতিয়াও বামতে সাঁতুৰি ফুৰাৰ কাৰণ তাই বিচাৰি পায়
আৰু সাগৰত সাঁতুৰিব নোৱৰাৰ বাবে
মোক ক্ষমা কৰি দিব পাৰে...”

জীৱন-যাতনা, নিঃসংগতা, আধুনিক জীৱন-চৰ্য্যাই অনা খণ্ডিত জীৱনবোধৰ পৰা নিষ্কৃতিৰ পথ নাই জানো? প্ৰেম, মানৱতাই ইবোৰক অতিক্ৰম কৰিবলৈ সাহসিকতা প্ৰদান কৰাৰ সময়তে আমাৰ মাটিতে ওপজা বৈষ্ণৱ-দৰ্শন আৰু বৌদ্ধ দৰ্শনেও কেতিয়াবা কবিক বাট দেখুৱাইছে। অশান্ত জীৱনৰ আতিত-বিতিতিৰপৰা নিস্তাৰৰ বাবে তথাগত প্ৰদৰ্শিত মাৰ্গৰ প্ৰতি আস্থা আছে তেওঁৰ সপ্তমটো সংকলনত বিশেষভাৱে।

অভাৱক জীয়ন দি জীয়াই থকা অভুক্তৰ ভোক বিষয়ক কেইবাটাও কবিতা তেওঁ লিখিছে। অন্য অৰ্থত কবিয়ে ভোকাতুৰৰ জীৱন-নিৰীক্ষণৰপৰা লভা অভিজ্ঞতাক কেইবাটাও কবিতাৰ অনুষংগ কৰিছে। ভাতৰ লগত পেটলৈ যোৱা শিল এটাৰ স্বাভাৱিক অৱস্থাটোক আধাৰ কৰি সামাজিক প্ৰেক্ষাপটত মহাজনী অৰ্থনীতিক তেওঁ প্ৰসংগ কৰি লৈছে—



“পেটৰ ভিতৰত উশাহ ল’ব নোৱাৰি
শিলে সৈ কাঢ়িলে
চাউলৰ লগত তাক মিহলোৱা
মানুহজনৰ নাম ঠিকনা বয়স
... ...
কথাবোৰ পেটৰ ভিতৰতে নথৈ
শিলটো জিভাৰ আগলৈ আহিব খুজিলে
... ...
পেটৰ ভোকে তাক উজাই আহিবলৈ নিদিলে” (শিল ফছিল হ’ল)

এয়ে বিড়ম্বনা। এই বিড়ম্বনাই **কিছুমান বোধৰ বৰণ** সংকলনৰ ‘তুলাচনীত ভোক’ কবিতাত এটা বেলেগ ৰূপ লৈছে। নিগনি-এন্দুৰৰ সৈতে শস্য উৎপাদনকাৰী কৃষকৰ অহি-নকুল সম্পৰ্কটোৰ ন্যায্যতাৰ প্ৰশ্ন তুলি অধিকাৰ আৰু ভোগবাগী ব্যৱস্থাৰ আসোঁৱাহ দেখুওৱা হৈছে। কবিয়ে উত্তৰ-আধুনিক ব্যৱসায়িক প্ৰক্ৰিয়াৰ আওতাতো ভুৱা সত্য আৰু ঠগ লক্ষ্য কৰাই নহয়, মগজুৰ ওপৰত নিয়ন্ত্ৰণৰ কাৰচাজিৰ প্ৰতিও কটাক্ষ কৰিছে—

“সিদিনা চাউল এবস্তা কিনোতে
লগতে দুটা নিগনিও আহিল
পাছদিনা দোকানীক গৈ সুধিলোঁ—
কথাটোনো কি— এইটো এটা নতুন নিয়ম
যিদৰে দুটা কিনিলে এটা ফ্ৰী
শিশু খাদ্য কিনোতাক বিনামূল্যে এটা পুতলা পিষ্টল”

পুতলা পিষ্টলটো বয়সক্ৰমত পুতলা হৈ নাথাকি ধাতুৰ হোৱাৰ সৰ্বনশীয়া ইংগিত অতি অৰ্থবহ। উদাৰ অৰ্থনীতি আৰু বিশ্বায়নৰ ধুমুহাত বিধ্বস্ত জনগণৰ চিন্তা আক্ৰান্ত কৰা লেহেমীয়া বৰবিহ (slow poison)ৰ আহিলাৰে আমি ভৰাই লৈছোঁ আমাৰ ফোঁপোলা সমৃদ্ধি। আমাৰ ‘বাঁহ ফুলা দেশ’ত দৈব্যক ধিয়াই আমি বৰ্তি আছোঁ অথবা আমাৰ শাসকে সেই মাত-কথা আওৰাই অৰ্থনৈতিক সমতাৰ পাঠ পঢ়ায় আৰু আমি শুনো, মানো। খাবলৈ নাপাই নাখাই খীণোৱাৰ যাতনা স্বাস্থ্য সচেতন খাই খীণোৱাই

বুজিও বুজি নাপায়। প্ৰথম শ্ৰেণীটোৰ ভোক জীৱন ধাৰণৰ আৰু দ্বিতীয় শ্ৰেণীৰ আকাংক্ষা পূৰণৰ। কবিৰ নিৰীক্ষণ— 'ভোকৰ সৈতে খেলা কৰি কোনো জিকা নাই...'। ইয়াত খেলখন ভোকাতুৰ আৰু ভোকাতুৰ সমূহ সৃষ্টি কৰোঁতাৰো।

শৈশৱ আৰু এৰি অহা সময়ৰ স্মৃতিকাতৰতাৰপৰা অনেক অনুষংগ বুটলি তাক ভাবনাৰে তিয়াই নতুনকৈ জীয়ন দিবলৈ কবি সচেষ্ট হৈছে। **তুমি কি কৰি নিজৰ এটা পুখুৰী নাই** সংকলনৰ আই, বাজ, লালুকী, পাটনাদ আদি কবিতা কবিয়ে জীৱনত এৰি অহা সময়লৈ উলটি চোৱা ছবিৰে সমৃদ্ধ। এনে অনুভৱ-অভিজ্ঞতাৰ গাতে আঁউজি গঢ় লোৱা **হয়তো মুদ্ৰাদোষ**ত সন্নিৱিষ্ট 'বকুল বকুল' শীৰ্ষক কবিতাটি তেওঁৰ অন্যতম শ্ৰেষ্ঠ কবিতা। কবিতাটিৰ মৰ্মমূলত আছে সময়ৰ প্ৰলেপে ঢাকিব নোৱৰা স্মৃতি, যাৰ সৈতে সংযুক্ত হৈ আছে কৈশোৰৰ উদ্দেশ্যহীন অথচ নিভাঁজ প্ৰেমৰ অভিব্যক্তি, পোৱা-নোপোৱাৰ হিচাপৰ ঊৰ্ধ্বত যাৰ স্থিতি—

"সেই চাৱনি যি পাহৰণিৰ দ্ৰুত জোকাৰণিতো স্থিৰ, ধ্ৰুৱ
তাৰ জিলিকনিক আজিও মই স্বৰ্ণকাৰৰ কষটিত থৈ চাওঁ
কল্পনাৰ পাখি পিন্ধি কৰোঁ অৰ্থ-অনৰ্থৰ বিনিৰ্মাণ"

জীৱনৰ যি আততি-বিততি, ব্যতিব্যস্ত ভংগুৰ চেতনা তাৰপৰা সাময়িক নিবৃত্তিৰ উহটো ভৱিষ্যৎ-স্বপ্ন আৰু সমৃদ্ধ অতীতত থাকে। স্মৃতিমুখী হৈ অতীত বিচৰণ তেনে সকাহৰ মানসিক অৱস্থান। সেই অৱস্থান যদি প্ৰেমৰ হয়, পাহৰিব নোৱৰা ধৰণৰ তাৰ পুনঃ উপলব্ধিত জীৱনৰে নতুন অৰ্থ প্ৰাপ্তি ঘটে। কৈশোৰৰ উদ্দেশ্যহীন সৰল আৰু নিভাঁজ প্ৰেমত থকা উদাৰতাই অতিক্ৰান্ত সময়তো জীৱনৰ খালী ঠাইবোৰ নতুন অৰ্থৰে পূৰায়। 'নতুন বৰষুণ', 'নাৰী', 'অপ্ৰকাশিত', 'এটি সাৰেং চৰাইৰ মাত' আদি কবিতাতো তেওঁ প্ৰেম-উপলব্ধিক ভিন্ন দৃষ্টিকোণৰপৰা প্ৰকাশ কৰিছে। সেয়া শৈশৱ-কৈশোৰ-যৌৱনৰ প্ৰেম আৰু প্লেটʼনিকৰপৰা শৰীৰী অনুভৱলৈকে পৰিব্যাপ্ত।

নিজে এগৰাকী খেলুৱৈ হোৱাৰ বাবেই হওক বা খেলৰ উত্তেজনা আৰু নান্দনিকতাৰ সৈতে ভাবৰ সংযুক্তিৰ সাদৃশ্যগত কাৰণতে হওক ফুটবল আৰু ফুটবল খেলৰ প্ৰসংগ তেওঁৰ কবিতালৈ বাৰে বাৰে আহিছে। **খালী বটলৰ মালিতা**ত দৃষ্টিগোচৰ হোৱা এই বিষয়টোৱে তেওঁৰ শেহতীয়া কবিতাৰ মাজতো বিস্তৃতি লভিছে। অৱশ্যে এই কবিতাবোৰত ফুটবল বা ফুটবল খেল বিষয়ীৰ বাবে আধাৰস্বৰূপহে, অভিপ্ৰায় বেলেগ। উদাহৰণস্বৰূপে তেওঁৰ 'গʼলৰক্ষক' কবিতাটিলৈকে আঙুলিয়াব পাৰি। চকুৰ আগত চলি থকা খেল এখনৰ আমেজ লোৱা অভিজ্ঞতাৰ সুৰুঙাতে যদি একোজন খেলুৱৈৰ মনোজাগতিক অৱস্থা অনুধাৱনৰ যত্ন কৰা হয় সেই অভিজ্ঞতাই তেতিয়া মানুহৰ জীৱনত লোৱা সিদ্ধান্তবোৰৰ তাৎক্ষণিকতাকো উপলব্ধি কৰিবলৈ অনুপ্ৰাণিত কৰিব। যিটো দেখুওৱা হয় সি সঁচা প্ৰতিভাত হয় যদিও দেখাবোৰ সঁচাকৈয়ে সঁচা নে দুৰ্ঘটনা— আত্মঘাতী গʼলৰ দৰে—

"গছৰ শিপালৈকে পোহৰ
অথচ পাতবোৰৰপৰা সৰিছে
আন্ধাৰ টোপাল" (গʼলৰক্ষক)

আঁৰৰ সঁচাবোৰ প্ৰায়েই পৰিদৃশ্যমানতকৈ ভয়ংকৰ। দেখুওৱাবোৰ জীৱনৰ সীমাৱদ্ধতা ঢকাৰ এক ধৰণৰ কাৰচাজি— হাতত আপেল, কঁকালত ছুৰীৰ নিচিনাকৈ। জীৱনটো কেৱল উত্তেজনা, উৎকণ্ঠাৰ পুখুৰী নে তাৰ পাৰত বহি জলজ স্থবিৰতাৰ আকৰ্ষণৰ প্ৰতি জনোৱা সঁহাৰি? ফুটবল খেলৰ উত্তেজনা, উৎকণ্ঠা, আনন্দ, সুহুৰি, কিৰীলি কিম্বা হতাশা, বিষাদ, ফেকুৰি উঠা ওঁঠ আৰু লোতক দুধাৰি— বিজিত আৰু বিজেতাৰ সৈতে দৰ্শকৰো ভাগ-বাটোৱাৰা—

"কি কৰিব
গʼল দিব নে গʼল ৰাখিব
শূন্যতে ওপঙি ফুৰিছে বল
গলশূন্য খেল
দৰ্শকশূন্য খেলপথাৰ
তুমুল হাতচাপৰি" (গʼলৰক্ষক)

দৰ্শকশূন্য খেলপথাৰৰ হাতচাপৰিয়ে আমাক জীৱনৰ এব্‌ছাৰ্ডিটিকে সোঁৱৰায়। সেইদৰে 'এখন টুলৰ উচ্চতা'ই অস্তিত্ববাদৰ প্ৰান্তদেশ চুইছেগৈ। দেশী-বিদেশী সাহিত্যৰ প্ৰচুৰ অধ্যয়নৰ বাবে তেওঁৰ কবিতাত এনে প্ৰসংগই ভুমুকি মাৰিলেও তত্ত্বকথাক একাশৰীয়া কৰি জীৱন জোখাৰ তুলাচনীখন ব্যৱহাৰ কৰাত কবি সিদ্ধহস্ত। 'মাৰাডোনাৰ বাবে' শীৰ্ষক কবিতাটিত দাৰ্জিলিঙৰ টাইগাৰ হিল্‌ছৰ উদয়োন্মুখ অৰুণাভক মাৰাডোনাৰ দুভৰিৰ মাজৰ ফুটবলটোৰ সৈতে তুলনা কৰা আৰু দুয়োটা ক্ষেত্ৰতে অনুৰাগী আৰু উপভোক্তাৰ উৎকণ্ঠা, উপভোগ, মাদকতা লাভৰ সন্তুষ্টিৰ উপলব্ধি চমৎকাৰ। তাৰ মাজতে ডাৱৰ আচ্ছাদিত বেলি বা খেলুৱৈৰ ভৰিৰ স্তব্ধতাই আনি দিয়া দুখবোধৰ মাজত ক্ষণভংগুৰতাও প্ৰেক্ষাপটলৈ আহিছে। নিৰীক্ষণ, পৰ্যৱেক্ষণ আৰু তাৰপৰা

আহৰিত অভিজ্ঞতাই তেওঁৰ কবিতাত যি উপলব্ধিৰ ওৰা পাতে সেয়া প্ৰকাশৰ বেলিকা শ্লেষ সম্বলিত হৈ উঠে। এই শ্লেষ মানৱ-অধ্যয়ন আৰু কেতিয়াবা আত্ম-অধ্যয়ন আৰু তাৰপৰাই আহৰিত অপৰাধবোধৰপৰা অহা। সেয়া যেন আত্মদংশনৰে অভিব্যক্তি—

"তেওঁলোকৰ চকুৰে দেখা পাওঁ নেকি চাওঁ
মই আৰব্ধ কৰি ৰখা ফাইলৰ অনীতি
... ... ...
মোৰ কোঠালৈ আন্ধাৰৰ সৈতে যেতিয়া
সমদল কৰি সোমাই আহে বিষাদ সন্ধিয়া স্পষ্টভাৱে দেখা পাওঁ
বিষাদে আৱৰা এখন ঘূৰণীয়া মুখ
এই মুখ কাৰ— মোৰ নে মোক
লগ পাবলৈ অহা কোনো এজনৰ?" (অফিচ কোঠাত আপুনি আৰু মই)

ৰঙাফিটাৰ মেৰ-পেঁচ চেৰাই ব্যৱস্থাৰ সৰলীকৰণ ক'ত? ইয়াত বিষয়ী অৱস্থাভেদে সাক্ষাৎগ্ৰহণকাৰী আৰু সাক্ষাতৰ বাবে প্ৰতীক্ষাকাৰী। দুয়ো ক্ষেত্ৰতে জীৱনৰ নেতিকে অনিবাৰ্য্যভাৱে গ্ৰহণ কৰিবলৈ বাধ্য বিপৰ্যস্ত আজিৰ নাগৰিক। ইয়াতো পৰিচিতৰ অন্তৰালৰ অপৰিচিত মানস উদ্‌ঘাটনৰ প্ৰয়াস চকুত পৰে। নিজে 'নিজ' নোহোৱাৰ আচহুৱা অনুভৱে তেওঁৰ ভালেমান কবিতাত ওৰা পতা পৰিলক্ষিত হয়।

"পোহৰৰ কাঁড়ে খেদিব যেতিয়া
শিং লগা কুঁৱলীজাক
ওৰে নিশা আনৰ টোপনি শুই
সাৰ পাওঁ কুঁৱলী চাবলৈ" (শিং লগা কুঁৱলী)

ইয়াত তুৰীয়-বায়ৱীয় আধাৰত ওপঙি থকা সুকোমল প্ৰপঞ্চ এটাক শিং পিন্ধোৱাৰ অন্তৰাল অনুধাৱন কষ্টকৰ নহয়— অস্পষ্টতা, প্ৰতিবন্ধক আৰু বাধক-ৰোধকৰ ব্যঞ্জনা প্ৰকাশী। পিছে কুঁৱলীৰ পৰিদৃশ্যমান অৱয়ৱটোৰে অন্তৰ্জগতকো প্ৰকাশিছে। বিষয়ী কবি প্ৰত্যহ মুখামুখি হোৱাজনৰ সৈতে পৰিচিত হৈও অপৰিচিত, পৰস্পৰে পৰস্পৰক নিচিনে অনুভৱতো অচিন ধূসৰতা। সেয়ে এই অস্পষ্টাত গজি উঠিছে এডাল শিং— সন্দেহ, সন্দিহান জীৱন-ভাবনা লৈ। ই আধুনিক জীৱনৰ নিৰ্মম অৱস্থিতি।

পৰিচিতক আচহুৱাকৰণৰ মাজেৰে তেওঁ মাজে মাজে গঢ়ি তোলে সাধাৰণৰ বাবে আচহুৱা কাব্য-বোধ আৰু সেয়া হৈ উঠে প্ৰচলিত কাব্য পৰম্পৰাৰ পৰা আছুতীয়া



নব্যবোধ। পাঠকৰো বোধ-অনুভৱক অন্য এটা অৱস্থাত উপনীত কৰাই বচনাতীতৰ আনন্দ উপলব্ধি কৰিবলৈ উচটোৱাৰ প্ৰচেষ্টা, যিটো তেওঁৰ অন্যতম কাব্য-কৌশল। উদাহৰণস্বৰূপে 'খালী বটলৰ মালিতা - ১' কবিতাটিলৈ আঙুলিয়াব পাৰি—

"প্ৰতিদিনে পুৰা খালী বটলবোৰত
খোৱা পানী ভৰাওঁ
সন্ধিয়া বটলবোৰত
পানী ভৰাব নোৱাৰি
ডিঙিলৈকে ভৰি থাকে স্মৃতি
উদি হোৱাৰ পিছতহে ফুটি উঠে বটলৰ পৰিচয়
আৰম্ভ হয় শিশুকাল বয়ঃসন্ধি
আৱৰ্জনা নে পৰৰ গোলামী"

বটলৰ খালী অথবা পূৰ্ণ অৱস্থাটো মানৱ সাধিত আৰু ৰূপকাত্মক (allegorical)-ভাৱে মানুহৰ জীৱনৰ শূন্যতা আৰু পূৰ্ণতাৰ দ্যোতক। দাৰিদ্ৰ্যগ্ৰস্ত মানুহৰ চিন স্বৰূপ কেৰাচিনৰ বিবৰ্ণ বটল এটাৰ সৈতে ঘাটমাউৰাৰ সাদৃশ্য অনুধাৱন জীৱনৰ তলসুতীয়া অৱস্থাৰ নিৰীক্ষণৰপৰা ওপজা। জনসাধাৰণৰ নিঃস্ব আৰু দুঃস্থ অৱস্থাৰপৰা নিষ্কৃতিৰ বাবে, জীৱনৰ শূন্যতা পূৰ্ণ কৰাৰ বাবে প্ৰতীক্ষা ব্যঞ্জিত হৈছে খালী বটলটোৰ পূৰ্ণতালৈ প্ৰতীক্ষাৰ সমৰূপভাৱে। কিন্তু কবিতাটিত খালী বটল পূৰ্ণ কৰাৰ বাবে আগুৱাই অহা হাতখন দুঃস্থ জীৱনক পূৰ্ণতা দিবলৈ আগবাঢ়ি অহা হাতসদৃশ নহয়। জীৱন বাটত পৰমুখাপেক্ষী হোৱাতকৈ নিজে বাটকটাৰ প্ৰতিহে কবিৰো মনোযোগ বেছি। সেয়ে কবিতাটিত তুলি ধৰা হৈছে বুদ্ধদেৱৰ বুজনি— নিজেৰে পূৰ্ণ হওক নিজ; অৰ্থাৎ 'আত্মদীপোভৱ'।

কবি মালাৰ্মেই প'ল ভেলাৰীলৈ লিখা এখন চিঠিত লিখিছিল— "কবিতা মই শব্দৰেহে লিখোঁ।" অভিপ্ৰেত ভাব প্ৰকাশত শব্দ অক্ষম হ'লেও ইয়াক আধাৰ কৰিয়েই আৱহমান কালৰপৰা মানুহে ক'ব লগাখিনি কৈ আহিছে। ব্যাপক অৰ্থত শব্দ সৃষ্টিৰো আদিমূল— মহানাদ তত্ত্বই তাকেই কয়। এই যে আমি শব্দকে মূলাধাৰ কৰি প্ৰকাশি আছোঁ ভাববোৰ, লভি আছোঁ জ্ঞানবোৰ, নিৰসন কৰিছোঁ আৱেগ, অনুভূতি, চিন্তা-বৃত্তি, বিৰাট ভাৱৰ নিষ্কৃতি সেই সকলোবোৰ শব্দ। মাথোঁ শব্দ। তথাপি সেই শব্দই পাৰিছেনে ব'ব আমাৰ চিন্তা-ভাবনাৰ পৰিপূৰ্ণ ভাৰ। ভাবৰ পূৰ্ণ প্ৰকাশত অপাৰগ ভাষাই ৰাখি থৈ যোৱা খালী ঠাই পূৰাবৰ বাবে আমি সক্ষম নহয়। শব্দহীনতাৰ শব্দহে বহুক্ষেত্ৰত বাঙ্ময়—

"শৰীৰে যি ভাষাত কথা কয়
সেই ভাষাৰ বাহিৰত
আমি কি বিচাৰি আছোঁ নাজানো
...　　...　　...
শব্দ— যি সৃষ্টি হৈয়েই
আন এটা শব্দৰ বাবে খালী কৰে ঠাই
এই খালী ঠাই কোনোদিনে পূৰণ নহয়" (ন' মেন্‌ছ লেণ্ড)

অথবা

"মৌলিক বুলি কোনো কথা নাই
'শব্দই ক্ৰমশঃ হেৰুৱাইছে অৰ্থ'
শেষ কথাও কোনেও ক'ব পৰা নাই
যি ঘটি গ'ল বিৰামহীনভাৱে ঘটি আছে
যি ঘটিবলৈ আছে
সি আৰু কোনো দিন নঘটে" (কথা)

বৌদ্ধিক আত্মকণ্ডূয়নৰপৰা মুক্তিৰ হাবিয়াস তেওঁৰ কাম্য। স্থবিৰতা, একঘেয়ামীৰপৰা মুক্তিৰ প্ৰচেষ্টাও লক্ষ্যণীয়। প্ৰচলিত ধাৰণা, বৈচিত্ৰ্যহীন জীৱন, বৃত্তি, ব্যৱস্থাৰ বলয়কেন্দ্ৰিকতাৰপৰা মুক্ত হ'ব পৰাতহে জীৱনক ভাল পাওঁ বোলা কথাষাৰৰ সাৰ্থকতা আছে বুলিও তেওঁ ভাবে। 'কেন্দ্ৰ কাৰো স্থায়ী বাসিন্দা নহয়/কেন্দ্ৰত থকা বুলি বহু লোকে ভ্ৰমত ভোগে' (কেন্দ্ৰ)। সেয়ে তেওঁৰ কেন্দ্ৰতকৈ মূলৰ প্ৰতিহে ধাউতি বেছি। মূলত অৱগাহনতহে জীৱনৰ সাৰ্থকতা আছে। এই মূল জীৱনৰ বৈষয়িক সাৰ্থকতাৰ আধাৰ নহয়। সমৃদ্ধিজাত আত্মতুষ্টিতকৈ সংবিভাজনৰদ্বাৰা উপলব্ধি কৰা উদাৰতাহে তেওঁৰ কাম্য—

"আনৰ বাবে যেতিয়া
জীয়াই থকাটো অপৰিহাৰ্য্য হৈ উঠে
জীৱনে তেতিয়া পান কৰে মাটিৰ মধুৰতা" (পৰিক্ৰমা)

কিন্তু অৰ্থসৰ্বস্ব নিগনি-চঞ্চল জীৱন প্ৰৱাহত আধুনিক মানুহ এই মধুৰতাৰ



হত্যাযজ্ঞতহে ব্ৰতী আৰু কোনোবাখিনিত আপুনি-ময়ো যেন তাৰ হোতা। সাফল্য আৰু সমৃদ্ধিৰ নিজাববীয়া সংজ্ঞা তৈয়াৰ কৰি জীৱন উদ্‌যাপনৰ বাবে প্ৰায়বোৰেই আওৰাইছে গাণিতিক সূত্ৰ। আমি যেন 'বৰ্ন ফ্ৰী' নহয়। আকাংক্ষা, স্বপ্ন-লক্ষ্য, সাফল্য-বাসনাৰ এৰালত বন্ধা। এই যান্ত্ৰিক জীৱনৰ আৰম্ভণি এনেকৈয়ে—

"হাত পোনাবলৈ শিকা বয়সতে
শিশুটোৱে আখৰ লিখিছে
...　　...　　...
...আমি প্ৰশ্ৰয়ৰ চাৱনিৰে
উপভোগ কৰিছোঁ এই বালখিল্য
তাৰ নাঙঠ শৰীৰটোক পিন্ধাইছোঁ
আমাৰ পছন্দৰ চোলা" (হাতেখড়ি)

এনে আৰোপিত সপোন লৈয়েই শৈশৱ-কৈশোৰ-যৌৱন পৌঢ় হ'ব। বয়সৰ এই যাত্ৰাত বৃদ্ধি হ'ব বাসনা-বিষয়ৰ পৰিপূৰ্ণতাৰ প্ৰতি নিয়ত আসক্তি আৰু তাক পূৰণৰ স্বাৰ্থত আহৰণ কৰা সকলোবোৰ ভোগৰ অন্ততো সেই শূন্যতা পূৰ নহ'ব। সপোন আৰু আকাংক্ষাৰ শেষ জানো আছে? সমৃদ্ধিৰো পূৰ্ণতা নাই। আছে মাথোঁ ভোগ, মতলবৰ পৃথিৱীত অসন্তুষ্টি। আধুনিক জীৱনৰ এই চৰম সত্যৰ সৈতে কবি মুখামুখি হৈছে—

"দিনে-ৰাতিয়ে মই মোৰ বুলি
গোটায়ে আছোঁ দুহাত ভৰাই
তথাপি কিয় মাজ ঠাইডোখৰ খালী
সহজ নহয় সহজ নহয়
গাঁত খান্দি কোনে পুতিব পাৰে পাহাৰ" (কবিতা)

প্ৰাত্যহিক-জাগতিক অভিজ্ঞতা একোটাৰ আধাৰত ব্যংগ-বিদ্ৰূপৰ ওৰা পতা বা তাৰ মাজেদিয়েই সমাজ-ৰাজনীতিৰ প্ৰতি কটাক্ষ প্ৰকাশত তেওঁ সিদ্ধহস্ত। 'আঁঠুৱাৰ আত্মহত্যা' কবিতাত তিনিডাল জৰী ছিঙা আঁঠুৱা এখনৰ কেৱল ওলমি থকা চুক এটাৰ দৃশ্যমান ৰূপ আধাৰিত কল্পচিত্ৰৰ সৈতে দাৰিদ্ৰ্যক্লিষ্ট কৃষকৰ আত্মহত্যাৰ শিহৰণকাৰী দৃশ্যৰ সমৰূপ অতি প্ৰভাৱশালী। তাতে আঁঠুৱাৰ চুকটোত বহি থকা তেজ শুহি নোদোকা-পেটুৱা মহটোৰ স্থিতিক শোষণ-নিষ্পেষণৰ মহাজনী অৰ্থনীতি বুজাবলৈ ব্যৱহাৰ কৰি কবিয়ে ৰাজনীতিৰ প্ৰতিও ব্যংগ কৰিছে।

কাব্য-প্ৰকৰণ অথবা আংগিকৰ আধাৰত আৱেগ, অনুভূতি আৰু অভিজ্ঞতাৰ সৈতে বোধৰ সংশ্লেষণৰ পাছত অভিব্যক্তিৰ বেলিকা শব্দৰ সহায় লয় কবিতাই। কবিতাতো একপ্ৰকাৰৰ চিত্ৰৰেই সমহাৰ— দেখা-অদেখা বহু বৰ্ণৰে বৰ্ণিল। বোধকো চিত্ৰায়িত কৰাৰ প্ৰৱণতাই **কিছুমান বোধৰ বৰণ**ত যি পৈণত অভিব্যক্তি লভিছে সেয়া কবিৰ দীৰ্ঘদিনীয়া সাধনাৰে ফল। বোধ-অভিজ্ঞতা ৰহিত উকা অনুভূতি, মাত্ৰাধিক আৱেগ আৰু কেৱল চিত্ৰধৰ্মী বৰ্ণনা যে ভাল কবিতাৰ চৰিত্ৰ নহয় সেয়া কবিয়ে বুজি উঠিছে আৰু তাৰ বাবেই ইবোৰক নিয়ন্ত্ৰণ কৰাৰ সচেষ্ট প্ৰয়াস এইখন আৰু তৎপৰৱৰ্তী **হয়তো মুদ্ৰাদোষ**ত চকুত লগাকৈ প্ৰতিফলিত হৈছে। অৱশ্যে বিৰল ক্ষেত্ৰত বৰ্ণনাধৰ্মিতা আৰু একেআগী প্ৰকাশভংগীৰ দোষদুষ্টও পৰিলক্ষিত নোহোৱাকৈ থকা নাই। পিছে সেয়া উলাই কৰিব পৰা বিধৰ।

**কিছুমান বোধৰ বৰণ**ৰ বাটকটীয়া কবিতা 'টেকেলিভঙাৰ খেল'ত খেলখন কবিৰ বোধ-নিবৃতিৰ সাজোন মাত্ৰ। এনে এখন খেলত চকু বান্ধি সৃষ্টি কৰা কৃত্ৰিম অন্ধত্ব আনন্দ উপভোগ কৰাৰ, পুৰষ্কাৰ জিনাৰ কৌশল। এই খেলক জীৱন-বোধ বা জীৱন-সমীক্ষাত প্ৰয়োগ কৰিলে ব্যংগৰ ছাট এটা উপলব্ধি কৰিব পাৰি—

"অন্ধৰ ভাও ধৰি চকু নবন্ধাকৈয়ে
ভঙা দেখিছোঁ বহু মানুহৰ মন
একোখন পৰিপূৰ্ণ সুখৰ সংসাৰ
অথচ চকু বান্ধি খেলোঁ আমি
টেকেলি ভঙাৰ খেল।"

টেকেলি ভাঙি, ঘামচি ফুটাই পোৱা সুখৰ অনুৰূপ কাৰোবাৰ ঘৰ ভাঙি পোৱা সুখ হ'ব নোৱাৰে যদিও মতলবী আৰু আনুভূতিক শূন্যতাৰ বুকুবোৰত সেয়াই উৎফুল্লিত হোৱাৰ আলম্বন আৰু এয়া জাগতিক সত্য। গঢ়িবৰ বাবে ভঙাৰ প্ৰয়োজন সকলো ক্ষেত্ৰতে স্বীকৃত নহয়, যদিও শূন্যতাৰপৰা আৰম্ভ হৈ লভা পূৰ্ণতাও এটা শূন্য, কিয়নো তাৰপৰাই আকৌ আৰম্ভ হয় আন এক শূন্য। জীৱনো অনুৰূপ শূন্যতাতে নিমজ্জিত। জীৱনৰ শূন্যতাৰো ওজন আছে। এই ওজন মৃত্যুৰ আৰু তাৰ ভাৰ সহিবলগীয়াসকলৰ বাবে ই অসহনীয়। যদিও পাছতহে উপলব্ধি কৰা যায় প্ৰকৃততে জীৱনৰ আগত বিশ্বৰূপ ধৰি ৰৈ থাকে অমোঘ সত্য— মৃত্যু। বিশ্বৰূপ চাবৰ বাবে প্ৰয়োজন হোৱা দিব্যচক্ষুৰ অনুৰূপ দৰ্শনৰ পোহৰতহে এই সহনশীলতা আহে। জগতত মৃত্যুক পাহৰি থাকিবৰ বাবে মানুহে যতমানে বৈষয়িক-কৌশল আহৰণৰ যত্ন কৰে সেই প্ৰযত্নতে প্ৰতিফলিত



হয় মানুহৰ অসহায় অৱস্থা। মৰণক মৃত্যুপক্ষৰপৰা নিৰীক্ষণ কৰাৰ প্ৰয়াস তেওঁৰ কবিতাত অভিনৱ—

"মৃতক বৰ স্বাৰ্থপৰ
আনৰ টোপনি খতি কৰি
নিজে ইমান নিখুঁতভাৱে শুব পাৰে
নিজে নাহাঁহোঁ বুলিয়েই আনকো
হঁহাৰ অনুমতি নিদিয়ে
জীৱনৰ একেবাৰে আগত বিশ্বৰূপ ধৰি
এনেদৰে ঠিয় হৈ থাকে যাতে
কোনেও কাকো চিনিব নোৱাৰে (মৃত্যুপক্ষ)

কেতিয়াবা তেওঁ বিষয়ভিত্তিক কবিতা নিলিখাও নহয়। তেনে ক্ষেত্ৰত অৱশ্যে বিষয়ৰ বৰ্ণনাত মজি থকাৰ ব্যতীত তাক আধাৰ কৰি অন্য আধেয়ৰ প্ৰতিহে উৎসুকতা বঢ়ায়, নিজৰো পাঠকৰো। তাকে নকৰিলে কবি আৰু পাঠক একদেশদৰ্শী এচকুৱা কাউৰীসদৃশ হ'ব। 'ছিদ্ৰ-পুৰাণ' তেনে কবিতা। কেতিয়াবা ঘটনা বা পৰিস্থিতি এটাক কেন্দ্ৰ কৰি গঢ় লোৱা বোধক তেওঁ সেই ঘটনা বা পৰিস্থিতিৰ অন্তৰাল বা কাৰ্য-কাৰণ উদ্ভাসিত কৰা বা তাক লৈ গঢ় ল'ব পৰা কিছুমান সম্ভাৱনীয়তাৰ আহ-পাহ খোলাতহে প্ৰয়োগ কৰে। কেতিয়াবা কবিতাৰ মাজৰ কবিজন অন্তৰ্হিত হৈ সামাজিকৰ দৃষ্টিৰে টিপ্পনী কৰাৰ অন্তত বোধ-অভিজ্ঞতাৰ তুলাচনীত জুখি ঘটনাৰ ওজন নিৰ্ণয় কৰাটো তেওঁৰ আন এক কাব্য-কৌশল হৈ পৰে। 'নিহত-১' এটা তেনেধৰণৰ কবিতা। লিংগ বৈষম্যৰ সমাজত সম অধিকাৰ, পুৰুষতান্ত্ৰিকতাত নাৰীৰ অধিকাৰ, নাৰী স্বাধীনতা আদি বিষয়েও তেওঁৰ কবিতাত ভুমুকি মাৰিছে। পৰম্পৰাবাদী সমাজত নিৰ্দ্ধাৰিত হৈ থকা পুৰুষ-উচ্চতাৰ তলত নাৰী নতজানু হৈ থাকিবলগীয়া পৰম্পৰাটো ভঙাত কবি আগ্ৰহী আৰু তেনে হ'লেই ভৱিষ্যতৰ পৃথিৱীত নাৰী-পুৰুষৰ অৱস্থান লিংগ চেৰাই মানৱতা আধৰিত হ'ব। সেই দিনটোৰ বাবে কবিৰ প্ৰাৰ্থনা—

"মোৰ ছোৱালীজনী তেৰবছৰীয়া
তাইক মই ওখ হ'বলৈ আশীৰ্বাদ দিছোঁ
তাই যাতে টুল ব্যৱহাৰ কৰিব নালাগে।" (এখন টুলৰ উচ্চতা)

ঐতিহ্যৰ উত্তৰাধিকাৰ সূত্ৰে অসমীয়া জাতীয় জীৱনৰপৰা পোৱা শংকৰী দৰ্শন

আৰু তাৰ উপৰি বৌদ্ধ দৰ্শনৰ প্ৰতি আকৰ্ষণ তেওঁৰ কিছু কবিতাৰ আৰহ হৈ উঠিছে। আধুনিক জীৱন-যাতনাৰপৰা নিস্তাৰৰ যিবোৰ মাৰ্গ আছে, তাৰ ভিতৰত বৌদ্ধ দৰ্শনৰ ওপৰত তেওঁ আস্থা প্ৰকাশ কৰিছে 'তথাগত' কবিতাত। উল্লেখনীয় যে এনেবোৰ কবিতাত অৱশ্যেই আধ্যাত্মিকতাৰ অনুশীলনৰ প্ৰতি কবি আগ্ৰহী হোৱা নাই আৰু ধৰ্মভীৰুৰ আওতালৈ তেওঁ সোমোৱা নাই; তাৰ ব্যতীত জীৱনৰ বাবে প্ৰয়োজনীয় কিছু সদৰ্থক নীতিৰ প্ৰতিহে তেওঁ আনুগত্য দেখুৱাইছে। এনে দৃষ্টিকোণেৰে বৌদ্ধ দৰ্শনৰ ছাঁত জীৱনটো জুখি চোৱাৰ প্ৰয়াসো কৰিছে। কিন্তু কবিৰ বাবে চৰম বিড়ম্বনা হৈছে ভোগবাদী জীৱনসৰ্বস্বতাত এই মাৰ্গো উপেক্ষিত হৈ উঠাটো—

"শিলত তোমাক নাপাই গছক উপাসনা কৰোঁ
পৰুৱাৰ দৰে বগাই ফুৰোঁ গছৰ শীতল ছাঁ
ইয়াত কোনেও কাৰো ছাঁও নগচকে
গছৰ ছাঁৰ ঋণ শুজিবলৈ তোমাক বিচাৰি চাওঁ
তথাগত, তুমি যে বহুত দূৰলৈ গ'লা
ঃ ইমান দূৰলৈ গৈ ঘূৰি আহিব পাৰিনে
ঘূৰি আহি পামহিনে এই জীৱন, তথাগত" (তথাগত)

**হয়তো মুদ্ৰাদোষ**ত সন্নিৱিষ্ট দুই-এটা কবিতাতো এই বিষয়টো প্ৰাসংগিক কৰা হৈছে। জীৱনৰ সদৰ্থক গতি আৰু পৰিণতিৰ বাবে বৌদ্ধ-দৰ্শন প্ৰদৰ্শিত মাৰ্গ অৱহেলিত বা এলাগী হৈ উঠাৰ আক্ষেপ স্পষ্ট হৈছে এনে শাৰীতো— "মই ধূলিৰ ওপৰত জাপিছোঁ ধূলি/কুছিনাৰালৈ আহিছোঁ।" (ধূলিৰ ওপৰত ধূলি)। কুছিনাৰালৈ গৈ সুস্থ জীৱন যাপনৰ বাবে এই দৰ্শনৰ প্ৰতি আকৰ্ষিত হ'লেও আগেয়ে উল্লেখ কৰাৰ দৰে তেওঁৰ চেতনাত ধৰ্মভীৰুতাৰ ঠাই নাই।

সাম্প্ৰতিক 'উত্তৰ-সত্য' (post-truth)আচ্ছাদিত পৃথিৱীত য'ত ভুৱা সত্যই প্ৰাধান্য পায় তাত ৰুটিনত বন্ধা সংশয়গ্ৰস্ত জীৱনে কোৱা-মোৱা দেখে। বাহ্যিক ধুনৰ ৰংচঙীয়া বজাৰত বস্তুতঃ সকলোৱেই ওপৰুৱাকৈ উপকাৰী-দৃষ্টিনন্দন আৰু প্ৰয়োজনীয় বুলি ন্যস্তস্বাৰ্থজড়িত মহলে চলোৱা বিজ্ঞাপন-মোহত পৰা জনসাধাৰণ—

"ছুইচ টিপি দিলেই যদিও জ্বলে আমাৰ জলমল বিজুলী-চাকি
আমাৰ সন্ধিয়াও বিপন্ন আৰু বিষণ্ণ
আন্ধাৰত আমাৰো পহৰা নাই
'গাৰ্ডক কোনে পহৰা দিব'" (ছায়াযুদ্ধ)



আপাতঃ গৌণ আৰু অমনোযোগী বিষয় এটাক গুৰুত্ব প্ৰদান কৰি চমৎকাৰী তাৎক্ষণিকতাৰ সৃষ্টি কৰিব পৰাতো এটা বিশেষ কাব্যগুণ হিচাপে পৰিচিত হ'বৰ যোগ্য। এই যোগ্যতা আৰ্জিবৰ প্ৰয়াস পৰিলক্ষিত হয় এনেবোৰ পংক্তিত—

"মুখ নিফুট প্ৰতিমা
ভৰিহে কৰিৎকৰ্মা
মুখক কিয় ইমান আপডাল
ভৰি দুখনৰ প্ৰতি উদাসীন অৱজ্ঞা
তেন্তে বৈষম্য আৰম্ভ হয় নিজৰপৰা..." (অংগ-বহিৰংগ)

আত্মসমালোচনা, গ্লানি আৰু অনুশোচনাই পৰিশীলিত কৰা ভাব আৰু বোধৰ মাজতে কেতিয়াবা ভুমুকি মৰা আসজ অনুভৱে মানসিক থিৰতাক হাওলাব পাৰে। এই আসজক নিয়ন্ত্ৰণ কৰিব পৰা শকতিটো আত্মসমালোচনাৰপৰাই উদ্ভূত। নাৰ্চিছিজিমৰ শেলুৱৈ পিছল বাট বোলা সমদলৰপৰা আঁতৰত থাকি আত্মপ্ৰতিবিম্বৰ আসোঁৱাহ দেখিলেহে এনেদৰে ক'ব পাৰি—

"প্ৰতিমা-মুখতো খলা-বমা
কাম নাপাই ঘূৰি অহা
দিন-মজুৰৰ
মুখৰ বৰণ" (গুপ্ত-দোষ)

আধুনিকতাতো ক্ৰমান্বয়ে স্থায়ী হোৱা কিছু ধাৰণাৰ প্ৰতি সংশয় তেওঁৰ কিছু কবিতাৰ উপজীব্য হৈ উঠাৰ সুবাদতে সিবোৰ উত্তৰ আধুনিকতাবাদৰ লক্ষণাক্ৰান্ত হোৱাটোও পৰিলক্ষিত হয়। অৱশ্যে ই খণ্ডিতৰূপতহে, সমগ্ৰতাসন্ধানী নহয়। নৈতিকতা, সত্য সম্পৰ্কত প্ৰচলিত ধাৰণাৰ বিলোপ সাধন; সত্যৰ কোনো স্থায়ী, সাৰ্বজনীন বস্তুগত অস্তিত্বহীনতা আৰু সত্যক জনাৰ বাবে প্ৰয়োজনীয় যুক্তিজ্ঞান (reason)ৰ ওপৰত অনাস্থা; নেতিবাদ (nihilism)ত আস্থা; জ্ঞানৰ প্ৰচলিত বা পৰম্পৰাগত অৰ্থৰ বিলোপ সাধন; বাস্তৱ-অবাস্তৱ, সত্য-অসত্য, নৈতিক-অনৈতিকৰ মাজৰ সীমাৰেখা নাইকিয়া কৰাৰ প্ৰয়াস; চিৰায়ত বা বিশ্বজনীন প্ৰমূল্যৰ ধাৰণাৰ বিলোপ সাধন; সংগঠিত আৰু সু-সংবদ্ধ কাহিনীৰ ব্যতিৰেকে সাহিত্যত খণ্ডিত প্ৰকাশৰ প্ৰতি প্ৰৱণতা; সাহিত্যও পণ্যদ্ৰব্যসদৃশ হৈ উঠা; সাৰ্বজনীনতাৰ বিপৰীতে অস্থায়ী স্থানীয় চিন্তা, বিভিন্নতা, পাৰ্থক্য,

বহুত্বত গুৰুত্ব প্ৰদান; পাঠকক কেৱল উপভোক্তা জ্ঞান কৰা আদি উত্তৰাধুনিক বিশেষত্ববোৰৰ কিছু ছিটিকনি সাম্প্ৰতিকে দুই-এজন অসমীয়া কবিৰ কবিতাত পৰা পৰিলক্ষিত হয়। উত্তৰ আধুনিক চিন্তাই জ্ঞান সম্পৰ্কীয় প্ৰচলিত ধাৰণাক এনেদৰে সলনি কৰিবলৈ লৈছে যে জ্ঞানৰ অন্তৰ্নিহিত মূল্যও পদ্ধতি একোটাৰ দক্ষতাৰ আধাৰত নিৰ্ণীত হোৱাৰ লগতে উৎপাদন ক্ষমতাৰ সৈতে জড়িত হৈ পৰিছে। কম্পিউটাৰৰ প্ৰিন্ট আউট তথ্যৰ নিৰ্দেশক হোৱাৰ দৰে গৱেষণা-কৰ্মৰো পথ প্ৰদৰ্শক হৈ পৰিছে। যোগাযোগৰ ক্ষেত্ৰত থকা পূৰ্বৰ ধাৰণাও সলনি হৈছে— পূৰ্বৰ মুখামুখি অৱস্থান বা ছপামাধ্যম বা পত্ৰালাপৰ ঠাইত বৈদ্যুতিন মাধ্যম (electronic media)ৰ ছবি (image)বোৰহে বেছি গুৰুত্বপূৰ্ণ—

"মোৰ কম্পিউটাৰৰ টেবুলত
মিঠা ছফট্‌ৱেৰৰ গোন্ধ পাই
ৰঙা পৰুৱাৰ লানি
মেম'ৰীত বহি মই বিনিৰ্মাণ কৰিছোঁ
মৌচাকৰ দৰে অতীত" (কবিতা)

এই প্ৰেক্ষাপটতে ভ্ৰাম্যমাণ ই-ভালপোৱাত নিমজ্জিত হৈ জগত পাহৰা প্ৰজন্মৰ প্ৰসংগও আহিছে তেওঁৰ কবিতালৈ—

"আৰোহীৰ কোলাত এটা লেতু-সেতু লেপ্‌টপ্
নেট খুলি চাইছে প্ৰৱাসী প্ৰেয়সীৰ মেইল
ভ্ৰাম্যমাণ ই-ভালপোৱা..." (নেটৱৰ্ক)

'বাকলি বিজ্ঞাপন' কবিতাৰ পৰিভাষাও উত্তৰাধুনিক। বিজ্ঞাপনসৰ্বস্ব ধুনতী বজাৰত আমি লাগী-এলাগীক লৈ বিভ্ৰান্ত। এখন গৃহস্থালিত মেটমৰা সম্ভাৰ সঁচাকৈয়ে প্ৰয়োজনীয় নে? পৃথিৱীৰ কাৰণে অসহনীয় ভাৰ হৈ উঠিছে পেলনীয়া আৱৰ্জনা। উপযোগবাদৰ শিকনি নলৈ কেৱল আমি ভৰাইছোঁ মাথোঁ ডাষ্টবিন। ভঁৰালতো কিবা এক শূন্যতা। পৰিচ্ছন্নতাৰ বাবে ডাষ্টবিন নে অপ্ৰয়োজনীয় শ্ৰীবৃদ্ধিৰ বাবে। 'মোক ব্যৱহাৰ কৰক'— মানুহলৈ ডাষ্টবিনৰ এই এৰাব নোৱৰা আকূতি মানৱ সভ্যতাৰ নিৰৰ্থক-সম্ভাৰৰ স্তূপীকৃত নিৰৰ্থক প্ৰস্তুতি—

"সৌ সিদিনা কাকতত পঢ়া খবৰ ঃ এগৰাকী সত্তৰবছৰীয়া
বৃদ্ধই আত্মহত্যা কৰিলে
তাৰ আগতে তেওঁ পকা চুলিত কলপ লগালে
হাত-ভৰিৰ নখ কাটি নকল দাঁতযোৰ লগাই
তেওঁৰ আটকধুনীয়া কাপোৰসাজ পিন্ধিলে
বাতৰিটো পঢ়ি কিয় জানো মোৰ মনত ভাহি উঠিল
বজাৰত জিলিকি থকা বস্তুৰ বাকলিবোৰৰ এখন ছবি..."

বৃদ্ধজনৰ মৰণৰ কাৰণস্বৰূপ একাকিত্বৰ দুখজনক অৱস্থাটো বাহ্যিক পৰিচৰ্য্যাই ঢাকিবলৈ কৰা প্ৰয়াস শ্লেষাত্মক হৈ উঠিছে। ই একে সময়তে মানুহৰ ফোঁপোলা সমৃদ্ধি নিৰ্দেশ কৰাৰ উপৰি ধুনতী পৃথিৱীত নিঃসংগ মানুহৰ অপঘাত আৰু আত্মঘাতী মৰণৰূপ পৰিণতিও দেখুৱাইছে। উত্তৰাধুনিক পৃথিৱীত মানুহবোৰ আত্মকেন্দ্ৰিকতাৰ লেটাকুন্দোৱা একোটাহঁত পতংগ। সহযোগিতা, সহমৰ্মিতা, সহানুভূতি পক্ষী বা পশুকুলৰ মাজতো বিৰল নহয়, সেয়া এতিয়া মানুহৰ মাজৰপৰাই অন্তৰ্হিত। ঘৰৰ চোতালত মৰি পৰি থকা কাউৰীজনীৰ চৌপাশ বেৰি সগোত্ৰীয় কাউৰীবোৰৰ কোৰ্হাল এটা সুলভ দৃশ্য হোৱাৰ বিপৰীতে বেৱাৰিচ লাচৰ ওচৰত মানুহৰ সলনি কুকুৰহে ৰৈ থাকে— এয়া চহৰীয়া সত্য। কবিয়ে নেন' প্ৰযুক্তিৰ যুগত সূক্ষ্মাতিসূক্ষ্ম প্ৰযুক্তিৰ উপকৰণক জীৱন জোখাৰ আধাৰৰূপে লৈছে। বৃহত্তৰক বুজিবৰ বাবেই সূক্ষ্ম বা ক্ষুদ্ৰত্ব বুজাৰ প্ৰয়োজন, পদাৰ্থক বুজিবৰ বাবে তাৰ অনু-পৰমাণুৰ ধৰ্ম জনাৰ যেনেদৰে প্ৰয়োজন। প্ৰযুক্তিও জীৱনৰ বাবেহে, জীৱন প্ৰযুক্তিৰ বাবে নহয়। পৰম্পৰাৰ বুকুত ভৰি থৈ নতুনৰ উন্মেষ ঘটিলেও দুয়োটাৰে বিৰোধতহে নতুনত্বৰ আঁহ-পাহ খোল খায়—

"ঊৰ্ধমুখী গছৰ আগলিক
পচা ডাল-পাতৰ প্ৰয়োজন
সৰু কায়া এটা হ'লেই হ'ব মোৰ উদ্‌যাপন" (নেন' জীৱন)

আমাৰ পৰম্পৰাৰ পেটাৰিটোত নিগাজি হৈ ৰোৱা অনেক প্ৰপঞ্চৰ মাজত ভূত সম্বন্ধীয় বিশ্বাস-অন্ধবিশ্বাসক বিষয় কৰি তেওঁ ভালেকেইটা কবিতা ৰচনা কৰিছে আৰু যুক্তিনিষ্ঠ চাইবাৰ পৃথিৱীখনতো কল্পনাসমৃদ্ধ এনে প্ৰপঞ্চৰ প্ৰয়োজনীয়তা দোহাৰিছে— "অথচ তই নোলালেও জীৱন এক তৰংগ দুখীয়া হ'ব/নুমাই যাব কল্পনাৰ এটি চাকি..."(ভূতৰ ভৱিষ্যৎ)। সেই বুলি চাইবাৰ যুগ আৰু উত্তৰ আধুনিক যুক্তি নিৰ্ভৰতাৰ (?) মাজত অৱগাহন কৰিও মানসিকভাৱে অতীতমুখী অন্ধবিশ্বাসৰ পোতা পিতনিত নিমজ্জিত মানুহৰ প্ৰগতিশীল শ্লোগান আওৰাই দেখুওৱা ভুৱা ভাওনাক কটাক্ষ কৰিছে—

"আশাত বন্দী মানুহ
ৰাশিফলে সূচনা কৰে দিন
'ফীল গুড'ৰ সীমিত মাইলেজ
ৰাতিৰ বেৰত হাতৰ আঙুলিৰে সজা
ছায়া ছবি বাঘ ভালুক হৰিণ..." (শিলৰ সেৰা)

'ফুলছিঙা মানুহ' শীৰ্ষক কবিতাতো নিৰীশ্বৰবাদৰ সীমনাতেই শেষ হোৱা নাই; বৰঞ্চ তাত পীড়ন আৰু উৎপীড়নৰ এটি কুহুমীয়া প্ৰতিবাদো ধ্বনিত হৈছে—

"গোসাঁয়ে ভাল পায়নে ফুল
লয়নে ফুল অথবা ফুলকলিৰ গোন্ধ
শুনা— তোমালোকৰ অজুহাতৰ হাত তেনেই চুটি
ফুলৰ ঈশ্বৰক কেতিয়াও নোপোৱা চুকি" (ফুল ছিঙা মানুহ)

সমকালক লৈ কবি সুখী নহয়। তেওঁ উপলব্ধি কৰিছে নিৰ্মম জীৱন সত্য— অস্থিৰ বীৰ্য্যহীন বৰ্তমান। তেন্তে সৃষ্টি ক'ত? ভৱিষ্যৎ কেৱল নৈৰাজ্য আৰু অনিশ্চয়তাৰ বুকুত—

"শিকলিত বন্ধা আজি আমাৰ ওলমা দশা
যেন বাজি আছে পগলা ঘণ্টা
অস্থিৰ বীৰ্য্যহীন বৰ্তমান (ওলমা ঘণ্টা)

কিন্তু তাৰ প্ৰতি ভ্ৰুক্ষেপহীন বাসনাৰ অঠাই সাগৰত বুৰা মানুহে আপোন অস্তিত্ব জাহিৰ কৰাৰ প্ৰয়োজনত ব্যস্ত থাকে প্ৰদৰ্শনকামিতাৰ অঘোষিত প্ৰতিযাগিতাত। ক্ষেত্ৰ যিয়েই নহওক প্ৰদৰ্শনকামিতা আৰু বিজ্ঞাপনভিত্তিক জীৱন-চৰ্য্যাত সকলো হৈ উঠিছে পণ্য। অতিশয়োক্তি কৰি ক'বলৈ হ'লে ব্যস্ততাত মানুহ মৰিবলৈকো সময় নাই। বাসনা আৰু আকাংক্ষাৰ দ-কুঁৱাটোত দৃষ্টি নিবদ্ধ মানুহৰ আকাশ চোৱাৰ সময় ক'ত? স্বাৰ্থপৰতা জীৱন সংগী হ'লে উদাৰতাৰ বাবে আহৰি ক'ত? আপোনভাৱে নিৰ্মিত সীমাৱদ্ধ পৃথিৱীখনৰ সম্ৰাট হৈ উঠাৰ পাছতো মানুহ কিমান নিঃকিন, ক্ষুদ্ৰ, নুজ্য সেয়া মানুহে বুজি উঠা হ'লে—

"সকলোৰে এটি মাথোঁ বাসনা
— কিবা এটা কৰি দেখুওৱা



বাসনাৰ এই ট্ৰেফিক জেমত ছিগ্‌নেলৰ বাবে ৰৈ থাকোঁতে
এবাৰ আকাশলৈ চাব পাৰি" (আকাশলৈ চোৱা ভাল)

এই যে কৰি দেখুওৱা সিও এটা ফাকিৰ বাহিৰে একো নহয়। আধুনিকোত্তৰ পৰিভাষা সম্বলিত 'মহানগৰৰ কোমিকেল গধূলি'ত ৰসায়নাগাৰসদৃশ জীৱনত অমিল যৌগবোৰৰ ব্যৱচ্ছেদ নিৰীক্ষণ কৰি কবিয়ে আৱিষ্কাৰ কৰিছে তেল-পানীৰ দৰে জীৱনৰো অমিল সমীকৰণ—

"আগৰ ফাকিটো ঢাকিবৰ বাবে আন এটা ফাকি
ফাকি মাৰি পিছে মনত ৰাখিব লাগে
ফাকিৰ চোলাৰ বুটাম নাথাকে, ছিগে
জীৱনটোওচোন এটা নিৰ্দোষ ফাকি
...   ...   ...
নিৰ্ঘাত মৰণ জানিও জীয়াই থকাৰ
তাড়নাৰ কি অদ্ভুত ছলনা"

অসমীয়া সাহিত্য জগতৰ কিছু কেৰোণো তেওঁ উপলব্ধি কৰা যেন লাগে আৰু সিবোৰক লৈও যে ভাবনাৰ পেটাৰিটো খুলিব পাৰি সেই কাৰচাজিও তেওঁ আয়ত্ত কৰিছে। সাহিত্য চৰ্চাৰ বাটত স্থান লাভ, প্ৰশংসা, প্ৰাপ্তি, পুৰস্কাৰ, স্তাৱক, তোষামোদকাৰী আৰু লবীকেন্দ্ৰিকতা (গুজব) আদিৰে ভাৰাক্ৰান্ত পৰিৱেশ এটা সাহিত্য-সমৃদ্ধিৰ পৰিচায়ক বা উদগনি দায়ক নহয়। প্ৰকৃত সাধনাৰ স্থান ইবোৰৰ ঊৰ্ধ্বত। সুবাদ-সাধুবাদ, জনপ্ৰিয়তাৰ ঊৰ্ধ্বৰ সাৰ্বজনীনতাহে কালোত্তীৰ্ণ সাহিত্যৰ পৰিচায়ক আৰু প্ৰকৃত সাহিত্যসেৱী এনে সৃষ্টিশীল কৰ্মত প্ৰবৃত্ত হোৱাহে উচিত; কাৰণ উল্লিখিত সকলো প্ৰপঞ্চই আপেক্ষিক—

"তুমি তেওঁৰ গুণমুদ্ধ
দেখা পোৱা তেওঁৰ ওখ স্থান
তোমাৰো তালৈ যাবৰ মন
পিছে বান্ধিব পৰা নাই বাট

তেওঁ প্ৰশংসা কৰে আন এজনক
এখন চহকী মনোজগত

দূৰৰপৰাই দেখিছে তেওঁৰ গুণীজন থকা ঠাই
সেই ঠাইত তেওঁৰো বহিবৰ মন" (আপেক্ষিক)

ষ্টিফেন স্পেণ্ডাৰে কবিতাক এক প্ৰকাৰৰ গুপ্তদোষ (secreat-vice) বুলি কোৱা কথাষাৰৰ প্ৰতিধ্বনি কৰি আপোন কবিতাৰ বৈচিত্ৰ্যহীন প্ৰৰিক্ৰমাৰ প্ৰতি সচেতন হোৱা আৰু এই সচেতনতাই অনা সাৱধানতাৰ অভিব্যক্তি সম্বলিত কাব্যকৃতি তেওঁৰ শেহতীয়া সংকলন **হয়তো মুদ্ৰাদোষ**ৰ কবিতাসমূহ। তেওঁ উপলব্ধি কৰিছে— "কোনো কবিয়ে হেনো আজীৱন এটা কবিতাকে লিখি থাকে।" (কাহিনী লিখাৰ কাহিনী।) নিজক অতিক্ৰম কৰাৰ প্ৰয়াস আৰু তাৰ বাবে প্ৰয়োজনীয় অনুশীলন **হয়তো মুদ্ৰাদোষ**ত উপলব্ধি কৰিব পাৰি। এই প্ৰচেষ্টা সদৰ্থক আৰু প্ৰয়োজনীয় হ'লেও সিমান আয়াসসাধ্য যে নহয় সেই কথা কেৱল কবিয়ে উপলব্ধি কৰাই নহয়; তেওঁৰ কবিতাৰ সামগ্ৰিক অধ্যয়ন কৰা পঢুৱৈ মাত্ৰেই অনুধাৱন কৰিব পাৰিব। কিয়নো এইটো সংকলনে তেওঁৰ পূৰ্বৰ সংকলনৰপৰা দূৰগত অৱস্থান এটা কৰাৰ ব্যতীত সিবোৰক সম্প্ৰসাৰিত কৰা যেনহে অনুমান হয়। কিন্তু মন কৰিবলগীয়া কথা এয়ে যে দেশী-বিদেশী কবিতাৰ প্ৰচুৰ অধ্যয়ন, কবিতা সম্পৰ্কীয় প্ৰচলিত আৰু নব্য ধাৰণাবিলাকৰ অনুধাৱন আৰু বিচাৰ-বিশ্লেষণৰ আধাৰত কবিৰ নিজৰো এটি কাব্য বিচাৰ বোধে (poetic diction) গা কৰি উঠিছে। সেয়ে সৃষ্টি কাৰ্য্যৰ পিতৃত্বৰ সন্তুষ্টিতকৈ সিবোৰক নৈৰ্ব্যক্তিক দূৰত্বৰপৰা চাবলৈ কবিয়ে যত্ন কৰিছে, এজন সমালোচকৰ বাতায়নেৰে নিজৰ কবিতাৰ কুঠৰীত ভুমুকি মাৰিবলৈকো তেওঁক প্ৰৰোচিত কৰিছে। সেয়ে যিটো কাব্যশৈলীৰ বাবে তেওঁ একক বিশিষ্ট হৈ উঠিছে সিও একঘেয়ামীযুক্ত— মুদ্ৰাদোষ সম্বলিত বুলিহে তেওঁ অনুভৱ কৰিছে। এই বোধেই তেওঁক একে সমতলীয় কবিতা লিখি থকাতকৈ বিষয় আৰু ক্ষেত্ৰ নিৰ্বাচনত নতুনত্বৰ সন্ধান কৰিবলৈ প্ৰৰোচিত কৰিছে আৰু এই ক্ষেত্ৰত তেওঁ সফলতা লাভ নকৰাও নহয়। কিন্তু সৰহক্ষেত্ৰতে তেওঁ পূৰ্বৰ কথনশৈলীৰ বেওটোৰ ভিতৰত আছে—

"নিজক চোৰাৰ যেতিয়া তীব্ৰ বাসনা জাগে
খুব বেছি অনুমান কৰিব পাৰোঁ
কাম চলি যোৱা ধৰণৰ জোখ এটা
মোৰ গাত লিপিত খাই পৰে" (বাটচ'ৰা)

এই জোখটোৰেই কবিৰ সম্ভাৱনীয়তাৰ আঁহ-পাহবোৰ খোলে, সীমাৱদ্ধতাক



অতিক্ৰম কৰিবলৈ উৎসাহিত কৰে। কিন্তু, কবিয়ে জানে জগতৰ অনেক কবিৰদ্বাৰা উৎসাৰিত সেই খেদ— বচনাতীতৰ আনন্দ দিব পৰাকৈ সৃষ্টি কৰিব নোৱৰা বা সীমাৱদ্ধতা। তথাপি তেওঁৰ মাজত থকা কবিজন আৰু কবিতাৰ সম্পৰ্কটো পাৰস্পৰিক নিৰ্ভৰশীলতাৰে সুদৃঢ়—


"ঢোকাতে ৰ'বনে কলথোকা
নে কলথোকাতে ঢোকাতো" (বাটচ'ৰা)।

এই সম্পৰ্কটো কবিয়ে আমাৰ দৰে পাঠকলৈকো সম্প্ৰসাৰিত কৰিব পৰাতেই কবিৰ সাৰ্থকতা।

**গছে পোহৰ দিয়া দিন** কাব্যগ্ৰন্থৰ পাতনিত কৃতবিদ্য সমালোচক ডঃ হীৰেন গোহাঁয়ে ৰাজীৱ বৰুৱাৰ কাব্য-যাত্ৰাৰ বিষয়ে লিখিছিল— "বৰুৱাৰ কিবা অলপ ক'বলগীয়া আছে। দেখাক দেখি পালৰ গৰুৰ দৰে তেওঁ কবিতাত মুখ দিয়া নাই। সমসাময়িক কবিতাত দুৰ্লভ কেতবোৰ জিজ্ঞাসা লৈয়েই তেওঁৰ কবিতাৰ বণিজ।" কাব্য-চৰ্চাৰ আৰম্ভণিতে কবিয়ে গ্ৰহণ কৰা এই 'ক'বলগীয়া'ৰ দায়িত্ববোধ, সামূহিক পৰিমণ্ডল এটাৰ মাজত থাকিও চিন্তা-বৃত্তিত অভিনৱত্ব সঞ্চাৰৰ প্ৰযত্ন আৰু পৰিৱৰ্তিত সময়ৰ সৈতে তাল-মিল ৰাখি কাব্য-চেতনাত নৱ নৱ বিষয়-প্ৰপঞ্চক উত্থাপন কৰি তেওঁ নিজ কাব্য পৰিক্ৰমাৰ নিৰন্তৰ উত্তৰণ ঘটাবলৈ সমৰ্থ হৈছে। এই সামৰ্থ্যই কবিক সমৃদ্ধ কৰাৰ মাজেৰে অসমীয়া কবিতাকো এনে সমৃদ্ধি দান কৰিছে যাৰ বাবে অসমীয়া কবিতাৰ ইতিহাসত কবি ৰাজীৱ বৰুৱা এক অন্যতম প্ৰধান কণ্ঠস্বৰ হৈ ৰ'ব বুলি আশা কৰিব পাৰি।

ৰাজীৱ বৰা
নাজিৰা কলেজ, ডিচেম্বৰ, ২০১৮

BLANK




**অঘৰী দিনৰ ডায়েৰী**, ১৯৮৫

প্ৰকাশক ঃ চন্দ্ৰা ৰয়, গুৱাহাটী, প্ৰচ্ছদ ঃ ধনঞ্জয় শৰ্মা

BLANK


## অনুভূতি

কি মধুৰ
গৰখীয়া বাঁহীৰ ৰাগি
তাহানিতে
আঁৰি দিয়া
এডাল ৰঙীন সূতা
ডাল ভৰি ভৰি
শুকুলা পখিলা
ᛟ ᛟ

## দুঃসময়

আছে নে আই
বকুল জোপাই
তোৰ হৃদয় জুৰায়
এদোণ ধানৰ বাবে
(তোৰ) এবুকু বেজাৰ
সময়ৰ বাকৰিত নাচে
দিক্‌চৌ বজাৰ






**গছে পোহৰ দিয়া দিন**, ১৯৯২
লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, প্ৰচ্ছদ ঃ সমিৰণ বৰুৱা

BLANK

## পাতনি

মোৰ সৰু কোঠাটোত
জুই লগা
কোনেও দেখা নাই
সকলো গভীৰ টোপনিত

বাহিৰত কুঁৱলীৰ আন্ধাৰ
ধাতুৰ দৰে গলিছে ৰাতি
দপ্‌দপ্‌কৈ জুই জ্বলিছে
আন্ধাৰৰ গাত উগ্ৰ ৰঙা পোছাক

জুয়ে পুৰি নিছে
মোৰ নাগৰিক পৰিচয়
মই নিৰ্বিকাৰ
ফায়াৰ বিগ্ৰেড মতা নাই
বহুদিনৰ মূৰত
একুৰা জুইৰ উত্তাপ!

মূৰৰ ওপৰতে
চিলনীৰ দৰে উৰিছে
ক'লা ছাই-ধোঁৱা-ফিৰিঙতি

জুই বাঢ়ি আহিছে
সাপৰ জিভাৰ জুই
চাকি চাইছে মোৰ ইন্দ্ৰিয় আৰু পাৰ্থিৱ

অশেষ কষ্টৰে
কলমটো উদ্ধাৰ কৰিছোঁ
কিবা এটা লিখাৰ বাবে
হয়তো জীৱনৰ শেষ কথা?
পণ্ডশ্ৰম
এটোপালো চিয়াঁহি নাই

দুৱাৰ-খিৰিকী মেলি দিছোঁ
মোৰ কামিজটো খামুচি
ডিঙি মেলি জুই বাহিৰলৈ গৈছে—
পুৰি থৈ মোৰ সোণালী মানপত্ৰ
আৰু ৰজাঘৰীয়া উপাধি

কলমটো সাবটি সঘনাই উশাহ সলাইছোঁ
ঢলি পৰিছোঁ
মৃত্যুহীন ছাঁৰ কোলাত—

চেতনা পাই অনুভৱ কৰিছোঁ
এক শীতল স্পৰ্শ— বৰষুণ
সৰগৰ অতিথি



কোঠাটোত এতিয়া নিথৰ নীৰৱতা
নিঃসাৰ বুঢ়া মানুহৰ দৰে পৰি আছে
চকীৰ বাওবোৰ
শৰদেহৰ দৰে ডানলপৰ বিছনাখন
উতলা চিয়াঁহি-দোৱাত
আৰু এটা হুইস্কিৰ বটল

সকলো শেষ
নে কিহবাৰ আৰম্ভণি?

দোৱাতটোত উতলা চিয়াঁহি
কলমটো লৈ মই প্ৰথমে যি কথা লিখিলোঁ
সেয়া পাতনি

## হাত

তাঁতৰ শালত তাই
ব'ই আছে
নিজৰ হাত এখন

তাইৰ বুকুৰ গভীৰত
কোঠ মাৰি আছে
এজাক নীলা শিল

পদূলিত ছাউনী পাতিছে
এটা পৰুৱাৰ বাহিনী

অলপ পিছতে
এঘড়ী যুঁজ হ'ব

যুঁজত শিলবোৰ পমি যাব
পানী হৈ ভেটা ভাঙিব
পৰুৱাবোৰে কিৰীলি পাৰিব

তাই ব'বলৈ ল'ব
এখন প্ৰিয় হাত



## স্বৰ্গদেউ

মোৰ স্বৰ্গদেউ
মোৰ জুপুৰি ঘৰতে থাকে
মেলি থয়
তেজ-মঙহৰ নখন দুৱাৰ

অতিথিৰ দৰে আহে
বহে
কথা পাতি গুচি যায়
পূব-পছিমৰ বতাহ

গা ধুই স্বৰ্গদেউ
ঘোঁৰা চেঁকুৰাই
চিকাৰলে' যায়
গাত লাগি আহে
বতাহত উৰি ফুৰা
জোনাকী পৰুৱা আৰু পখিলা

স্বৰ্গদেৱে পুখুৰী খন্দায়
মেলি দিয়ে মাছৰ ৰঙীন পোনা
ডাঁৰত শুকায় এৰী সূতা
সূতাত ওলমি থাকে লেটা-পখিলা

স্বৰ্গদেৱে গছ ৰোৱায়
পুখুৰীৰ পাৰে পাৰে
সেউজীয়া গছবোৰত জিৰণি লয়
এযুৰি ক'লা-বগা চৰাই

কেতিয়াবা বৰমেল পাতি
টেকেলা পঠিয়াই
ধৰি নিয়ে
মোৰ নাক-কাণ চকু জিভা—

আজ্ঞা হয়
দহটা চমতাৰ কোব
অথবা পাঁচটা বাঘ ঢকা
সকলো সহি থাকোঁ নীৰৱে

কাৰণ
তেওঁ মোৰ স্বৰ্গদেউ
তেওঁ মহান
ꩡꩡ



## এখন অৰণ্যৰ সাধু

অৰণ্য এতিয়া আলৰ বুঢ়া
চুলিবোৰ পকিছে
শিপাৰ গভীৰলে' সোমাই গৈছে চকুহাল
তথাপি সোলা মুখত ওলমি আছে
শ্যামল হাঁহি

বুঢ়া অৰণ্যই সাধু কয়
মুহূৰ্ততে স্তব্ধ হয় পখীৰ কাকলি
জাকি মৰা জিলীৰ আৰাও
আনকি পখিলাৰ শান্ত বিচৰণ
নিশ্চল হৈ পৰে শ্বাপদৰ চিকাৰী খোজ
নীৰৱতাৰ পোছাক পিন্ধি
সকলোৱে অৰণ্যৰ সাধু শুনে

সাধু কৈ শেষ হ'লে
অৰণ্যৰ মৃত্যু হয়
সাধুজনৰ বিয়োগত আকাশে ফেকুৰে

মৃত্যুৰ সময়ত অৰণ্যই এৰি থৈ যায়
এটি নাবালক সন্তান
আৰু বহুতো গুণমুগ্ধ চৰাই, পখিলা, শ্বাপদ
লগত লৈ যায়
প্ৰশান্তিৰ এটি ভগ্নাংশ
ꩡꩡ

## শূন্যতা

বিষাদে নাম থোৱা এজন মানুহ
শিলত শপত খাই
অৰণ্যত এটা ঘৰ সাজিছিল
হালধীয়াৰপৰা বুটলি আনিছিল
খেৰ-বাঁহ-বেত-কাঠ

তেওঁৰ ইচ্ছাৰ ৰঙৰ পোছাক পিন্ধি
ঘৰটো থিয় হৈছিল
জুৰিৰ পানীত নিজকে চাইছিল

অৰণ্যই এৰি দিয়া বাটত খোজ কাঢ়ি
ডাঙৰ-দীঘল হৈছিল তেওঁৰ দিন

এদিন বাসনাই ৰুগীয়া কৰিছিল তেওঁৰ ৰাতি
বন্য জন্তুৱে চোবাই খাইছিল তেওঁৰ হাত-ঘড়ী
অৰণ্যই তেওঁক ভ্ৰমণ কৰিবলৈ মাতিছিল
তাইৰ শৰীৰ
তেওঁৰ মৌনতাই গ্ৰহণ কৰিছিল সেই আমন্ত্ৰণ



তেওঁ তাইক উপহাৰ দিছিল
কেইটামান বৰষুণৰ টোপাল
আৰু ওঁঠৰ ফুল
কুমাৰী তৰাবোৰ আকাশৰপৰা
খহি পৰিছিল লাজতে নীৰৱে

বিষাদে তাইৰো এটা নাম দিলে
নীলা ৰঙৰ এটা নাম

চৰাইৰ গান শুনি ৰাতিৰ বয়স বাঢ়িছিল
পোহৰ বিচাৰি অৰণ্যৰ গৰ্ভৰপৰা
ওলাই আহিছিল গছ-গছনি

এটা মূহূৰ্তৰ মাজত বহি
তেওঁ নিজৰ ছাঁৰ স'তে জুখিছিল অৰণ্যৰ অৱয়ৱ
মূহূৰ্তটোৰ সিপাৰে আছিল শূন্যতা
তাত কাৰো কোনো পৰিচয় নাছিল
নাছিল বিষাদ অথবা এটিও বৰ্ণ

## পলাতক

আৰ্চিখনৰপৰা এটুকুৰা ৰশ্মি ওলায়
কোনো আধাৰ পালেই ৰশ্মিটুকুৰাই
এগৰাকী নাৰীৰ আকৃতি লয়

ধৰা হওক ৰশ্মি
এগৰাকী নাৰী

ৰাতি হ'লেই তাই মোক বিচাৰে
আৰ্চিখনেই তাইৰ উৎস
আৰ্চিখনৰপৰা পলাই ফুৰোঁ

কেতিয়াবা ধৰা পৰোঁ
ভয়ে ভয়ে তাইৰ কাষ চাপোঁ
দুয়োখন হাতেৰে খেপিয়াওঁ
ভৰিৰ তলৰ মাটি

তাই মোলে' থৰ হৈ চাই থাকে
পথাৰৰ পানীৰ ডোঙাত যেন ৰ লাগে জোনবাই
তাইৰ দেহৰপৰা উৰি ফুৰা
জোনাকী পৰুৱা মালা হৈ মোৰ ডিঙিত ওলমে



ওৰেৰাতি এইদৰে
সেউজীয়া পথাৰখনত
খেলি ফুৰোঁ সপোন এটি

লাহে লাহে আকৌ তাইক
পাহৰি যাওঁ

ধৰা হওক ৰশ্মি
এগৰাকী নাৰী
আৰ্চিখনেই তাইৰ উৎস
আৰ্চিখনৰপৰা পলাই ফুৰোঁ

## শোকগাথা

(মাত্ৰ তেৰ ঘণ্টা আয়ু লৈ অহা বশিষ্ঠৰ প্ৰতি)

এটা চিঞৰ হৈ তুমি
পানীৰ ঘৰৰপৰা ওলাই আহিলা
সূৰ্য্যৰ এটা কিৰণে স্পৰ্শ কৰিলে
তোমাৰ প্ৰতিমা মুখ
তুমি হাতৰ মুঠিত লুকুৱাই থ'লা আয়ু
শূন্যতাত বিলীন হৈ গ'ল
এটা মৃত দিন

তোমাৰ চিঞৰটো শুনাৰ বাবে যেন মই
অপেক্ষা কৰিছিলোঁ
অপাৰেচন টেবুলৰপৰা ভাহি আহিছিল সি
একুৰা জুইৰ উত্তাপ
অথবা এটা গীতৰ সুৰে
আলফুলকৈ তাক সাবটি আছিল



আচলতে চিঞৰটো শুনাৰ বাবেই
মই মঞ্চত উঠিছিলোঁ
বতাহৰ হাড়ৰ মাজেদি সৰকি
সি আদবাটতে ৰ'ল
মানুহৰ হৃদয়ত ঠেকা খাই
এটা প্ৰতিধ্বনি হ'ল
পৃথিৱীৰ সকলো মানুহে বুজি পায় এই প্ৰতিধ্বনি

মঞ্চত তোমাৰ মোৰ কোনো সংলাপ নাছিল
তুমি মাথোঁ চিঞৰিছিলা
অনুভৱৰ ভৰত মই মনে মনে আছিলোঁ
সেয়েহে প্ৰয়োজন হ'ল আঁৰ কাপোৰ
পানীৰ ঘৰত তোমাৰ চিঞৰ ধ্বনিয়ে
গধুৰ কৰিলে শূন্যতা

চিঞৰটোৰ আগতেও
পানীৰ ঘৰত শূন্যতা আছিল
আছিল এটা নিদ্ৰামগ্ন গীত
তাক অবিৰাম পহৰা দিয়া একুৰা জুই
নাছিল মাথোঁ গীতৰ সুৰ

শূন্যতাই চিঞৰটোক দিছিল
এক আধাৰ তেজ-পানী-বায়ু
হে পৃথিৱী, এই শূন্যতাই সত্য

## ছাঁ

পুখুৰীটোৰ পাৰত
এজাক মানুহ
পানীত নিজৰ ছাঁ চাই বহি থাকে

তেওঁলোকৰ চকুৰ পোহৰ গিলিবলে’
উজাই আহে মাছ
বিফল হৈ ফিছাত কঁপনি লৈ
উভতি যায়

বতাহে যেতিয়া পানীত
গা ঘঁহায়
ছাঁৰ সৈতে
মানুহজাকে লুকা-ভাকু খেলে




ছাঁ চাই তেওঁলোক
ঘৰাঘৰি যায়
ক’তো বিনিময় নহয়
এটি শব্দও
আচলতে নিজৰ ছাঁৰ বাহিৰে
তেওঁলোকে একো দেখা নাপায়

পিছদিনা একেযোৰ পোছাক পিন্ধি
তেওঁলোক আকৌ আহে
এক অখণ্ড দৃষ্টিৰে
ছাঁ চাই বহি থাকে

এদিন পুখুৰীটোৰ পানী শুকাই যাব
নিজৰ ছাঁ নেদেখি মানুহ জাকে
আৰ্তনাদ কৰিব
পানী বিচাৰি মাছবোৰে
মানুহজাকৰ চকুলে’ বগাই আহিব...

BLANK




**পানীৰ ঘৰ**, ১৯৯৭
বাণী মন্দিৰ, গুৱাহাটী, প্ৰচ্ছদ ঃ বেণু মিশ্ৰ

## আৱৰ্ত ভঙাৰ গান

তুমি সম্পূৰ্ণ হ'ব খোজা তোমাৰ আৱৰ্তত
নিজৰ আৱৰ্তত থকালৈকে তুমি হীনতাত নোভোগা
সপোন মুচিয়াই থকা বাটত তোমাৰ যাতায়াত

আৱৰ্তৰপৰা ওলাব খুজিলেই
কুঁৱলী পৰি পিছল হয় তোমাৰ বাট
পথৰ দাঁতিৰ ঘন ক'লা জোপোহাবোৰে
তোমাৰ বাট ভেটি ধৰে
আন্ধাৰ হোৱাৰ পিছতে তোমাৰ জেপৰ পইচাবোৰ
সিহঁতৰ বুলি দাবী কৰে
নদী চাবলে' যোৱা বুলি ক'লেও
ৰত্নাকৰে তোমাক ৰেহাই নিদিয়ে

জিভাৰ জড়তা খেদি তুমি আগবাঢ়া
তোমাৰ ইচ্ছা ডালিমফুলীয়া
তোমাৰ ইচ্ছাই আয়ুস
তুমি ইচ্ছা কৰিলেই কণীৰ চোকোৰাৰ দৰে
তোমাৰ আৱৰ্ত ভাগি পৰে
গছে-বনে ওলমে মোট সলোৱা সাপৰ চোলা

ইয়াৰপৰাই আৰম্ভ হোৱা ভাল
নদীয়ে ধোৱা উপত্যকা



## ঘৰ

দুখন গৰু গাড়ীত আহিছিল এখন ঘৰ
পিছত এৰি থৈ আহিছিল দূবৰি নগজা এখন চোতাল
এজোপা বুঢ়া তুলসী আৰু এশাৰী ক্ষীণকায় সৰণ খেৰৰ জুপুৰি
হাতৰ তলুৱাত গজা জলাতক আন্ধাৰত
গৰু গাড়ীত ওলমাই অনা লেম্পটোৰ কঁপি উঠা শিখাত
এটা সুৰৰ ৰাগি— ছন্দোময় যাত্ৰা অযাত্ৰিকৰ

স্মৃতিয়ে ইয়াৰ খালী কোঠাত সজা ঘৰ
খহি পৰা তৰা নসৰকা এখন চাল
জোনাকী পৰুৱা আৰু শামুক সোমাব নোৱৰা চাৰিবেৰ
হাতীৰ ঠেঙৰ দৰে গধুৰ চাৰিটা খুঁটা
বেলিৰ পোহৰে মচা এখন চিকুণ মজিয়া

ঘৰৰপৰাই আৰম্ভ হয় সকলো যাত্ৰা
ইয়াৰপৰাই চিনি বাট-অবাট সকলো
সময়ে শূন্য ঠাই পূৰাই সাজে-ভাঙে কত যে ঘৰ

কোনো মানুহ নিজে সজা ঘৰত জন্ম হোৱা নাই
প্ৰথমে তেওঁ আয়তক্ষেত্ৰ আঁকিবলে' শিকে
পিছতহে শূন্য ঠাই বিচাৰি ঘৰ বান্ধে

কিছুমান মানুহে আয়তক্ষেত্ৰ আঁকিব নাজানে
শূন্য ঠায়ো বিচাৰি নাপায়— অনাই-বনাই ফুৰে
পোহৰৰ অভাৱত বহুতে আধা সজাকৈ ৰাখে নিজৰ মানস ঘৰ
ঘৰ আচলতে মানুহ— মানুহেই ঘৰৰ উত্তাপ

ঘৰ মোৰ বাবে এতিয়াও প্ৰিয় কিতাপত
সাঁচি ৰখা এখিলা আঁহত পাত



# চিয়াংপৰীয়া সাধু

১
ইয়াত আবেলিতে গোধূলি হয়
পৃথিৱীৰ সকলো ঠাইৰ দৰে আন্ধাৰ হ'লে
শিশুবোৰ মাকৰ কোলাত উঠে
জাগি উঠে জৈৱিক ইচ্ছাই দাবী কৰা দ্বিতীয় ক্ষুধা
মুখত আদিম আবিৰ সানি
ৰাচেঙৰ* ফালে ওলাই যায়
বতাহৰ ধাৰে কটা কিছুমান মেদহীন শৰীৰ

আকাশৰ গাত আঁউজি থকা পাহাৰটোৱে
সকলোকে সদায় পহৰা দি থাকে
ওৰে ৰাতি ৰূপালী সূতাৰ দৰে বৰষুণ সৰে
আকাশ আৰু মাটিয়ে অন্তৰংগ কথা পাতে
জন্ম হয় কিছুমান মূহূৰ্ত
হিমবাহী বতাহেও ম্লান কৰিব নোৱাৰে ৰাচেঙৰ উত্তাপ
পিছদিনা—
শিলবোৰ বোকাৰ দৰে কোমল হয়
মাটিৰ গোন্ধত মাতাল হৈ
সেউজীয়া নিৰ্জনতা ভেদি মানুহবোৰে
পাহাৰৰ বুকুত বিচাৰি যায় এখন নতুন শস্যভূমি

২

সপোন মুচিয়াই থকা এটা উপত্যকা
কাযেৰে বৈ গৈছে এখন খৰস্ৰোতা তেজস্বী নদী
উপত্যকাটোৱে বহন কৰি আছে এশাৰী পাহাৰৰ ভৰ
শস্যভূমি বিচাৰি যেতিয়া মানুহবোৰে পাহাৰ বগায়
উপত্যকাটোৱে সকলোক আহাৰ-পানী যোগায়
গছবোৰে সহি থাকে বৰণ সলোৱা ফলৰ ভৰ
শস্য চপাই এদিন মানুহবোৰ ঘৰলৈ' উভতি আহে
কঠিন শিলত কটা দাগৰ দৰে
শস্যভূমিত এৰি থৈ আহে প্ৰত্যেকৰে বয়সৰ ছাব

৩

ইয়াত কোনেও বেলি মাৰ দেখা নাপায়
সন্ধিয়া গছৰ সেউজীয়াতকৈও গাঢ় হয় আন্ধাৰ
ঘৰৰ দুৱাৰ-খিৰিকীবোৰে ভয় বমি কৰে
ভয় খেদিবলৈ' জ্বলি উঠে শাৰী শাৰী জুহাল
জীৱনৰ ৰস পান কৰি শুই পৰে মানুহবোৰৰ লালকাল ভাগৰ
জুহালবোৰ জ্বলি থাকে ওৰে নিশা

* ৰাচেঙ— গাভৰু চাং



## আদি ছন্দ

পোহৰত উদং হয় চাংঘৰবোৰ
সুৰীয়া বতাহত কঁপে গছৰ কুমাৰী পাত
আদাৰ দৰে গজি উঠে চিকাৰী হাতৰ আঙুলি
ধেনুৰপৰা অতৰ্কিতে ওলোৱা সুগন্ধি কাঁড়বোৰ
ভোমোৰা গছৰ তল সৰকি যায়
বনৰীয়া ফুলবোৰে শুহি লয় তেজৰ ছিটিকনি

কোন দেৱীয়ে কুকুৰৰ কাণত শস্য পঠাই
জুই যেন ভোক খেদে পৃথিৱীৰ
প্ৰজাপতি উৰা চিয়াঙৰ পানীয়ে পিয়াহ গুচায়
গাত বল পাই মানুহবোৰে মৃতকৰ বাবে শোকসভা পাতে
নিপুণ চিকাৰীৰ হাড়ত গজা গছ-বনেৰে মুচুপ* সাজে
জুহালৰ ওপৰত আঁৰি থয় গধুৰ ভাগৰবোৰ
বন্য জন্তুৰ হাড়-মূৰ আৰু জোঙা দাঁতবোৰ
আদা আৰু আপঙৰ গোন্ধত মাতাল হ'বলৈ আহে প্ৰেতাত্মা

মুচুপ ওগন* পিন্ধা চেঙেলীয়া
ৰাচেঙক* তামাক গছৰ দৰে ধুনীয়া দেখে
ৰঙা বুকুৰ চাৰিটা নিগনি ছোৱালী খুজিবলৈ' যায়
উভতি অহাৰ বাট হেৰুৱায়

জুহালবোৰ জ্বলি থাকে
কচু এটাৰ দৰে পুৰি নিয়ে পাহাৰীয়া ৰাতি
পাহাৰটোৰে মেলি দিয়ে ইয়াৰ দীঘল জিভা
জিভাখনৰ তলত গাঁওখন শুই থাকে
ஃ ஃ

* মচুপ ঃ ডেকা চাং, ওগন ঃ লেংটি, ৰাচেঙ ঃ গাভৰু চাং



## নিদ্ৰা

পুৰণি কেলেণ্ডাৰখন সলাবলে' লওঁতে
মোৰ দুৱাৰত এটা মৃদু টোকৰ পৰিল
প্ৰথমে সোমাই আহিল এজাক অস্থিৰ বতাহ
বতাহজাকৰ পিছে পিছে এজনী কুমাৰী ছোৱালী
আতিথ্যৰ বাবে প্ৰস্তুত হৈ আছিল
মোৰ বাওভগা চকীখন, বিবৰ্ণ কাপ-প্লেটযোৰ আৰু
দেশী-বিদেশী আলোচনী

ছোৱালীজনীয়ে চাহ খাই থাকোঁতে মই শব্দৰ বেগেৰে
ফুৰি আহিলোঁ এখন বজাৰ, বিয়াৰ ৰভা, নাৰ্চিং হোম
এটা বাৰ্থডে পাৰ্টী
চাহ খাই ছোৱালীজনীয়ে প্ৰাণঢালি গালে
আত্মৰাগৰ এটা গীত
তাৰ পিছত তাই টোপনিত ঢলি পৰিল
টোপনি গভীৰ হোৱাত মই তাইৰ চেণ্ডেলযোৰ খুলি দিলোঁ
গালত আঁকি দিলোঁ থুপি তৰাৰ ফুল
তৰি দিলোঁ গোলাপী সূতাৰে বোৱা আঁঠুৰা

ছোৱালীজনীক নজগোৱাকৈয়ে পাতিলোঁ মোৰ ঘৰ
টোপনিতে তাই গৰ্ভৱতী হ'ল
সপোন দেখি থাকোঁতেই মাতৃ হ'ল
পিৰালিত বহি গছৰে বয়স লেখি তাই আইতা হ'ল
এদিন হঠাৎ টোপনিৰপৰা তাই সাৰ পাই উঠি
মোৰ চকুহাললৈ একেথৰে চাই তাই সুধিলে ঃ
চাহ কাপত চেনি নাছিল নেকি?
ஃ ஃ

## ৰেচন কাৰ্ডৰ ৰং নীলা

চহৰখনৰ অতিপাত মেদ বাঢ়িছে
কোলাহলৰ বাহিৰত বহাৰ ঠাই নাই
হেৰাই গৈছে ৰাতিৰ এন্ধাৰ ভেদি অহা
ঘোঁৰাৰ ডিঙিৰ টিলিঙাৰ মাত
চৰাই-চিৰিকটিৰ শান্ত-বিচৰণ
মেদৰ দৰে বাঢ়িছে নাগৰিকৰ ভয়
অনিদ্ৰাত ছাটি-ফুটি ৰাতি
আত্মৰতিত হেৰাইছে কত পুৰা

দিনে-ৰাতিয়ে কল-কাৰখানাত ধাতৰ কোলাহল
উৎপাদন হৈছে ভয় আৰু ভীতিৰ মিশ্ৰণ
যুগপৎ অভয় শিকাবলে' বহিছে চৰকাৰী স্কুল, সভা-সমাৰেশ
বাছ ভাৰা কৰি সভাসদসকলক নদীৰ সিপাৰৰপৰা আনিছে
সমাৰেশৰ বাবে কিয় সদায়
নদীৰ সিপাৰৰ মানুহ লাগে



ভয়েৰে ভৰিছে ৰপ্তানিৰ বস্তা
বিত্তীয় সংকট পলাই ফাট মাৰিব
এন্দুৰৰ দৰে বাঢ়িব ডলাৰ-পাউণ্ড
আকৌ আহিব বাজেটৰ বতৰ
সপোন দেখাত নতুন কৰৰ প্ৰস্তাৱ
জন প্ৰতিনিধিৰ ক্ষেত্ৰত এঘাৰ শতাংশ ৰেহাই
জনতাৰ হৈ তেওঁলোকে সপোন দেখিব !
কেৰাচিন তেলৰ বাবে দীঘল কিউ দেখি
জনসভা বুলি ৰৈ যাব কোনো অত্যুৎসাহী নেতা

চহৰত সুখ বিচাৰি অহা গাঁৱৰ মানুহ এটা
বেচেৰা কালি বিদ্যুতৰ তাঁৰত লাগি মৰিল
পৌৰ নিগমৰ এখন জীৰ্ণ গাড়ীত কেইবাশও মৰা এন্দুৰ
নিদ্ৰাৰ বড়ি খাই মৰিল সৰহভাগ
ভেজাল প্ৰসাদ খাই অৰ্ধমৃত বহুত পুণ্যাত্মা
হাস্পতালত ছীট নাই
কিতাপৰ অভাৱত পাণবজাৰ বন্ধ
বিবৃতি পঢ়ি জীয়াই থাকিব জাতি

তথাপি মহানগৰ
অন্তহীন অতিথিৰ প্ৰৱাহ
সকলোৰে হাতে হাতে ৰেচন কাৰ্ড
ৰং একে— নীলা

হে মহানগৰ, মোৰ প্ৰেম আৰু ঘৃণাৰে আপডাল কৰোঁ তোমাক
ক'ত আছে দেখুৱাই দিয়া মোক গছে পোহৰ দিয়া দিন

## পানী


সকলোবোৰ একেই আছে

নদীখন বৈ আছে
ক'ৰবাত ভাঁজ লৈ ধুনীয়া হৈছে
পাহাৰবোৰে আগুৰি আছে ধূলি আৰু ধোঁৱা
চৰাইবোৰে ঠোঁটত লৈ ফুৰিছে জুইৰ কণা
পলমকৈ হ'লেও ৰেলগাড়ীবোৰ চলি আছে
সিহঁতৰ ধাতৰ চিঞৰত অৰণ্য আঁতৰি গৈছে
শুকান গছত যোৰ পাতি মৰি আছে জিলী
খীৰঁতি গাইৰ ওহাৰ শুকাইছে

তুমি পাহাৰৰ ওপৰত উঠি আছা
নামনিত মই ঘৰ সাজিছোঁ
আধা সজা ঘৰত পৰুৱাই মাটি তুলিছে

আন্ধাৰেৰে ধুঁইছোঁ আমাৰ চকু
ডিঙিত এটা টিলিঙাৰ দৰে ওলমি আছে নাগৰিক পিয়াহ
পানী নাই পানী
পানীপিয়া চৰাই এটাই আকাশত কান্দি আছে
পানী বিচাৰি এজাক ডেকা মেনা ম'হৰ পিঠিত উঠিছে
আমি পাহাৰ বগাইছোঁ
শিলাময় মাটি খান্দিছোঁ

ইয়াতেই বিচাৰিব লাগিব পানী
পানী বিচাৰি তেজত নহয়
পানীৰ ওপৰত কাটিব লাগিব দাগ




**তুমি কি কবি, নিজৰ এটা পুখুৰী নাই**, ২০০৩
জাৰ্ণাল এম্প'ৰিয়াম, নলবাৰী, প্ৰচ্ছদ ঃ বেণু মিশ্ৰ

## এযোৰ জোতাৰ কাহিনী

A pair of shoes had fallen in love
With a pair of feet
Sapardi Djoko Damono.

ভঁৰালৰ গাধৈত পৰি আছে এযোৰ পুৰণি জোতা

সোঁপাটত থাকে মকৰা এটা
বাঁওপাটত এজনী কুমাৰণী
সোঁপাটৰ দুৱাৰডলিত এখন মকৰা জাল— আধা সজা
বাঁওপাটত কুমাৰণীৰ মাটিৰ কেপচুল

**জোতাযোৰৰ প্ৰেমিক**

দুয়োপাট জোতাই নিঃসাৰ হৈ
পাগুলি থাকে অতীত
সোঁপাটে ভাবিছে পাৰ্লাৰ ফেৰৎ মহিলাৰ
গালৰ দৰে মসৃণ পথৰ কথা
বাঁওপাটে ভাবিছে বোকা-পানীৰে ডোঙা বন্ধা
গাঁৱৰ কেঁচা ৰাস্তাৰ কথা
দুয়োপাট জোতা এহাল পূৰ্ঠ ভৰিৰ প্ৰেমত পৰিছিল



**জোতাযোৰৰ প্ৰতিৰেশী**

জোতাযোৰৰ বয়সৰ দৰে পুৰণি ইয়াৰ প্ৰতিৰেশী
অসংখ্য সৰু-বৰ খালী বটল
দুটা ফটা টায়াৰ আৰু টিউব
এখন ভগা চালনী, এমখা টৰ্চ্চৰ বেটেৰী
একোছা মামৰে ধৰা তাঁৰ, ভীমকলৰ বাকলি
এখন ফটা মাছমৰা জাল, চকীৰ ভগা বাও
এখন জাকৈ আৰু এখন তাঁৰ ছিগা বীণ
জোতাযোৰৰ প্ৰতিৰেশী

**জোতাযোৰৰ শত্ৰু**

জোতাযোৰৰ দুটা শত্ৰু আছে
আন্ধাৰ হ'লেই সিহঁত আহে
নেগুৰ জোকাৰি শুঙে-কুটে জোতাযোৰৰ শৰীৰ
সৰু সৰু জিভাৰে চেলেকে ভিতৰ-বাহিৰ
পুৰা পকা ধানৰ গোন্ধৰ মাজলে'
সিহঁত উভতি যায়

**জোতাযোৰৰ ভৱিষ্যৎ**

বাঁওপাট জোতাই কাণ উনাই
দুপৰীয়াটো ফালি আহিব চিঞৰ এটা
চিঞৰটোৱে তাক দাঙিব খুজিব
পাছত কঢ়িয়াই লৈ যাব বতাহ ফালি...
সোঁপাট জোতাই এতিয়াও ভাবে
জন্ম হ'ব তাৰ দ্বিতীয় প্ৰেমিক
সেই আশাতে আজিও গুচায় মকৰাজাল

## জেপ

১
দেউতা হাটৰপৰা আহিলে আমাৰ কি যে ৰং
ফুকলীয়া দেহত নতুন চোলাৰ গোন্ধে সাত জাঁপ মাৰে
ঘৰৰ মূধচেদি উৰি যায় কোৰ্হাল কৰি এজাক কিৰীলি
আমাৰ কিৰীলিৰ ফাঁকেৰে ভনীজনীয়ে বৈ বৈ উচুপে
তাইৰ নতুন ফ্ৰকত সদায় জেপ নাথাকে
দেউতাৰ কাণেৰে সোমাই নীৰৱে ওলাই যায়
এটা নাবালক কৌতূহল ঃ
ছোৱালীৰ চোলাবোৰ ৰঙা-নীলা-সেউজীয়া-বেঙুনীয়া
তাত বাৰু কিয় জেপ নাথাকে
এই কথা চোলা চিলোৱা দৰ্জীয়েও নাজানে

২
কুমলীয়া জেপ সি
গাত লৈ ফুৰে আম জাম পনিয়লৰ চেকা
গৰখীয়া সবাহ খাই পোৱা তামৰ পইচা
দেউতাৰ শিতানৰপৰা সৰকাই অনা আধলি এটা
তিনিআলি দোকানৰ চানাচুৰ বাদাম ভজা
ছোৱালীবোৰৰ মুখৰ পানী জিভাৰ জুতি
হাতৰ আঙুলি পোন কৰি জিকি অনা মাৰ্বল গুটি

জেকা মাটি চেঁচা বতাহ জেপভৰ্তি পকা বগৰি

গোটাবৰ বাবেই জেপ
জেপবোৰ লুভীয়া জিভাৰ বাবে



ফেৰ মাৰিবৰ বাবে সমনীয়াৰ স'তে
দুমুঠি জাৰ খেদিবৰ বাবে জেপ

৩
জেপৰো যৌৱন আহে
বয়সৰ লগে লগে বাঢ়ে আকৃতি আৰু মানসিক পৰিধি
সুগন্ধি আতৰ লগা ৰুমালে মুখ উলিয়াই চায়
প্ৰেম-পত্ৰই গৰম কৰি ৰাখে ভিতৰৰ বতাহ
বেক পকেটে বহন কৰি ফুৰে এখন ৰঙীন ফণি

৪
কি ৰহস্যময় জেপ
সেমেকা বতাহেৰেও ভৰে পেট
হুমুনিয়াহে উদং কৰে
খালী কৰিব জানিলেহে জেপ ভৰাব পাৰি
বুকুৰ জেপৰো সততা থাকে
জেপলুৰুকাই কাটিব নোৱাৰে
ভৰোৱা বস্তুৰ গুণে নিৰূপণ কৰে জেপৰ আয়ুস
মলিয়ন জেপ পচে কুষ্ঠ ৰোগীৰ দেহৰ দৰে
ফুটা জেপ থাকিও নথকাৰ দৰে

জেপ থাকিলেও আপোনাৰ ভৰাব পৰা বস্তু নাথাকিব পাৰে
ভৰালেও কিছুমান জেপ শূন্য হৈয়ে থাকে

জেপ নাথাকিলেও ছোৱালীবোৰে
ল'ৰাৰ দৰেই গোটাব পাৰে
গোটাব পৰা জনৰ বাবেহে জেপৰ অৰ্থ আছে...

## পুখুৰী

আকাশ এটুকুৰা সৰি
মোৰ বাৰীত এটা পুখুৰী হ'ল
মই তাৰ পাৰ বান্ধিলোঁ
গছ ৰুই পুখুৰী ৰখীয়া পাতিলোঁ

অৱশেষত মোৰ এটা পুখুৰী হ'ল
তাৰ পাৰত বহি সূৰ্য্যোদয় আৰু সূৰ্য্যাস্ত চাই
মই বিভোৰ হৈ থাকোঁ
কেতিয়াবা ইয়াৰ নিশ্চল পানীত
তৰংগ বিচাৰি দলিয়াওঁ শিলগুটি
আগলি পাতত জিৰোৱা বতাহক মাতোঁ



বৰষুণত ওফন্দে ৰ'দৰ তাপে শুকুৱায়
মোৰ পুখুৰীৰ ৰূপহী পানী
পানী ভাঙি বুটলি আনো
জলজ শস্য বিভূতি

ৰাস্তাৰ সিপাৰৰ হোটেলৰপৰা
ঢাকনী নোহোৱা গিলাচত অনা
চাহৰ দৰে কেতিয়াবা দূষিত হয় পুখুৰী
দূষিত পানীত নাথাকে সজাল শস্য-ভাবনা

পাৰ ওপচা পানীৰ দৰে
কিছুমান পুখুৰীৰ গভীৰত ভৰি থাকে সোণালী শস্য
তেনে পুখুৰীৰ গৰাকীক মই প্ৰণাম কৰোঁ

তুমি কি কবি
নিজৰ এটা পুখুৰী নাই!

## আকৌ পুখুৰী

তোমাক ভালপোৱাৰ দিনাই
ভাল পালোঁ পুখুৰীক
মোৰ ওঁঠৰ পদূলিৰপৰা পুখুৰীলে’ এটা নিজান বাট
সেই বাটেদিয়েই মোৰ অদৃশ্য যাতায়াত

পুখুৰী যে এটা দৃশ্য
মই দৰ্শক
তাৰ পাৰতেই শব্দৰ সৈতে মোৰ প্ৰথম প্ৰেম
মান-অভিমান বিৰহ-বেদনাৰ ঘনঘটা

পুখুৰীৰ পাৰত বহিয়েই চিনি পালোঁ পানীক
চুই চালোঁ পানী নচুৱাবলে’ অহা বতাহক
দেখা পালোঁ পানীৰ পৰ্দাত মগন বগলীৰ জাক
কমাই থকা মাছ, লালুকীৰ মেঘবোৰ
নেজত কঁপনি লৈ ফুৰা ঢোঁৰা সাপ
কেঁকোৰা গাঁতত সোমাই থকা সেমেকা আন্ধাৰ
বৰশীৰ কাঁইটত লগা মাছৰ চকু
ডাঁৰিত পৰিবলে’ অহা ৰচকী জিএগ্ৰা



মোৰ পুখুৰীত গজিবলে’ দিয়া নাই মেটেকা
কেৱল বেঙুনীয়াৰ বাবে জলাশয় হ’ব নোৱাৰে পুখুৰী
জলাশয়ত পুখুৰীৰ জেউতি ক’ত

সৰুতে মই পুখুৰীৰ পানী হ’ব খুজিছিলোঁ
অথবা ইয়াৰ এটা সেন্দূৰী পাৰ
গা পাতি ল’ব খুজিছিলোঁ বতাহে নচুওৱা
পানীৰ চপলতা
পুখুৰী পাৰৰ নাৰিকলজোপাৰ ভাগ্যক
মই ঈৰ্ষা কৰোঁ
পুখুৰীৰ পানী শুকালে অস্থিৰ হৈ পৰোঁ
খেতি নকৰিলেও আছে মোৰ খৰাঙৰ অনুভৱ
দুহাত মেলি আকাশক বিচাৰোঁ মেঘ-বৰষুণ

সকলোৰে হ’ব খোজে এটা পুখুৰী
পাহাৰত বহি থকাজনেও তললে’ নামি আহি পুখুৰী বিচাৰে
কিছুমানে মাছ ধৰিব নোৱাৰি
এনেয়ে ঘোলা কৰে পুখুৰীৰ পানী

## ঘুণ

ৰাতি যিখন বিছনাত শোওঁ
তাতে আবেলি এটাৰ স'তে খেলোঁ
খেলি ভাগৰ লাগিলে ভাল টোপনি আহে
যোৱা নিশাৰপৰা মোৰ বিছনাখনত ঘুণে ধৰিছে
মই এতিয়াও টোপনিত লালকাল
ঘুণে বিচাৰিছে টোপনিৰ মিঠা শিপাবোৰ

টোপনিতে ইমান আচৰিত হৈছোঁ
মূৰৰ ওপৰত ঘূৰি থকা ছিলিং ফেনৰ গৰম বতাহ
বেৰত ওলমি থকা বীৰেন সিংহই আঁকা ছবিখন
টেবুলত মেলি থোৱা নামঘোষাখন
কোনেও কিয় ঘুণটো দেখা নাপালে

আবেলিৰ স'তে খেলি থাকোঁতেই
হয়তো ঘুণটো মোৰ কোঠাতে সোমাল
কাঠমিস্ত্ৰিয়ে বিছনাত কাটি থোৱা
ফুলপাহৰ মাজত সি লুকাই থাকিল
এতিয়া মোৰ টোপনিৰ শিপা বিচাৰি বিছনা কুটিছে



টোপনিবোৰ শিপাই আছে দুটা দ গাঁতত
তাৰ আগতে সি কুটিব লাগিব
এখন ৰঙীন আঁঠুৱা আৰু ইয়াৰ চাৰিবেৰত
খুন্দিয়াই থকা মোৰ উশাহ-নিশাহ
আৰু মই দেখি থকা সপোনৰ টৌবোৰ

ওৰে নিশা তিতাচঁপা কাঠৰ শুকান বিছনাখন
কুটি কুটি বেচেৰা ঘুণটো ভাগৰি পৰিল
অৱশ হৈ এটা নক্সাৰ দৰে সি বিছনাত ওলমি থাকিল
পুৱাতে সেই দৃশ্য চাবলৈ
মই সাৰ পাব খুজিছোঁ

## বগা শিল ফছিল

যোৰা নিশা ভাতৰ লগত
বগা শিল এটাও মোৰ পেটলৈ গ'ল
মোৰ দাঁতবোৰে
তাৰ পিছত জিভাখনেও তাক ধৰিব নোৱাৰিলে
আলজিভাৰ দুৱাৰ ঠেলি সি ভিতৰ পালেগৈ

পেটৰ ভিতৰত উশাহ ল'ব নোৱাৰি
শিলে সৈ কাঢ়িলে
চাউলৰ লগত তাক মিহলোৱা
মহাজনৰ নাম ঠিকনা বয়স

সৈ কঢ়াৰ পিছত সি
মোৰ উশাহৰপৰা উশাহ ল'ব পাৰিলে
কথাবোৰ পেটৰ ভিতৰতে নথৈ
শিলটো জিভাৰ আগলৈ আহিব খুজিলে
উগাৰি দিব খুজিলে
মহাজনৰ এখন পোহৰ ছবি

পেটৰ ভোকে তাক উজাই আহিবলৈ নিদিলে
কথাবোৰ পেটৰ ভিতৰতে থাকিল
অন্য শিলৰ দৰে বগা শিলটোও ফছিল হ'ল



## বজাৰ

আজি দেওবাৰ বজাৰ বাৰ
তুলাচনীৰ ফেৰ মাৰি জুখি লোৱা এটা বাৰ

তোমাৰ যি নাই সি মোৰ
মোৰ যি নাই সি তোমাৰ

আহাঁ, আমি বজাৰত বহোঁ
দুখন চিলাৰ দৰে উৰুৱাওঁ ইজনে সিজনক

আহা খালী কৰি লওঁ বুকুৰ হুমুনিয়াহ
খহাই পেলাওঁ শৰীৰৰ বাহী ওজন
নতুন ভৰাবৰ বাবে

বজাৰৰ ওপৰতো আৰু এখন বজাৰ বহিছে
চাইবাৰ বজাৰ
নতুন বজাৰে গাঁও পাতিছে
পৃথিৱীৰ সকলো মাটি পানী বায়ুত
গাঁওখনৰ অদৃশ্য শিপা
(পাৰিলে আমি তালৈও যাম)

আহাঁ, আমি মুখামুখি হওঁ বজাৰত
বেচা তোমাৰ 'আছে'
কিনো মোৰ 'নাই'
পৰিপূৰ্ণ শূন্যতাৰ বাবে জুখি লওঁ আমাৰ ক্ৰয় ক্ষমতা

ভৰ বজাৰত এইফালে তুমি
সিফালে মই
মাজত এখন ৰামধেনু
জেপবোৰ শূন্য হ'লেই আমি এক হৈ যাম

আহাঁ, আমি বৰষুণত তিতোঁ
পাহৰি যাওঁ কোনে কাক বেচিলোঁ

আমাৰ এতিয়া বেচিবলৈ একো নাই
কিনিবলৈও একো নাই— শূন্য
শূন্যতা হেনো আত্মাৰ দৰে ওজনহীন
আহাঁ, আমি শূন্যহাতে উভতি যাওঁ
পশ্চিমৰ ফালে সফল বেলিমাৰ চাওঁ
প্ৰতিটো সূৰ্য্যাস্তৰ পাছত ইতিহাসো হয় পুৰণি



## আই

১
আইৰ শৰীৰতে আছিল মোৰ শয্যা
তাতেই মই শান্তিৰে শুই আছিলোঁ
বেদনাই প্ৰসৱ কৰিলে মোক
ককাৰ সোলা মুখত ঢৌ খেলি গ'ল হাঁহি ঃ
সোণে পোৱালে হ'ল আই

প্ৰথমে মোৰ বাবে যি সাজিছিল
এখন সুখ-বৰ্ণৰ বিছনা তেওঁ মোৰ পিতৃ
আয়ে আলফুলে পাৰি বহল কৰিছিল বিছনাখন
তৰি দিছিল এখন মন্ত্ৰপূত আঁঠুৰা
বগৰী কাঁইটৰ বেহুত, সৰিয়হ পোৰাৰ গোন্ধ আৰু
এমুঠি নিচুকনি গীতৰ মাজত মই শান্তিৰে শুই আছিলোঁ

২
দোভাগ নিশা ঘৰত সোমাই
ঢাকোন খুলি বঢ়া ভাত খাই
এদিন শুবলে' গৈ দেখিলোঁ
বিছনাখনৰ ঠিক সোঁমাজত পৰি আছে এটা শুধবগা কণী
কণীটো মই পি চি সৰকাৰৰ হাতত দেখিছিলোঁ
ইচ্ছা কৰিয়েই কণীটো আয়ে মোৰ বিছনাত থৈছিল
তাৰ ভিতৰত যাতে মই শান্তিৰে শুব পাৰোঁ
সেই দিন ধৰি আইক মই দেখা নাই

৩
মোৰ বিছনাখনৰ কাষতে এখন খোলা খিৰিকী
খিৰিকীৰে সোমাই আহিছে গছৰ এটা ডাল
সিকাটি হ'লে ওলমি থকা এটা খাকী চোলা
কেতিয়াবা আঁঠুৰাৰ পাতল আৱৰণ ভেদি
গছৰ ডালটোত ধৰি মই বাহিৰলে' ওলাই যাব খোজোঁ
কিন্তু ভাঙিব নোৱাৰোঁ আয়ে থৈ যোৱা কণীটোৰ চোকোৰা



## বাজ

আয়ে মোক বাজ দেখুৱালে

জুইত ভয় নকৰিবি
পানীত ভয় নকৰিবি
জুইত সেকা পানীত তিতা
শিলে খুন্দিয়ালে ইদিশ-সিদিশ

হাতত তুলি দিয়া সুৱৰ্ণৰ ফলি-পুথি
জ্ঞান হৈছে গৰখীয়া ঘূৰাই আনিব গৰু

হাতৰ মুঠিত গুজি দিয়া ধনু-কাঁড়
কাঁড়িয়াই পাৰিব লাগিব পূৰ্ণিমা ফলৰ গুটি

বৰ ভূঁইকঁপত কাছৰ চলঙত বহি থকা
পৃথিৱী লৰিলে
ভোকৰ জুয়ে আখল পুৰিলে

মানুহে কঁড়িয়াই সৰুৱাই খালে
ওখ গছৰ পাত

আয়ে বোলে— আমাৰনো কি
নিমখে তেলে চলি গ'ল
তইহে বাজলৈ বৰকৈ নোলাবি

আয়ে মোক বাজ দেখুৱাইছিল

## গোৰা - ২০০০

মানুহবোৰৰ যে কি ভাগ্য
সদায় দেখা পায় নদী সাগৰত মিলি যোৰা দৃশ্য

সাগৰ তীৰত কিংফিছৰ পেট ফালি
মাছুৰৈয়ে পায় কোংকনী গীতৰ কলি

বেলিয়ে নাৰিকল গছৰ ছিৰিলি পাতত ওলমি
সাগৰৰ ঢৌৰ সৈতে ধেমালি কৰি
দীঘল কৰে আবেলি

দুজাক লুণীয়া বতাহ
এজাক বৈ থাকে চুলি আঁজুৰি
আনজাক তেজৰ সোঁতৰ দৰে ভিতৰি ভিতৰি



কুল্‌বাই পিঠিত লৈ ফুৰা
মাছৰ গোন্ধ ল'বলৈ জাকি মাৰি অহা ঢৌবোৰ
শামুক আৰু মাছৰ কাঁইটৰ খোঁচ খাই
পুনৰ উভতি যায় মানুহৰ ভৰি চুই

তথাপি বেলিমাৰ নাই
বেলিটো ওলমিছেহি মাছুৰৈৰ জালত
সি ৰখি আছে খহটা নিমখ সনা
মাছৰ পাচিবোৰ

সন্ধিয়া মান্দৱী নদীৰ বুকুত এটা চলমান চাকি
পাৰৰ মানুহবোৰৰ বাবে দিব্যজ্যোতি
নে প্ৰৱহমান ছলনা ?

## নেদেখা ঘণ্টা

ক'ৰবাত যেন বাজি আছে এটা ঘণ্টা
কতদিন শুনিছোঁ তাৰ মাত
এবাহ বনৰীয়া মৌ-মাখিৰ দৰে
হয়তো ই ওলমি আছে
কোনো অচিন গছৰ ডালত
ৰ'দত গলিছে শীতত গোট মাৰিছে
ইয়াৰ সুৰৰ গুণ্ গুণ্

বহুবাৰ শুনিও কিয় কাণ পাতোঁ
আকৌ শুনাৰ বাবে
কিয় ডিঙিত ওলমি থকা পিয়াহ
এই পৰিতৃপ্ত হয়, এই জাগে অকাৰণ

ঘণ্টাধ্বনি শুনাৰ বাবে কোলাহলৰ বাহিৰত বহোঁ
গোপনে ই চুই যায় মোৰ চেতন-অচেতন
এটা নিচুকনি গীতৰ সুৰ হৈ
সোণালী ৰথত উঠি উভতি আহে মোৰ শিশুকাল
আঃ জীৱনটো নতুনকৈ আৰম্ভ কৰাই ভাল ঃ
নখেৰে চিকুটি আকৌ খাওঁ ভৰিৰ তলৰ মাটি
এছাৰি হেৰুৱাই আকৌ কান্দো ফেকুৰি ফেকুৰি
চেঁচোৰ শিপা খেদোঁতে মূৰৰ ওপৰেদি
পাৰ হৈ যায় চেঙেলী বেলি



মই বেলিটো খেলিম
খেলি ফুৰিম ফুটবলৰ দৰে
নহালেকে দীঘল টোপনি

ঘণ্টাটো মই দেখা নাই
দেখা নাই ঘণ্টা বজোৱা মানুহজন
হয়তো তেওঁ গাত কম্বল মেৰাই
বিড়ি হুপি বহি থকা কোনো এজন

আহক
আমি কোলাহলৰ বাহিৰত বহোঁ
এবাৰ সেই ঘণ্টাধ্বনি শুনো
ওভতাই পাওঁ নিজৰ নিজৰ ল'ৰালি

# কবি

তেওঁ কবি— চহকী মনোজগত
মুখত এটা নুপুওৰা ৰাতি
আৰু কেইবাদিনো নুখুৰোৱা ডাড়ি

শেহ নিশাহে তেওঁ পাটীত পৰিছে
তেওঁ প্ৰেমৰ উৎসৰলে' গৈছিল

প্ৰেম তেওঁৰ জীৱন উৎসৰ
তেওঁৰ বিছনাৰ কাষত বহি থকা
ল'ৰা-ছোৱালীহালে অংক শিকিছে
বাপেকক সিহঁতে কেতিয়াবাই বিয়োগ কৰি দিছে

তেওঁ এজন কবি— চহকী মনোজগত
তেওঁ শুই আছে নিজেই
উচ্চাৰণ কৰা শব্দৰ ছাঁত
"শুই থকা মুখখনতহে হেনো
আচল মুখখন থাকে"

সাৰ পালেই তেওঁ সপোন দেখাৰ বাবে
আৱিষ্কাৰ কৰিব এখন নতুন মুখ
মন বেয়া হ'লে তেওঁ নতুন কাপোৰ কিনিব

তেওঁ এজন মানুহ-কবি
সময় ডাক্তৰৰ ঔষধ খাই
পাহৰি থাকে দুখ-ৰোগ
তেওঁ কবি— চহকী মনোজগত



# প্ৰিয় কবি

(অক্টাভিঅ' পাজৰ বিয়োগত)

জোনটোৰ দৰে আমাৰ কপালত খোজ কাঢ়ি
তোমাৰ হয়তো বৰ ভাগৰ লাগিল

বতাহ আৰু ধূলিয়ে সাজি দিলে
তোমাৰ নতুন ঘৰ
বুদ্ধৰ হাতত আছিল যাৰ ঠিকনা
ইচ্ছা ৰঙৰ এযোৰ পোছাক পিন্ধি
সোমবাৰে তোমাৰ গৃহ প্ৰৱেশ

নতুন ঘৰত তুমি ডন কুইহট্‌ৰ দৰে
চকু মেলি থাকিবা
আমি খোজ কাঢ়ি ফুৰিম তুমি থৈ যোৱা
বিচিত্ৰ ভাবনাৰ ধাৰত

## মেকুৰী

কিছুমান গিৰিহঁতৰ দৰে মেকুৰীও অলস
আৰামত মাছ-ভাত খাবলে' পাই
নিগনি দেখিলেও ধৰিব নোখোজে

নিগনিৰ বাবে মেকুৰী আৰু 'মেকুৰী' নহয়
নিগনিয়ে বজাৰত এন্দুৰ মৰা দৰব বেচা
মানুহটোৰ কণ্ঠতো বগায়
এই খবৰ মেকুৰীক প্ৰয়োজন নাই

প্ৰবচনে কয়—
মেকুৰীৰ ৰং যিয়েই নহওক
সি নিগনি ধৰিব পাৰিবই লাগিব



## জীৱনৰ বাবে

পথিকে সুধিলে মোক—
বেলি কিমান হ'ল

বেলিটোৱেই আমাৰ শত্ৰু
ফুটবলৰ দৰে বেলিটো খেলিম

মৃত্যু পক্ষক এশটা গ'ল দিম

পৃথিৱীৰ সকলো মানুহে খেলিলে বেলি

ক'তো আৰু বেলিমাৰ নহয়

## লালুকী

আকাশত জমা হোৱা কঁহুৱা মেঘ
অথবা গছলৈ অহা কুঁহিপাতৰ দৰে
এজাক নৱজাত লালুকী

ভেকুলী হ'বৰ বাবে সিহঁতৰ কি যে কচৰৎ
পুণীয়ে ঢকা অবোধ চকু
নিতৌ বাঁহৰ দলঙৰ তলত
চাউল ধোৱা পানী খাই
বাঢ়ি অহা পাখিলাহি তনু


আমাৰ ল'ৰালিও আছিল লালুকী
বৰঢাৰি এঢাৰি এমা-ডিমা
বলটোৰ দৰে আশাকৰ জোনটোও আমাৰ নিচা
আইতা এই খেলৰ ৰেফাৰী, হাতত তালপাতৰ বিচনী
আমাৰ মাজত সমানে ভগাব খোজে তৰাবোৰ
সৰিয়হ ফুল যেন হালধীয়া জোনাক
তেওঁ হাঁচতি সামৰিলেহে শেষ হয় খেল



সিদিনা আমি যেতিয়া এই খেল খেলিছিলোঁ
চিকুণাই থোৱা কলতললৈ চাই
আইতা তধা লাগিছিল

এৰাসুঁতিৰে বৈ আহিছিল দুধাৰি মুকুতা
আইতাৰ চকুলে' উজাই গৈছিল লালুকী এটা
আচৰিত হৈ আমি কলতললৈ চাইছিলোঁ
তেজৰ দৰে ৰঙা কলফুলৰ বাকলি এটা
উবুৰি খাই পৰি আছে
ভৰপূৰ জোনাকত

BLANK




**খালী বটলৰ মালিতা**, ২০০৫

কথা পাব্লিশ্বাৰ্জ, গুৱাহাটী, প্ৰচ্ছদ ঃ বেণু মিশ্ৰ

টোকা ঃ প্ৰচ্ছদৰ ‘খালি’ শব্দটো সংকলনটো প্ৰথম প্ৰকাশৰ সময়ত ‘আধুনিক অসমীয়া অভিধান’ (অসম প্ৰকাশন পৰিষদ, ১৯৭৭, জুন সংস্কৰণ)ৰ উল্লেখ অনুসৰি ৰখা হৈছিল। সম্প্ৰতি চন্দ্ৰকান্ত, শৰাইঘাট আদি অভিধানৰ আৰ্হিৰে ‘খালী’ কৰা হ’ল।

## আঁচ

এখন জেওৰাই ভাগ কৰিব পাৰে
এখন বিশাল পথাৰ এখন বহল চোতাল
এডৰা ফুলি থকা সৰিয়হ

প্ৰতিখন জেওৰাতে সৰু-বৰ সুৰুঙা থাকে
সুৰুঙা থকাৰ বাবেই চুৰুণী ছাগলীৰ ডিঙিত ডাকুৰ ওলমে

আচলতে জেওৰাই কাকো পৃথক নকৰে
কাক পৃথক কৰা উচিত তাৰহে ইংগিত দিয়ে
জেওৰা ভঙাজনে পৃথিৱীৰ নিয়ম ভাঙে

জেওৰাৰ সলনি সেই ঠাইত থৈ দিব পাৰি নেকি
এষাৰ মিঠা সতৰ্কবাণী এটা অবাইচ মাত
অথবা ভগৱানৰ এশাৰী মূৰ্তি
(কোন ভগৱান? ভগৱান আজিকালি ঢেৰ!)
কিন্তু ইয়াৰ সুফল কোনেও পোৱা নাই
কেতিয়াবাই ভেদ কৰা হৈছে লক্ষ্মণৰেখা
সেয়েহে মানুহে জেওৰা বয়
শূন্যতে এডাল আঁচ টানি থয়



## গ'লৰক্ষক

কথাবোৰ কিবা ধুঁৰলী-কুঁৰলী
গছৰ শিপালৈকে পোহৰ
অথচ পাতৰপৰা সৰিছে আন্ধাৰ টোপাল—
কোনোবাই ক'লে
দূৰৰপৰা তেওঁ নিজেও চালে
জোনাকী পৰুৱা উৰিছে
আচলতে সেয়া ঘোপমৰা আন্ধাৰত বিড়ি হুপি
ঘূৰি ফুৰা আকবৰ মিঞা

কি কৰিব— গ'ল দিব নে গ'ল ৰাখিব
শূন্যতে ওপঙি ফুৰিছে বল
গ'লশূন্য খেল
দৰ্শকশূন্য খেলপথাৰত তুমুল হাত-চাপৰি
শিৰ ফুলা ঘৰ্মাক্ত হাত-ভৰি
অদৃশ্য ৰেফাৰী দৰ্শকৰ উত্তেজনা চৰমত
এটা কমিক ৰিলিফ লাগে

গ'ল হ'বনে
গ'লৰক্ষক হে আমি ৰাখিব পাৰিমনে সেই গ'ল
গ'ল ৰাখিম নে গ'ল দিম
কাক সোধোঁ
আলবেয়াৰ ক্যেমুক?
আলজেৰিয়াৰ হে তেওঁতো বহুত গ'ল ৰাখিলে

(ক্যেমু আলজেৰিয়াৰ ফুটবল দলৰ গ'লৰক্ষক আছিল)

## এখন টুলৰ উচ্চতা

মই স্পষ্টকৈ শুনিছোঁ
পত্নীয়ে মোক বিচাৰি ফুৰিছে
তেওঁ ঢুকি নোপোৱা উচ্চতাত
তুলি থোৱা আছে তেওঁৰ প্ৰয়োজন
তেওঁক মোৰ উচ্চতা লাগে

তেওঁ মোক বিচাৰি পোৱা নাই
মাজে মাজে মই এইদৰে হেৰাওঁ
তেওঁ মোক বিচাৰি ফুৰে
আমাৰ বিয়াৰ প্ৰথম দিনাও
তেওঁ অনা যৌতুকৰ পোহৰত
মই হেৰাই গৈছিলোঁ

আজিও মই টোপনিৰ ভাও ধৰিছোঁ
শুনিছোঁ সাপৰ দৰে চেঁচা তেওঁৰ মাত
মোৰ কোনো সঁহাৰি নাপাই
বিছনাৰ তলৰপৰাই তেওঁ
উলিয়াই আনিলে এখন টুল
(টুলখন মই আগেয়ে দেখা নাছিলোঁ)



টুলখনত উঠি নিপুণ হাতেৰে তেওঁ
ইটোৰ পাছত সিটোকৈ নমাই গ'ল
তেওঁৰ প্ৰয়োজন

সংসাৰ-চকা আকৌ ঘূৰিল
তাৰ শব্দ শুনি শুনি এইবাৰ মই
সঁচাকৈয়ে টোপনি গ'লোঁ
টোপনিতে মোৰ ঈৰ্ষা হ'ল কাঠৰ টুলখনলৈ...

পুনশ্চ ঃ মোৰ ছোৱালীজনী তেৰবছৰীয়া
তাইক মই ওখ হ'বলৈ আশীৰ্বাদ দিছোঁ
তাই যাতে টুল ব্যৱহাৰ কৰিব নালাগে।

## অফিচ কোঠাত আপুনি-মই

কেতিয়াবা ছুটীৰ পাছত
কোনো নাথাকিলে মোৰ অফিচ কোঠাত
খালী চকীবোৰত বহি চাওঁ
য'ত মোক লগ পাবলৈ অহা মানুহবোৰ
শাৰী পাতি বহে
মই তেওঁলোকৰ চকুৰে চাওঁ মোক
একান্তভাৱে লক্ষ্য কৰোঁ
মই বহা কোমল গাদী পৰা চকীখন
য'ত বহি মই চাৰিওফালে চাব পাৰোঁ
মই তেওঁলোকৰ দৃষ্টিৰে লক্ষ্য কৰোঁ
মোৰ কথনভংগী, মন-মেজাজ, খুঁটি-নাটি
প্ৰতিধ্বনি কৰোঁ তেওঁলোকে সোধা বা
সুধিম বুলি ভাবি অহা প্ৰশ্নবোৰ
মোৰ উত্তৰ শুনাৰ বাবে সক্ৰিয় কৰি লওঁ
তেওঁলোকৰ শ্ৰৱণযন্ত্ৰ

মই ইচ্ছা কৰোঁ তেওঁলোকৰ ইচ্ছা
লক্ষ্য কৰোঁ একেটা কথাকে বাৰে বাৰে
সুধিলে ফুটি উঠেনে মোৰ মুখত বিৰক্তি
তেওঁলোকৰ চকুৰে দেখা পাওঁনে কি চাওঁ
মই আৱদ্ধ কৰি ৰখা ফাইলৰ অনীতি



একেটা মাথোঁ কামৰ বাবে
দহবাৰ অহা-যোৱাৰ ভাগৰ কিমান
মই তেওঁলোকৰ এই ভাগৰ মাৰোঁ
প্ৰত্যাখ্যান কৰোঁ অন্যায় অনুৰোধবোৰ

মই যেতিয়া তেওঁলোকৰ ভাবনা ভাবিব পাৰোঁ
ধাৰণ কৰিব পাৰোঁ তেওঁলোকৰ ইচ্ছা
কাঢ়িব পাৰোঁ তেওঁলোকৰ হুমুনিয়াহ
সত্য আৰু পলাই ফুৰিব নোৱাৰে
খণ্ডিত হ'ব নোৱাৰে
মই দেখা পাওঁ অক্ষয় সত্যৰ অৱস্থান
মোৰ কাচৰ টেবুলৰ ইপাৰ-সিপাৰ

মোৰ কোঠালৈ আন্ধাৰৰ সৈতে যেতিয়া
সমদল কৰি সোমাই আহে বিষাদ সন্ধিয়া
স্পষ্টভাৱে দেখা পাওঁ
বিষাদে আৱৰা এখন ঘূৰণীয়া মুখ
এই মুখ কাৰ— মোৰ নে মোক
লগ পাবলৈ অহা কোনো এজনৰ?

## বৰযুণ ফুলাৰ গোন্ধ

তুমি উশাহ ল'বলৈ শিকাৰপৰাই
অকলশৰীয়া
তুমি নিজে তৈয়াৰ কৰিব পৰা
নিজৰ উত্তাপ
ধাৰণ কৰিব জানা
যিকোনো এজনৰ ইচ্ছা

আজি যি জীৱন দেখিছা
সি জীৱনৰ অনুকৃতি
যি আকাশ দেখিছা
সেয়া আকাশৰ স্মৃতি

হাতধৰি খৰচ কৰিবা
আটকীয়া জীৱন
জীৱনক ভালপোৱাৰ বাহিৰে
তোমাৰ অন্য কোনো কামনা নাই
আকাশৰ দৰে প্ৰিয় দৃশ্য নাই

আকাশে যেতিয়া বৰণ কৰে বেদনা
বতাহত বিয়পে বৰযুণ ফুলাৰ গোন্ধ



## ধুনীয়া দেখি

ধুনীয়া দেখাৰ বয়স নাই
ধুনীয়া ফল আবতৰতো পকে

বাহী চোতাল সাৰি সাৰি
ন-বোৱাৰীৰ যদি খহি পৰে ওৰণি
ধুনীয়া দেখি

ওৰে ৰাতি উজাগৰে থাকি
ৰখি আছে যদি চুবুৰীয়া ৰোগী
টোপনি খতি হ'লেও
আপোনাক ধুনীয়া দেখি

বহুদূৰ বাটকুৰি বাই
ভাগৰি পৰা নদীখনে যদি
হঠাতে ভাঁজ লয়হি— ধুনীয়া দেখি

ৰাস্তা পাৰ হ'বলৈ গৈ
আদ্‌বাটতে ৰৈ যোৱা
কিশোৰীজনীৰ সলাজ হাঁহি
ধুনীয়া দেখি

মাকৰ বুকুৰ পিয়াহ চুহি
শিশুটিৰ লালকাল টোপনি— ধুনীয়া দেখি

দোকানীয়ে হিচাপ ভুল কৰি
বেছিকৈ দিয়া এশটকীয়াখনি
ঘূৰাই দিয়ে যদি
আপোনাক ধুনীয়া দেখি

ঠিকনা ভুল কৰি অহা
চিঠিখনক যদি আপুনি সঠিক
বাট দেখুৱায়— ধুনীয়া দেখি

ধুনীয়া দেখাৰ বয়স নাই
ধুনীয়াৰ অমৰাৱতীত
কাৰোবাৰ মুদ্ৰাদোষো
আপোনাৰ ভাল লাগি যাব পাৰে
ধুনীয়াৰ বাবেই আকৌ প্ৰেমত পৰিব পাৰে



## মাৰাডোনাৰ বাবে

সমতল পাহৰি দুই ভৰিৰ লীলা সামৰি
ওপৰলৈ উজাই আহি
নিগাজিকৈ বহি ৰ'ল ফুটবল
আমি হাত-চাপৰিও বজাব নোৱাৰিলোঁ
ৰেফাৰীয়ে হুইচেল বজাবলৈ পাহৰি গ'ল

কি মনোৰম আছিল সেই দৃশ্য
বহল সেউজীয়াত দুই ভৰিৰ মাজত
উদয় হোৱা টাইগাৰ হিল্‌ছৰ বেলি

দৰ্শকৰ অবিৰাম হাত-চাপৰি আৰু
কিৰীলি মাৰ নৌযাওঁতেই
অকালতে অদৃশ্য হ'ল ঘৰ্মাক্ত বেলি
যেন এটা আত্মঘাতী গ'ল

বুৰ গ'ল—
বুৰ গ'ল—

দুফাল কৰি শূন্যতাৰ চাৰি বেৰ
বতাহৰ হাড় ফালি কোনে আকৌ ভেদ কৰিব
দুই খুঁটাৰ দিগন্ত
ভীমকলৰ বাকলিৰ দৰে শুকাই যোৱা
বুট জোতাযোৰ দেখি কোনে আশা কৰিব
আৰু এটা গ'ল হ'ব

## দুটা কবিতা

১
হেজাৰ ইটাই ঢাকিলে
এডৰা সেউজীয়া ঘাঁহ
শিলে পুতিলে গাঁত
বালিয়ে মেলি দিলে বহল বাহু
বন্দী হ'ল লোহা
সেমেকা বতৰতো চিমেণ্ট বৰকৈ ঘামিলে
কাগজৰ নক্সাৰপৰা ওলাই আহিলে ঘৰৰ ছাট্
সেইদিনাই অহা বৰষুণজাকে সুধিলে মোক
ছাট্ কিয় লাগে—
আকাশখন আছেই দেখোন
মই ক'লোঁ ঃ তোমাৰ বাবে তোমাৰ বাবেই...

২
ৰাতিৰ কৃষ্ণ শৰীৰ সাপৰ দৰে চেঁচা
চকু মুদি ডেই যোৱা এইছোৱা বাট
পাৰ হৈ আহা কিশোৰ দুৰ্ভাবনা

এৰাল দি থোৱা আবেলি
কুটি-বাছি থ'লে
তাৰে চলি যাব ৰাতিৰ সাঁজ
অতিথি হৈ আহিব সন্ধিয়া দামোদৰ
কোলাত আন্ধাৰ কেঁচুৰা

'শুই থাকা আন্ধাৰ ৰাতি বহুত হ'ল'



## কবিৰ বদনাম

কবি আজি ঘৰতে আছে
তেওঁৰ স'তে অলসভাৱে
বিছনাত পৰি আছে
ঘৰত নথকাৰ বদনাম

কবিক দেখিলে যদিও ভাব হয়
কবিতাৰ অবিহনে তেওঁ নকৰে
প্ৰাত্যহিক জীৱন উদ্‌যাপন
যাপন কৰোঁতে জীৱনৰ প্ৰতিটো মুহূৰ্ত
উচ্চাৰণ কৰোঁতে প্ৰতিটো শব্দ
গাওঁতে প্ৰতিটো গান
সদায় কবি হৈ নাথাকে কোনোজন

আপুনি জানেই আৰ্তুৰ ৰ‍্যাবো
কবিতা এৰি ঊনৈশতে গাৰোৱান হ'ল

লিখি থকা সময়তহে তেওঁ কবি নেকি
নহ'লেনো অক্টভিঅ' পাজে কেতিয়া
পুতেকৰ জোতাৰ ফিটা মাৰিব
মিল্টনে কেতিয়া সলাব কেঁচুৰাৰ নেপ্‌কিন

ক'লৰিজে শুই থকা ল'ৰাৰ কাষত
কোন ৰাতি মিডনাইট ফ্ৰষ্ট লিখিব
জীৱনানন্দই এমোনা বজাৰ কৰি
সন্ধিয়া ঘৰলৈ অহা ক'ত দেখিব
নৰকান্তই মিহিকৈ আলু কাটি কেতিয়া ভাজিব
গোলাপ আৰু কাঁইটৰ ফুলনি
নীলমণিয়ে কেতিয়া পাতিব

মানুহ হ'বৰ বাবেই কোনোজন কবি হ'ব খোজে
প্ৰতিপাল কৰি জীৱন, সাঁচিব খোজে স্মৃতি
মকৰাজাল গুচায়, দাইলত ফুৰণ মাৰে

ছোৱালীৰ হেৰুওৱা মোজা বিচাৰি দিয়ে
ছিগা বুটাম জোৰা লগায়

কবি ঘৰত থাকে যদিও
তেওঁৰ স'তে চিৰদিন থাকিব
ঘৰত নথকাৰ বদনাম



# শিং লগা কুঁৰলী

কাহিলি পুৱাৰ আকাশত
ম্ৰিয়মাণ বাহী জোন
বেলিৰ মুখ নেদেখা এটা দিন
কাম নাপাই ঘূৰি অহা
দিনমজুৰৰ মুখৰ বৰণ

পোহৰৰ কাঁড়ে খেদিব কেতিয়া
শিং লগা কুঁৰলীৰ জাক

ওৰে নিশা আনৰ টোপনি শুই
সাৰ পাওঁ কুঁৰলী চাবলে'
বাটত মই আপোনাক চিনি পাওঁ
মই আপোনাক চিনি নাপাওঁ
চিনি পোৱা-নোপোৱাৰ মাজত
কুঁৰলীৰ অগা-ডেৱা
ইয়াৰ ধূসৰ পটত
মানুহৰ ছায়াবোৰৰ প্ৰাতঃভ্ৰমণ

চহৰৰ অলিয়ে-গলিয়ে
কুঁৰলীৰ ৰঙীন বিজ্ঞাপন
কুঁৰলীৰ মণিহাৰী দোকান
পুৱাৰ ৰ'দজাকৰ দৰে এজাক শিশু
তাতে শাৰী পাতিছেহি
কুঁৰলীৰ দোকান নিমিষতে নোহোৱা হয়
তাত এখন নাৰ্ছাৰী স্কুল বহে

## খালী বটলৰ মালিতা

প্ৰতিদিনে পুৰা খালী বটলবোৰত
খোৱা পানী ভৰাওঁ
সন্ধিয়া বটলবোৰত
পানী ভৰাব নোৱাৰি
ডিঙিলৈকে ভৰি থাকে স্মৃতি

উদি হোৱাৰ পিছতহে
ফুটি উঠে বটলৰ স্বতন্ত্ৰ পৰিচয়
আৰম্ভ হয় শিশুকাল বয়ঃসন্ধি
আৱৰ্জনা নে পৰৰ গোলামী

কেৰাচিন তেলৰ বটলটোলৈকে চাওক
গাত ক'লা ক'লা দাগ
ঘাট মাউৰাৰ দৰে অকালতে
পকে তাৰ সংসাৰ-জ্ঞান

শূন্য হোৱাৰ পাছতহে
কিছুমান পৰিচয় জনাজনি হয়
যিদৰে বহু বছৰ আগেয়ে মৃত
তৰাৰ পোহৰ আমি আজিহে পাইছোঁ

নিজেৰে পূৰ্ণ হওক নিজ
কিছুমান খালী ঠাই সদায়ে খালী
আহক আমি আজি তালৈকে যাওঁ
আমনি লাগিলে সন্ধিয়া খালী বটলৰ নাচ চাম



## কোন তেওঁ

আপুনি যেতিয়া খবৰ পঠায়
মানুহ এজন পঠালোঁ চাব

মই জানো
আপোনাৰ নাম লৈ আন কোনোবা আহিব
অহাৰ আগতেই হেৰায় তেওঁৰ পৰিচয়

বৰ ভালকৈ চোৱা হয় তেওঁক
যদিও তেওঁ আপোনাৰ দৰে নহয়

আপোনাৰ শ্ৰী-চেহেৰাৰ স'তে
তেওঁৰ প্ৰায়ে নাথাকে সাদৃশ্য

তেওঁৰ আগমনৰ বাতৰি পোৱাৰ
লগে লগেই তেওঁৰ উচ্চতাৰ
এটা জোখ-মাপ হৈ যায়
কাৰণ মই জানো আপোনাৰ
শৰীৰৰ দীঘ-বাণি আৰু স্থিতিস্থাপকতা

আপুনি পঠোৱা মানুহজনৰ উচ্চতা
যিমানেই নহওক তেওঁ
আপোনাতকৈ ওখ হ'ব নোৱাৰে
নাবাঢ়ে নকমে তেওঁৰ দেহৰ জ্যামিতি
তেওঁ যদি পিন্ধি আহে সজ আচৰণৰ চোলা
তাত আপোনাৰহে ফুল বছা থাকে

আপুনি পঠোৱা বা পঠাম বুলি ভাবি থকা বা পঠোৱা
মানুহজন আপুনিয়েই নেকি বাৰু
নে ৰত্নকান্ত বৰকাকতিৰ 'এটি ঘৰত
দুটি মানুহ'ৰ তেওঁ এজন?



## পৰিক্ৰমা

আগতেই সকলো ঠিক হৈ থাকে
কেতিয়া আহিব শীত কেতিয়া বসন্ত
কেতিয়া পুৱাব ৰাতি উদয় হ'ব বেলি
এটা নতুন দিনৰ আৰম্ভণি

মোৰ শীত মোৰ
তোমাৰ শীত তোমাৰ
আহাঁ, সমানে ভগাই লওঁ বসন্ত
উদ্‌যাপন কৰোঁ জীৱন
আহাঁ, একেলগে সেমেকা হাত তপতাওঁ
ফাগুন সাৰোঁ জীৱনৰ চোতালত
মাথোঁ গুচাই নিদিবা
গাত এতিয়াও লাগি থকা
ল'ৰালিৰ ধূলি-মাকতি

এদিন বাৰীত সূৰ্য্যৰশেষ সুমথিৰা পকিব
ঘৰৰ ভিতৰলৈ' সোমাই আহিব সন্ধিয়া
লাগনীৰ পিঠিত উঠি জুয়ে কৰিব আখল যাত্ৰা
পাভটিত জমা হ'ব ঘন ক'লা ডাৱৰ
ফেঁহুবুলীয়া চাদৰে টুকিব জৰথীয়া চকুৰ পানী

আনৰ বাবে যেতিয়া
জীয়াই থকাটো অপৰিহাৰ্য্য হৈ উঠে
জীৱনে তেতিয়া পান কৰে মাটিৰ মধুৰতা

## জটায়ু

ৰ'দ-বৰষুণ অহা
আন্ধাৰ আৰু পোহৰ হোৱাৰ খবৰ
সকলোৱে জানে

যি খবৰ আনে নাজানে
যাক এই খবৰৰ প্ৰয়োজন আছে
তেওঁক সেই খবৰ দিবলৈ ৰৈ আছোঁ মই

শৰীৰৰ মাংসল ভাৰ খহাই
এটা ক্ষুদ্ৰকায় কীটৰ দৰে মই মোক তুচ্ছ কৰিছোঁ
শৰীৰটো এটা ধোন্দ
পানীত পেলাই দিলে মাছে বাহ ল'ব

মই বাকলি শুকাই যোৱা এটা বীজ
কিন্তু পতান নহয়
সাপৰ মোটৰ দৰে পৰি আছে মোৰ শৰীৰ



এটা সামান্য স্থিতি স্থানু অনুভৱ
উশাহ ল'বলৈ অকণমান বিশুদ্ধ বতাহ
ভৰি দুখন থ'বলৈ মোৰ দেশৰ এচিকটা মাটি
চকু ফুৰাবলৈ এডৰা আকাশ
ইয়াতকৈ আৰু কি বিচাৰোঁ মই

এটা যুগৰ সাক্ষী হৈ মই
ৰৈ আছোঁ এটা সনাতন খবৰ ক'বলৈ
মোৰ এই খবৰ কেতিয়াও পুৰণি নহয়

ৰৈ ৰৈ আমনি লাগিলে
পুৰণি প্ৰিয়াৰ ঘৰলৈ যাওঁ
প্ৰিয়াও যদি পুৰণি হ'ব পাৰে
শৰীৰনো কোন?

## হাতেখড়ি

হাত পোনাবলৈ শিকা বয়সতে
শিশুটোৱে আখৰ লিখিছে

আখৈ ছিটিকিছে আখৰ
ততালিকে সি মোহাৰি পেলাইছে
কাঠ পেঞ্চিলডালৰ সিটো মূৰে থকা
ৰবৰডালে দিছে ভৰসা—
আখৰৰ পাখি গজিবলৈ নিদিয়ে

আমি প্ৰশ্ৰয়ৰ চাৱনিৰে
উপভোগ কৰিছোঁ তাৰ এই বালখিল্য
তাৰ নাঙঠ শৰীৰটোক পিন্ধাইছোঁ
আমাৰ পছন্দৰ চোলা

ডাঙৰ হ'লে সি চিয়াঁহিৰে লিখিব লাগিব
স্থান-কাল-পাত্ৰ কথাবোৰ আগলৈ আহিব
লিখি পেলোৱা কথাবোৰ আৰু
আজিৰ দৰে মোহাৰিব নোৱাৰিব
অথবা মোহাৰি মোহাৰি আকৌ লিখাৰ
সময় আৰু নাথাকিব
শেষ ঘণ্টা পৰিব
নিৰীক্ষকে কাঢ়ি লৈ যাব পৰীক্ষা বহী



## বিষণ্ণতাৰ মালিতা

সৰি পৰা পকা পাতক দেখুৱাব নালাগে বাট
পকা পাতে জানে ক'লৈ যাব লাগে

কাইলৈ সদায় এটা বেলেগ দিন
কোনো বস্তু একে হৈ নাথাকে
মিলি যায় সিবোৰৰ স'তে
যি আগতেই হেৰুৱাইছে নিজৰ পৰিচয়

মানুহৰ যেতিয়া বেয়া দিন চলে
পকা ফলেও বিষণ্ণতা আনে
খিৰিকীৰে সোমাই অহা
ৰ'দৰ পটিয়েও মজিয়াত
ফেট তুলি নাচে

যিমান পাৰে ঘূৰণীয়াকৈ বেলিব
আপোনাৰ ৰুটি
বেলিয়ে তাৰ জুহালত সেকি দিবহি
মাথোঁ খৰচ নকৰিব বাকী থকা সততাৰ খুচুৰাকেইটা—

## উৎকল

নদীবোৰৰ কি সাজোন-কাচোন
পাৰত শংখ-নিনাদ
শস্য উৎসৱৰ গান

বেগ দিয়া বেগ দিয়া
প্ৰাণ সাৰগলৈ আৰু বেছি দূৰ নাই
ঘৰৰ ওচৰ পালে কাৰনো নহয় খৰ
খোজৰ গতি

সাগৰত বিলীন হোৱাৰ আগেয়ে
নদীয়ে প্ৰসৱ কৰিলে উৎকলৰ বেলি
নাৰিকল পাতত
তপত তেজৰ ছিটিকনি
নদীৰ ভাঁজত জন্ম ওড়িছী
সাগৰৰ ঢৌৰ খলকনিত
সৰলা দাসৰ পদ্যৰ খলা-বমা
ঢৌবোৰৰ দৰে নুলীয়াহঁতৰ জোঙা টুপী

এৰি থৈ প্ৰাণসাগৰ
সন্ধিয়া জগন্নাথ মন্দিৰৰ পতাকা
সলাবলে' যোৱা লঘোণীয়া ল'ৰাটো
ঘূৰি আহিলনে বাৰু
কেলুচৰণে তাৰ ভৰিত জুনুকা পিন্ধাওক
এবাৰ পাও পিছলিলেই অখণ্ড শূন্যতা
যিদৰে এষাৰ বাক্যই কেতিয়াবা
ধৰি ৰাখিব পাৰে এটা জীৱন



এতিয়াও আছে দয়া নদীপাৰৰ তেজৰ দাগ
কটকৰ আকাশত ক'লা কাউৰী
দুষ্ট সহপাঠীয়ে যেন ল'ৰালিৰ চোলাটোত
ছটিয়াই দিয়া চিঞাহী টোপাল

আকৌ ধ্যানত বহক বুদ্ধ
চন্দ্ৰভাগাৰ গতিত শিলাকুটিৰ টোপনি ভাগক
শিলত কাটক সপোন
বেলিৰ পোহৰে মচি নিয়ক কাঠ-কুষ্ঠ

ঢৌবোৰ পানীৰ ধেমালি
ঢৌবোৰেই সাগৰক কৰিছে সাগৰ
বিষাদে জীৱনক জীৱন

## ধৰ্মৰ দুৱাৰ

আকাশত ক'লা মেঘজাল
মাজে মাজে কাণতাল মৰা একোটা গৰ্জন
চৰাই-চিৰিকটিৰ অখণ্ড কোলাহল
বতাহত পকা পাত আৰু ধূলিৰ চকৰি

শংখ-ঘণ্টা বাজিছে
মন্দিৰৰ দুৱাৰ খুলিছে
ধৰ্মৰ দুৱাৰ বন্ধ

পুৰণি পুখুৰীত গা ধুই
এদল ভক্তই মন্দিৰৰ শিলবোৰত মূৰ খুন্দিয়াই আছে
তেওঁলোকৰ চুলিবোৰ নিমজকৈ খুৰাই দিয়া হৈছে
মূৰ ফাটি তেজ নিগৰিছে
মন্দিৰৰ পুৰোহিতে সতৰ্কতাৰে
তেজবোৰ মজিয়াত পৰিবলৈ নিদিয়াকৈ
ডাঙৰ ডাঙৰ পাত্ৰত ভৰাইছে

বাহিৰত চিপ্‌চিপীয়া বৰষুণ
এজোপা বুঢ়া আঁহতৰ তলত
আন এদল ভক্তই চুলি খুৰাইছে
ধৰ্মৰ দুৱাৰ এতিয়াও খোলা নাই
দুৱাৰ নোখোলালৈকে
ভক্তদলে শিলত মূৰ খুন্দিয়াই থাকিব
একবস্ত্ৰ পুৰোহিতে পাত্ৰত ভৰাই থাকিব তেজ



## কথা

পুৱা তুমি যি কথা কোৱা
তাকে ধাৰ কৰি কওঁ সন্ধিয়া
তুমি কেতিয়াবা নীৰৱ হৈ থাকা
তেতিয়া মই কথা বিচাৰি হাহাকাৰ কৰোঁ

তোমাৰ নীৰৱতাৰ কোনো অৰ্থ নাই
কথা কোৱাই তোমাৰ ধৰ্ম
তুমি কথা কৈ থাকিলেহে
বাগ্‌দেৱী জীয়াই থাকে
নিৰ্জনতাৰ কুমাৰী কোষ ভৰে

সন্ধিয়া তুমি কথা নোকোৱা
হয়তো ধৰাই থাকা জিভা
পুৱা নতুন কথা ক'বৰ বাবে

মোৰ কথা তোমাৰ প্ৰতিধ্বনি নহয়
মৌলিক বুলি কোনো কথা নাই
'শব্দই ক্ৰমশঃ হেৰুৱাইছে অৰ্থ'
শেষ কথাও কোনেও ক'ব পৰা নাই
যি ঘটি গ'ল সি বিৰামহীনভাৱে ঘটি আছে
যি ঘটিবলৈ আছে
সি আৰু কোনোদিন নঘটে

পুৱাৰপৰা সন্ধিয়ালৈ বহু সময়
সঘনে সলনি হয় কিশোৰী মন
সলনি হয় বতৰৰ মেজাজ
ল'ৰাৰ মুখত প্ৰক্ষিপ্ত হয় বুঢ়াৰ মুখ
সেয়েহে তোমাৰ কথাবোৰ মই
ধাৰ কৰা বুলি কোনেও নকয়



## বহুৰূপা

সমুখতে এখন খালী আসন। এই যাত্ৰাত সচৰাচৰ আসন খালী নহয়। কিন্তু যাত্ৰাৰ ক্লান্তি সহিব নোৱাৰি বুঢ়া এজন আদবাটতে নামি গ'ল। খালী হ'ল এখন আসন। তাতে বহিবলৈ উথপ্‌থপ্ লগালে মোৰ ভাবনাই কঢ়িয়াই লৈ ফুৰা কেইবাজনো যাত্ৰীয়ে। চৌদিশ চাই মই এজনক তাতে বহুৱালোঁ। বহিবলৈ পায়ে সি তাৰ বেঁকা চাৱনিৰে সকলোকে চাই অস্থিৰ হাত দুখন বাহিৰলৈ উলিয়াই আনিলে। দুডাল কাৰ্শলা সাপৰ দৰে বগাই গ'ল সেই হাত দুখন। নিমিষতে উদং হৈ পৰিল বাৰিষাৰ পুখুৰীৰ দৰে ওফন্দি থকা কেইবাটাও জেপ। তাৰ পাছত সি ছাইৰঙী চোলাৰ হলৌ জেপৰপৰা বিড়ি এডাল উলিয়াই জ্বলাবলৈ লওঁলেই ৰে'লগাড়ীখন ৰৈ গ'ল। কোনে জানো চিঞৰি সুধিলে— "এইটো কি ষ্টেচন?"

এজনী বিগতযৌৱনা মেদবহুল শৰীৰটো চোঁচৰাই মোৰ ফালে আহিছে। দুজন ভাৰীয়ে কঢ়িয়াই আনিছে তাইৰ লাগেজ-পত্ৰ। মোৰ ভাবনাৰ যাত্ৰীয়ে তাইৰ বাবে আসন এৰি দিলে। দবাৰ বাহিৰত তাই বহা খিৰিকীখনৰ কাষতে ৰৈ আছে এজন আদহীয়া মানুহ। মানুহজনক দেখি তাইৰ চকুহাল সেমেকি উঠিল। ক্ৰমশঃ স্পষ্ট হৈ উঠিল তাইৰ কান্দোন। সমগ্ৰ শৰীৰত বিয়পি গ'ল শোকৰ হেন্দোলনি। তাৰ ছন্দে ছন্দে কঁপি উঠিল তাইৰ শৰীৰৰ মেদবোৰ যেন সাগৰৰ ঢৌ উঠিছে-নামিছে। সেই ৰূপালী ঢৌ মাৰ নৌযাওঁতেই আমাৰ ৰে'লগাড়ী আকৌ চলিল।

শোক সামৰি মানুহজনীয়ে তাইৰ লাগেজ-পত্ৰবোৰলৈ চালে। তাৰ পাছত ক্ষিপ্ৰতাৰে বহাৰপৰা উঠি এটা বেগ খুলি উলিয়াই আনিলে দুটা বিয়াগোম টিফিনৰ বাকচ। কালৈকো ভ্ৰূক্ষেপ নকৰি তাই গো-গ্ৰাসে খাবলৈ লাগিল। মুহূৰ্ততে দৃশ্যমান টিফিনৰ অতল তলি। ভোকৰ বাবেই আছিল নেকি তাইৰ শোক? হোমাৰৰ মহাকাব্যত মৃত সহযোদ্ধাৰ বাবে সৈন্যবোৰে শোক কৰিছিল ক্ষুধাৰ্ত পেটত খাদ্য-বস্তু পৰাৰ পাছত!

উদৰ পূৰাই খোৱাৰ পাছত তাই বহি বহিয়েই টোপনি গ'ল। হঠাৎ সহযাত্ৰীৰ অসতৰ্ক হাতৰ স্পৰ্শত তাই থতমতকৈ সাৰ পালে। তাই জাঙুৰ খাই উঠিল। সহযাত্ৰীলৈ আঙুলি টোঁৱাই তাই বৰ্ষণ কৰিলে অনেক অশ্ৰাব্য গালি। তাতে ক্ষান্ত নহৈ তাই শাৰী কোঁচাই মাৰিবলৈ খেদি গ'ল। আচলতে তাই কোন? কোনটো তাইৰ আচল ৰূপ? তাই শোকাতুৰ, ভোকাতুৰ নে ৰণচণ্ডী?

মই মানুহজনীক বাস্তৱত এৰি থৈ আহি কল্পনাৰে স্পৰ্শ কৰিব খুজিলোঁ তাইৰ সত্তাক— যিদৰে ভাস্কৰ ৰ'ডাই কোনো মূৰ্তি গঢ়াৰ আগতে স্পৰ্শ কৰি লয় সেই নাৰী বা পুৰুষৰ দেহৰ সমস্ত অংগ-উপাংগ। মোৰ এই পৰীক্ষা সম্পূৰ্ণ কৰি তাইক নমাই দিলোঁ এটা ষ্টেচনত, য'ত তাইলৈ অপেক্ষা কৰি আছে দুখন ৰঙিয়াল মুখে।

মোৰ সমুখৰ আসনখন আকৌ খালী হ'ল। আন এজন যাত্ৰীৰ বাবে...






**কিছুমান বোধৰ বৰণ**, ২০১১
প্লেনেট ইংক, গুৱাহাটী, প্ৰচ্ছদ ঃ কুশল দত্ত

## টেকেলি ভঙাৰ খেল

কাৰো খেলৰ বাবে কুমাৰে
গঢ়া নাছিল মাটিৰ টেকেলিবোৰ
ভাগে বুলি চাকৰপৰা নমাই
সযতনে ৰ'দত মেলি দিছিল
কুমাৰৰ ইচ্ছাক জুইৰ তাপে দিলে ৰং
ৰ'দৰ তাপে মটীয়া বৰণ

ভঙাৰ আনন্দই যেতিয়া মূল্য দিব পাৰে
ঠুনুকা টেকেলি কেনেকৈ নভঙাকৈ থাকে
ভাঙি ভাঙি আকৌ গঢ়াৰ অভ্যাসৰ বাবে
কুমাৰৰ হাতলৈ সপোনৰ মুদ্ৰা আহে

অন্ধৰ ভাও ধৰি চকু নবন্ধাকৈয়ে
ভঙা দেখিছোঁ বহু মানুহৰ মন
একোখন পৰিপূৰ্ণ সুখৰ সংসাৰ
অথচ চকু বান্ধি খেলোঁ আমি
টেকেলি ভঙাৰ খেল

মাটিৰ টেকেলি ভঙাৰ আনন্দ
ঘামুচি ফুটাই পোৱা সুখ
ভাঙি পেলোৱাৰ দুখৰ ভৰত জন্ম
আকৌ নতুনকৈ গঢ়াৰ স্বপ্ন
পূৰ্ণতাৰপৰা জন্ম হেজাৰ
পূৰ্ণতাৰ জন্ম শূন্যতাৰপৰা...



## উন্মেষ

ভাবনাৰ মাছে আজি বৰকৈ খুঁটিছে
বৰশীৰ দীঘল ডাঁৰিত পৰি
ৰঙা জিঞাৰ দহোকুৰি আমনি
তথাপি—
স্পষ্টকৈ শুনিছোঁ তাহানিতে শুনা
শুনি পাহৰি যোৱা পুৱতি নিশাৰ চৰাইৰ মাত
দেখিছোঁ কেঁচু বগোৱা নিমজ পিছল বাট
শুকান মাটিত ফুলা
বৰযুণ ফুলৰ গোন্ধে সকলোকে বলিয়া কৰে

হিয়া ধুনি ধুনি বতাহত
শিমলু তুলাবোৰ উৰিছে
নাহৰ পাতত বতাহে লিখিছে আদৰণী আখৰ
গাভৰু চকু ঘনেপতি বাটলৈ যায়

জুই ভুগিছে দহনত
শিল কাঠিন্যত
পানীয়েও আমনি কৰে
বন্ধ দুৱাৰ খোলা
সোমাই আহক নতুন অতিথি

আচলতে কোনে কিদৰে খোলে দুৱাৰ নাজানো
খুলিবৰ বাবেই বন্ধ হৈ থাকে
সৰু-বৰ সকলো দুৱাৰ...

## ভোমোৰাগুৰিত প্ৰাতঃভ্ৰমণ

ওপজিয়েই বেলি মাছুৰৈৰ জালত পৰিল
শান্ত সৰোবৰৰ জলকান্তি
সোণালী সূতাৰে বোৱা জালত
বন্দী বেলি
এটা তেজাল মাছৰ দৰে ছট্‌ফট্ ছট্‌ফট্
অস্থিৰ জলছবি

দীঘল দলং চাবলৈ যোৱা
খৰ খোজ বৈ গ'ল
অলপ আগেয়ে পানী-যুঁৰলিত
বগলীটোৰ সৈতে চুপ লৈ থকা
নাওখনে এতিয়া বেলিটো লৈ খেলিছে

বেলি নাৱৰ টিঙত বহিছে
পানীত বুৰ মাৰিছে
পিছে পিছে নাওখনো গৈ
বেলিটোৰ বোকোচাত উঠিছে

মাছৰ বাকলিত মুখ চাই
নাৱৰীয়াই ঘাটলৈ নাও চপায়
বেলি নাৱৰ কোলাত নে
নাও বেলিৰ বোকোচাত—
বামে-পোহৰে উজুটি খায় পদাতিক!



## এৰাতিৰ সাধু

তেল চাকিৰ শেঁতা পোহৰত
দুহাতৰ আঙুলিবোৰ একেলগে বৈ বৈ
মানুহজনে বাঘ, ভালুক, হৰিণ, বান্দৰ সাজিছে
ৰঙা আলতীয়া মাটিৰে লিপা
ইকৰাৰ বেৰখনত তাৰ ছাঁ পৰিছে
কণমানিহঁতৰ চকুত টোপনি নাই

তেল পুৰি শেষ হৈ যেতিয়া নুমায় চাকি
চন্দ্ৰজলে কিমান ধুৱাব পৃথিৱীৰ মাটি
হেৰোৱা বাঘ, ভালুক, হৰিণবোৰ বিচাৰি
জয়াল অৰণ্যই জুপুৰিটোক ধৰিলেহি ঘেৰি
ভয়তে পেপুৱা লাগি টোপনি গ'ল অকণি
সপোনতে সি অৰণ্য-দেৱতাক দেখিলে
দেৱতাই তাক গছৰ মিঠা শিপা খাবলৈ দিলে
অত দিনৰ মূৰত পেট ভৰাৰ পাছত সপোনতো
তাৰ কি লালকাল টোপনি...

ইয়াৰ পাছত কি হ'ল...
কাপোৰ-কানি ক'লা হ'ল
সকলো ঘৰাঘৰি গ'ল...

## ঘৰ সৰা মানুহজনী

ঘৰ সাৰি থকা মানুহজনীক নামাতিবা
মাতিও নোপোৰা মাত
এমুঠি যাদুকাঠীৰে তাই খেদি ফুৰে চয়তান

তাইক কোনেও আমনি নকৰিবা
ঘৰ শত্ৰুৰ সৈতে তাইৰ চলিছে ৰণ
সকলোৰে বাবে তাইক অকলে
গাবলৈ দিয়া নিৰ্মল প্ৰাণৰ গান

ঘৰৰ আন্ধাৰ কোঠালিবোৰ তাই ভাঙে
ভাঙি তাইৰ ইচ্ছামতে গঢ়ে
ওখ ওখ বেৰ বগাই তাই এলান্ধু-নিয়তি গুচায়
দেৱতায়ো তাইৰ আশ নাপায়

ঘৰ সৰা মানুহজনীক একো নুসুধিবা
তাইৰ একো উত্তৰ নাই
টান ৰোগীক অপাৰেশ্যন কক্ষত ভৰাই
বাহিৰত বৈ থকা আত্মীয়ৰ দৰে
য'তে আছা ত'তে থাকা



নিৰ্জনতাৰ গড় বান্ধি ঘৰ সৰা মানুহজনী
অকলে সোমাই থাকে
মাতি থাকিলেও একো নুশুনে— বধিৰ বতাহ

দিনৰ শেষ দেৱালখন বগাই
ক'ত জানো তাই অদৃশ্য হয়
পাছদিনা পুৱা যেতিয়া তাই উভতি আহে
আমাৰ ঘৰ সৰা হৈ যায়
সাৰি যোৱা দেখিও তাই ঘৰবোৰ আকৌ সাৰিবলৈ লয়

ঘৰ সাৰি থকা মানুহজনীৰ বাট নেভেটিবা
পুনৰ জী উঠিব চয়তান

## বিলনীয়া

আগতে আইতাই সাধু কয়
চোতালত জোনাকী পৰুৱাই পোহৰ বিলায়
নাতিয়ে নেওতা পঢ়ে
নাহৰৰ ডালত কুঁহিপাত মেলে
বাৰীৰ বগী জামুজোপা ফুলে

আজিকালি একো নুফুলে সহজে
ভাগ্যৰ চকৰি নিজে নুঘূৰে
কোনোবাই ঘূৰাব লাগে
ঘূৰাই থকাজনৰ নাক-মুখহে ঢকা
চৰ্ম চকু ঘোৰ আন্ধাৰতো খোলা
চাই থাকিব পাৰে জগতৰ ফুটা-বিন্ধা
ক্ষমা কৰা ন্যায় দেৱী-দেৱতা,
তোমাৰ চকুত যে ক'লা কাপোৰ বন্ধা

কূঁৰা এটা খান্দি তাৰ পানী খাবলৈ
পোৱাই ভাগ্য নেকি?
শিলটোত উজুটি নোখোৱাকৈ
বাচি যোৱাই ভাগ্য?



ভাগ্য-বিলনীয়াই জানে
কাৰ পাতত কি বিলালে সুতে-মূলে আহে
অলৌগুটি তলৌগুটি কচুগুটি ঘাই
এইখন হাতে বিলোৱাটো সিখন হাতত পায়

দূৰলৈ নাযাওঁ আহক
আমাৰ গাঁৱৰ ভোজৰ বিলনীয়াজনলৈকে চাওক
নাক-মুখ এখন নিকা গামোচাৰে ঢকা
কাৰ পাতৰ আগত মঙহৰ জোলৰ হেতাখন
কিমানবাৰ ঘূৰিব লাগে জানে
জানে কাৰ পাতত কি পৰিছে
শোকোতা নে মুকুতা

আইতাই ক'ব নে পুৰণি সাধুবোৰ
নাতিয়ে তেতিয়াহে নতুন নেওতা পঢ়িব

## পোন বাটৰ মানুহ

মানুহে যেতিয়া পোন বাট বিচাৰি যায়
অভ্যাসবশতঃ এবাৰ নিজৰ বাঁওফালে চায়
হয়তো থাকিব পাৰে এডোখৰ মুকলি ঠাই
সজা ভাঙি উৰিব পাৰে চকুৰ চৰাই

পিন্ধি থকা কামিজটোৰ জেপ নাথাকিলেও
অভ্যাসবশতঃ সোঁহাতখনে যেতিয়া খৰকৈ
বুকুৰ বাঁওফালে খেপিয়ায়
একো নাপালেও হাত পাতি থকাজনৰ
কিবা এটা পোৱা যেন লাগে

শৰীৰী ভাষায়ো শূন্যতা পূৰায়
চকুৰপৰা ওলোৱা পানী চকুতে শুকায়

নিৰ্জনতাত বহি কবিয়ে যেতিয়া কয়—
মানুহ মানে অন্য একো নহয়
একোখন ঠাই
ভাব হয় পোন বাটৰ মানুহ
মানুহৰ ওচৰলৈকে যায়

আকৌ শিশু হৈ বিচাৰি ফুৰে আনৰ শিশুকাল



## তুলাচনীত ভোক

সিদিনা চাউল এবস্তা কিনোতে
লগতে দুটা নিগনিও আহিল
পাছদিনা দোকানীক গৈ সুধিলোঁ—
কথাটোনো কি— এইটো কি এটা নতুন নিয়ম
যিদৰে দুটা কিনিলে এটা ফ্ৰী
শিশু খাদ্য কিনোতাক বিনামূল্যে এটা পুতলা পিষ্টল

এইদৰে সম্পদৰ সৈতে জোৰা হৈছে নেকি
বাঁহ ফুলা দেশৰ দায়-দশা
অভাৱ আৰু যোগানৰ নতুন সমীকৰণ
সমস্যাবোৰ এনেদৰে ভগাই ল'লে
সমতা আহিবলৈ বেছিপৰ নালাগিব কিজানি!

আজৱ এই দেশ
উৎপাদনৰ আগেয়েই শস্য বিতৰণো হৈ যায়
যিদৰে ধানে গেঁৰ ধৰাৰ আগেয়ে
পথাৰৰ আলিত নিগনিয়ে গাঁত খান্দে

খাৰবীয়া সৰহ হ'লে বস্তা হিচাপত
চাউল কিনিবই লাগিব
লগত পুৰণি মিতিৰ ফুৰিবলৈ নিগনিও আহিবই
তবধ মানিব লাগে দেখি
এধানিমান নিগনিৰ ভূগোলৰ জ্ঞান

মডেল হ'বলৈ গৈ একোকে নাখাই
শুকাই-খীণাই গ'লেও তুমি
ৰেম্পত উঠি কেটৱাক্ কৰিবৰ বাবে
থিয় হ'বতো পাৰিব লাগিব

ভোকৰ সৈতে খেলা কৰি কোনো জিকা নাই...



## ছিদ্ৰ-পুৰাণ

তুমি আক্ষেপ কৰিছা
তোমাৰ নতুন ঘৰটোত
এটা ফাঁক থাকি গ'ল

মই ক'লোঁ— তুমি কবি, দ্ৰষ্টা
খিৰিকীৰ ফাঁকেৰে দেখা
গাভৰু মুখখনিহে আটাইতকৈ
ধুনীয়া দেখি...
বসুমতীৰ ফাটত লুকায় সীতা সতী
ভগা আইনাৰ ফাঁকেৰে
শুকান বতাহৰো গান শুনি
বাঁহীৰ ফুটাত বৈ থাকে পৃথিৱীৰ গান
সৌন্দৰ্যৰ চখে বিন্ধে নাক কাণ নাভি
চাবিওচোন তলাৰ ছিদ্ৰসন্ধানী

ৰাতিৰ বৰযুণজাকে আন্ধাৰতে
মাটিৰ ছিদ্ৰ বিচাৰি ফুৰে
বীৰ্য সৰে... বীজ ফুটে
তৰ্জনীয়ে বিচাৰি ফুৰে
গুটি ভৰাবলৈ গাঁত
সীয়নি সীয়া বটিয়াই বিচাৰে বেজীৰ ফুটা
সৃষ্টি... সৃষ্টি... সৃষ্টি

## নিহত-১

আজি তেওঁ নিহত
অস্বাভাৱিক অকাল মৃত্যু

যিসকলে তেওঁক দিনৰ পোহৰত দেখিছিল
তেওঁলোকে শোক কৰি ক'লে—
তেওঁ আছিল এজন সন্ন্যাসী
বেলি নুঠাৰ আগতেই গংগাৰ
পাৰলৈ আহি নিতৌ স্নান কৰিছিল

তেওঁক ৰাতি দেখাসকলে ক'লে—
সি আছিল এটা উগ্ৰবাদী
পুৱতি নিশাতে উঠি গংগাৰ
পাৰলৈ আহি ৰাতিৰ জখম
আৰু তেজৰ দাগবোৰ ধুইছিল
নদীৰ বালিত পুতিছিল পিষ্টল-কাৰ্বাইন

দিন-ৰাতি উভয়তে তেওঁক কোনেও নেদেখিলে
(হয়তো তেওঁ নিজেও নিজক)

তেওঁ নিহত হোৱা বাতৰি পঢ়ি
তেওঁক কোনোদিনে নেদেখাজনে ক'লে—
তেওঁ আছিল এটা গোধূলি



## কাহিনী লিখাৰ কাহিনী

কাহিনী লিখিবলৈ তেওঁৰ জন্ম।
লিখাৰ বাবেই তেওঁ ধাৰণ কৰিছে প্ৰাণ।
অথচ তেওঁ কাহিনী লিখাৰ কোনো প্ৰয়াসেই কৰা নাই।
বৰং লিখাৰপৰা তেওঁ যেন আঁতৰি আহিছে।
তেওঁ যে কাহিনী লেখক— এই চেতনা তেওঁ জড় কৰি থৈছে।
কিন্তু যিদিনাই লেখকৰূপে তেওঁৰ জন্ম—
সিদিনাই এটা কাহিনী তেওঁৰ লেখক সত্তাত নিষিক্ত হৈছিল।
কাজেই এই কাহিনীৰ আত্মপ্ৰকাশৰ উক্মুকনি হৈছিল তেতিয়াই
লেখক এই বিষয়ে অজ্ঞ নহ'লেও তেওঁৰ কলম স্থবিৰ।
কিয় এই দীৰ্ঘসূত্ৰিতা? প্ৰকাশৰ উজু বাট বিচাৰি কাহিনী ব্যাকুল আৰু অস্থিৰ
কিন্তু কাহিনীৰ এই অৱস্থাটো মূৰ্ত হৈ উঠা নাই।
অতএব, লেখকে ইয়াৰ উমান পাব কিদৰে?
লেখকৰ সংবেদন বীণৰ তাঁৰ শূন্যতে কিয় কঁপিব?
এফালে লেখকৰ নিৰাসক্ত নিৰ্লিপ্তি আৰু আনফালে তাৰ অৰণ্যৰোদন।
লেখকে তেওঁৰ মনোজগতত, চিত্ত প্ৰবৃত্তিত
অপৈণত কাহিনীটো লৈ খেলি ফুৰিছে নেকি?
যিদৰে ঘন অৰণ্যত বলৱান শ্বাপদে তাৰ চিকাৰ লৈ খেলি ফুৰে।
অপৰিণত কাহিনীয়ে উদ্বেগেৰে লক্ষ্য কৰিছে
লেখকে কিদৰে পৰিপূৰ্ণভাৱে জীৱন কটাইছে।
পাৰ্থিৱ জগতৰ সকলো ৰূপ-ৰং-ৰস আচ্ছাদন কৰি উদ্‌যাপন কৰিছে জীৱন।
পালন কৰিছে প্ৰতিটো ইন্দ্ৰিয় উৎসৱ।
নাই কোনো "শুধু দিন যাপনেৰ, শুধু প্ৰাণ ধাৰণেৰ গ্লানি।"
এদিন যে কাহিনীয়ে পূৰ্ণতা পাব— এই ধাৰণা কৰাও এতিয়া অবান্তৰ।
অথচ স্বতন্ত্ৰ পৰিচয় বিচাৰি কাহিনী অধীৰ-অস্থিৰ-বিবশ।
কোনো শাপভ্ৰষ্ট দেৱদূতৰ দৰে সি শিলীভূত, লেখকৰ সোণালী
কলমৰ পৰশে তাত প্ৰাণ সঞ্চাৰ কৰিব।

নিজৰ সময়ৰ সীমাত থাকি গোটেই জীৱনত লেখকৰ এটা মাত্ৰ কাহিনী লিখিবলৈ আছে।
কোনো কবিয়ে হেনো আজীৱন এটা কবিতাকে লিখি থাকে।
লেখক দৃঢ়সংকল্প—
কাহিনী লিখিবলৈ জীয়াই আছে বুলি তেওঁ যেতিয়া পাহৰি যাব
মনৰ এক তন্ময় অৱস্থাত তেতিয়া লিখিবলৈ ল'ব সেই কাহিনী—
যি তেওঁৰ সত্তাত নিষিক্ত হৈ আছে।
অখণ্ড জীৱন আৰু জগতৰপৰা আহৰিত সমুদায় দৃষ্টি আৰু
আৱেগিক অনুভৱে দিব তাত প্ৰাণ-তেজ-বীৰ্য-ঘাম।
তাৰ পিছত চিৰকালৰ বাবে স্তব্ধ হৈ যাব তেওঁৰ কাপ-মৈলাম।
কাহিনীৰ জন্মদিনত তেওঁৰ মৃত্যু ঘোষিত হ'ব।
তেওঁ অজ্ঞাতলোকলৈ যাত্ৰা কৰিব...



## তথাগত

(বোধিবৃক্ষৰ কাষত)

ইমান দূৰলৈ গৈ ঘূৰি আহিব পাৰিনে
ঘূৰি আহি পামহিনে এই জীৱন, তথাগত
মহাসন্মিলনৰ পাছত ভাগৰুৱা মানুহবোৰ
যেতিয়া শুই নিঃপালি দিয়ে
সকলোৰে নিশ্চল দেহৰ অংগ-উপাংগবোৰ
চাৰিওফালে সিঁচৰতি হৈ পৰি থাকে
তাৰ মাজৰপৰা উঠি হাতত সাৰে ভৰিত সাৰে
মই তোমাৰ ওচৰলৈ যাওঁ, তথাগত

শিলত তোমাক নাপাই গছক উপাসনা কৰোঁ
পৰুৱাৰ দৰে বগাই ফুৰোঁ গছৰ শীতল ছাঁ
ইয়াত কোনেও কাৰো ছাঁও নগচকে
গছৰ ছাঁৰ ঋণ শুজিবলৈ তোমাক বিচাৰি চাওঁ
তথাগত, তুমি যে বহুত দূৰলৈ গ'লা
ঃ ইমান দূৰলৈ গৈ ঘূৰি আহিব পাৰিনে
ঘূৰি আহি পামহিনে এই জীৱন, তথাগত

ঃ ঘূৰি অহাৰ বাবে কোনো ইমান দূৰলৈ নাযায়
শূন্যৰপৰা শূন্যলৈ এই যাত্ৰা
জীৱন শূন্যৰেই উপাসনা
পৱিত্ৰ শূন্যতা

## নেটৱৰ্ক

আকাশত ৰহণ সানি ৰঙা বাছ গুচি গ'ল
এতিয়া বিষণ্ন গধূলি
বাছ আস্থানটোৰপৰা উভতি আহিছে যুৱতী
মুখত বয়সৰ ডেই যোৱা দাগ
"মোৰ ভাগ্যত সদায় এনেকুৱা হয়"—
কথাষাৰ তাই আলিবাটকে ক'লে কিজানি
হয়তো দুই-এক ঘৰমুৱা পথিকেও শুনিলে

নিজৰ বাট এটা গঢ়ি তাই গৈ থাকিল

ঠিক পিছতে এজন চাইকেল আৰোহী
বাঁও কাণত এটা ম'বাইল গুজি
মিছ্ড কল পোৱা বুলি বতাহতে চিঞৰি
জোৰেৰে ধাৱমান হ'ল যুৱতীৰ বাটেৰে
(মই স্পষ্টকৈ দেখিলোঁ—
তেওঁৰ চাইকেলখনৰ কেৰিয়াৰ খালী)
সেই বাটেৰেই গ'ল এখন বিলাসী গাড়ী
আৰোহীৰ কোলাত এটা লেতু-সেতু লেপ্‌টপ্
নেট খুলি চাইছে প্ৰৱাসী প্ৰেয়সীৰ মেইল
ভ্ৰাম্যমাণ ই-ভালপোৱা...

**বিঃ দ্ৰঃ** অৱলীলাক্ৰমেই এই সকলোবোৰ ঘটিছে।
গভীৰ অৰ্থ প্ৰকাশ হ'ব পাৰে বুলি মই ইয়াত জাপি
দিয়া নাই কোনো কল্পচিত্ৰ। উপৰুৱা অৰ্থই আনিব পাৰে অনৰ্থ



## আপুনি প্ৰথমে আপোনাৰ

গ্ৰহণত সুখ আছে
জুই নে পানী
বৰ্জনত দুখ আছে
পানী নে জুই
আৱাহন কিম্বা বিসৰ্জন
একান্ত আপোনাৰ কথা

অলপ আগতে আপোনাৰ
কঁকালত বিশ্বাসী বান্ধ হৈ থকা
পেণ্টৰ পেটীডালে যেতিয়া
সাপৰ দৰে মজিয়াত পৰি থাকি
আপোনাক চক্ খুৱাই দিলে
(ঘাম লগা লেতেৰা পেণ্ট
ৱাশ্বিং মেচিনত সোমাল)
আপোনাৰ গ্ৰহণ-বৰ্জনত এটা
স্থায়ী প্ৰশ্নবোধক চিন থৈ গ'ল...

প্ৰতিটো দৃশ্যধ্বনি প্ৰশ্নৰ প্ৰতি
আপুনি নিজেই দিব লাগে সঁহাৰি
প্ৰতিটো সঁহাৰি জানো নিৰ্ভুল হয়
আপুনি দিয়া নাইনে বাৰু
এটাও উকা সঁহাৰি

কিদৰে প্ৰতিপাল কৰিব অনন্ত সময়
মাৰ্কেজ পঢ়ি পাৰ কৰি দিব পাৰি
এটা বৰষুণীয়া দিন
অথচ
পুৰণি খৰ এডোখৰ পালেও
চলি যাব পাৰে তেনে এটা দিন

নিজৰ হাতৰ তলুৱাখন এবাৰ চাওক
বলৱান ভাগ্যৰেখা জিন্দা আয়ুৰেখা
এইবাৰ হাতখন মুঠি মাৰি ধৰক
সিপিঠিত দেখিব চাৰিটা পাহাৰৰ শৃংগ
ক'ত উঠিব আপুনি
ভাগ্য-চকৰিত নে পাহাৰৰ শৃংগত...

গ্ৰহণ নে বৰ্জন
জুই নে পানী
আৱাহন নে বিসৰ্জন
নিৰ্বাচন আপোনাৰ—
কাৰণ আপুনি প্ৰথমে আপোনাৰ



## কা আৰু কে*

কাৰ কাহিনী আগবাঢ়িব পৰা নাই
ৰাস্তাত বৰফ পৰিছে
বৰফে ঢাকিছে গছ-বিৰিখ, লাইট প'ষ্টৰ পোহৰ
গাঁও-চহৰৰ নক্সা, টেলিফোনৰ তাঁৰৰ চৰাই
হেৰাল দিন-বাৰ, তাৰিখৰ চিন আৰু সময়ৰ ধাৰণা

এতিয়া কাৰ কাহিনীক তাতে এৰি উপ-কাহিনীয়ে দানা বান্ধিব
কাহিনীৰ নায়ক নতুন হ'ব নাইবা বৰফে নামভূমিকাত অভিনয় কৰিব
সমতলত পিছলি পৰি চৰিত্ৰবোৰৰ হাত-ভৰি ভাগিব
উপ-কাহিনীবোৰ বেলি, বতাহ আৰু মেঘৰ মহিমা

কেৰ খবৰ আৰু দুখ লগা
লেখকৰ মৃত্যুৰ পাছত অকালতে মাউৰা হ'ল
পৰিচয়ৰ ভ্ৰম এতিয়াও ভগা নাই
ক'ত থাকিব তেওঁ— দুৰ্গৰ বাহিৰত নে দুৰ্গৰ ভিতৰত
দুৰ্গৰ বাহিৰত ৰৈ আছে হোজা খেতিয়ক
সকলোকে কেৰ পৰিচয় লাগে
এখন ফায়াৰ বিগ্ৰেডত উঠি আছে আমোলাতন্ত্ৰ

বৰফ গলিলে ৰাস্তা মুকলি হ'লে
কাৰ কাহিনী হয়তো আগবাঢ়ি যাব
কেৰ কাহিনী পিছে কোনে ক'ব
আজিৰ লেখকে তাৰ প্ৰ'ট'টাইপ বিচাৰি পাবও লাগিব

*টোকা ঃ অৰ্হান পামুক আৰু কাফ্‌কাৰ উপন্যাসৰ দুজন নায়ক*

## এদিন দেওবাৰে

সিদিনা দেওবাৰে পুৱা হঠাৎ
আমাৰ পাকঘৰলৈ সোমাই আহিল
ছালভাদৰ ডালি
আহিয়েই তেওঁ জিভাখন খুলি থ'লে
ৰান্ধনীজনীক ওকণি চাবলৈ পঠাই দি
তেওঁ সেকিবলৈ ল'লে আধা বেলা ৰুটীবোৰ
সিদিনা আমি কি খালোঁ নাজানো
আবেলিলৈকে পেট ভৰি আছিল

সন্ধিয়া সাগৰ পাৰত ফুৰিবলৈ গ'লোঁ
য়ানিছ ৰিট্চছৰ* কেএগ্ৰা আঙুলিটোৰপৰা
ওলোৱা নদীখন সাগৰত মিলি যোৱা দেখিলোঁ

পুৱাৰ ৰঙা চাহকাপৰ বাবে
ঘূৰণীয়াকৈ কটা নেমু টেঙাৰ চকা লগোৱা
চালকবিহীন গাড়ীখন সাগৰৰ পাৰত বৈ আছে
গাড়ীখনত উঠি পৰ্যটকে দেখে
গ্ৰীচৰ বেলি, সাগৰীয় শিল আৰু অলিভ গছবোৰ
গাড়ীখনত আমিও উঠিম আজি
কবিতাই দিবনে অনুমতি...

**য়ানিছ ৰিট্চছ ঃ গ্ৰীক কবি*



## সঞ্চাৰক

দোকানত আলোচনীৰ পাত লুটিওৱা মোৰ
পুৰণি অভ্যাস। বিশেষকৈ আবেলি পৰত।
কাচিৎহে গ্ৰাহকৰ দুই-এটা সৰু-সুৰা
খুন্দা-খুন্দলি। বেয়া নালাগে সমূলি।

সিদিনা দেখিলোঁ এখন নতুন আলোচনীত
মোৰ প্ৰিয় লেখকজন। মানে স্মিত হাঁহিৰে
তেওঁৰ পোহৰ ছবি এখন। তাৰ ঠিক তলতে
তেওঁৰ এখন নতুন ৰচনা— অচিনা
যেন এইমাত্ৰ লিখা শেষ হ'ল
তপত সুঘ্ৰাণ ওলাই আছে
'গুণ্ গুণ্কৈ' এজাক ধোঁৱাও উৰিছে

তৎক্ষণাৎ আলোচনীখন জপাই থ'লোঁ
কৌতূহলী দোকানীয়ে মোলৈ চালে
মুহূৰ্ততে এটা সহজ বিনিময় গৈ গ'ল

ঘৰলৈ আহি ভাবস্তিৰে বহি
আলোচনীখন মেলি ল'লোঁ আনুক্ৰমিকভাৱে
শেষত প্ৰিয় লেখকৰ ৰচনাখন পঢ়িবলৈ লওঁতে
মোৰ চছ্‌মাৰ কাচ দুখন সেমেকি উঠিল
কোমল কাপোৰেৰে কাচ দুখন মচি থাকোঁতে
চকুত পৰিল মোৰ হাতৰ দীঘল নখবোৰ
খোলা আলোচনীখন আগত লৈ
নখবোৰ কাটি থাকোঁতে বৰকৈ মনত পৰিল
আমাৰ পিছবাৰীত কাম কৰা বিৰোচনকাইলৈ
কাঁহীৰ কানতে ভজা পুঠিমাছ এটা লৈ
তেওঁ দুকাঁহী শুদা ভাত অনায়াসে খাইছিল
শেষত পুঠিমাছটো চোবাই
তেওঁ যে কি তৃপ্তিৰ উগাৰ মাৰিছিল...

পুনশ্চ ঃ মাথোঁ কেইটিমান মুহূৰ্তহে উজলি উঠিব
তাৰ বাবেই আমি পাত কৰোঁ সুদীৰ্ঘ জীৱন



## পানী ৰঙৰ ছবি

ভেকুলীবোৰে মুখ মেলি দিলে
আকাশে তাতে আঁকিলে
পানী ৰঙৰ এখন ছবি

কাজলী খীৰঁতীজনীৰ বহল ওহাৰত
এখন ৰামধেনু

হাতত জোঁৰ লৈ পুখুৰী হেৰোৱা মানুহ
ভৰিৰ তলত আন্ধাৰ মাটি

বতাহৰ ধাৰে কটা
কলগছৰ ভূৰ
ডকা ফুটিছে
দৰক লগা উজানৰ মাছ

চৰাইপানী নদীত ওপঙিছে
এখন-দুখন পানী-গামোচা
আৰু মেটেকা পৰিয়ালবোৰ...

## ছায়াযুদ্ধ

সন্ধিয়া হ'লেই শিশু মাকৰ কোলাত উঠে
আন্ধাৰ যাদুকৰে ভয়ানক খেলবোৰ খেলে

বাঁহৰ চুঙা ফুৰাই কোনে জ্বলায়
কেঁচা খৰিৰ জুই
বতাহত পোৰা সৰিয়হ গোন্ধায়

আমি এতিয়া মধ্য বয়সীয়া মধ্যবিত্ত
(কি যে কালান্তক যুটি?)
ছুইচ টিপি দিলেই যদিও জ্বলে
আমাৰ জলমল বিজুলী-চাকি
আমাৰ সন্ধিয়াও বিপন্ন আৰু বিষণ্ণ
আন্ধাৰত আমাৰো পহৰা নাই
পহৰাদাৰীৰ চকুত পোহৰ নাই
'গাৰ্ডক কোনে পহৰা দিব'

সন্ধিয়াৰ মানুহহে দামোদৰ
অৱতাৰবোৰ আচহুৱা, ৰক্তপায়ী



পোহৰ মানুহৰ গান
আন্ধাৰ আপোন কায়াৰ ছায়া
চাবেক ঘৰৰ চুক-কোণ

দিনৰ শেষত ৰ'দত শুকোৱা কাপোৰৰ দৰে
চপাই থওঁ আহক নিজৰ ছাঁ
যাতে সন্ধিয়াৰ সৈতে মিলি যাব নোৱাৰে
বাজি নুঠে আন্ধাৰৰ এয়'লীয় বীণ*

**'এয়'লীয় বীণ— প্ৰাচীন বাদ্যযন্ত্ৰ। একে স্বৰতে বন্ধা।*
*ইয়াত তাঁৰবোৰ বতাহত কঁপি কঁপি সুৰৰ সৃষ্টি কৰে।*

## অংগ-বহিৰংগ

প্ৰসাধন কৰি থোৱা এখন মুখ
পুৰুষ বা প্ৰকৃতি
শ্বেত বা কৃষ্ণ
বিশেষ বা নিৰ্বিশেষ
মৌন ওঁঠ চকুত দ্ৰষ্টাৰ মনোভংগী

ভৰিয়ে গতি নিদিয়ালৈকে মুখৰ পৰিচয়
পুতলা— অখণ্ড নীৰৱতা
অংগ সঞ্চাৰিত নহ'লে কথাকলি মুখ
প্ৰতিমা— অনুভূতিৰ শূন্যগৰ্ভ

মুখ নিফুট প্ৰতিমা
ভৰিহে কৰিৎকৰ্মা
মুখক কিয় ইমান আপডাল
ভৰি দুখনৰ প্ৰতি উদাসীন অৱজ্ঞা
তেন্তে বৈষম্য আৰম্ভ হয় নিজৰপৰা...



## এখন টেবুলৰ সমতলত

ৰূপকীয় বাট এটাইদি অনেক ঘূৰি-পকি আহি
আমি য'ত ওলালোঁহি তাত এখন কাঠমিস্ত্ৰিৰ দোকান
বাটত দেখা বা দেখিম বুলি মনতে ভাবি অহা
ছবি অথবা ঘটনাবোৰ কাঠমিস্ত্ৰিৰ দোকানত দেখি আচৰিত হ'লোঁ

দোকানৰ আদৰণী আখৰৰ আইৰণীয়ে আমাক এখন
তোৰণৰ তলেদি টানি নিয়া যেন অনুভৱ হ'ল
আমাৰ উপস্থিতি যদিও আছিল আকস্মিক, অকাৰণ নাছিল
যাৰ বাবে কাঠমিস্ত্ৰিয়ে পৰিচয়-পাতনিতে পাৰিলে
এখন সমতল— য'ত আমাৰ পিঠিৰ বুৰঞ্জী নমাই থ'লোঁ

আমাক যেতিয়া প্ৰয়োজন হ'ল আংগিকৰ ওখ আসন
কাঠমিস্ত্ৰিয়ে কাঠৰ মাজৰপৰা বিচাৰি আনিলে কাঠ
কাণৰ ওপৰত গুজি থোৱা পেঞ্চিলডালৰ দাগেৰে
নিৰূপণ কৰিলে কাঠৰ ভাগ্য— কুন্দত কাটি চাৰি পইৰা
অৰ্থৰ গজাল মাৰি তেওঁ আমাৰ বাবে সাজিলে এখন টেবুল

টেবুলৰ ওখ সমতলত থৈ আমি পাঠ কৰিলোঁ স্মৃতি আৰু স্মৃতি
আমাৰ কাহিনীৰ ভ্ৰূণবোৰ আৰু পৰিস্থিতিৰ দাসবোৰে
ইয়াৰ গঠনৰ বাহিৰলৈ ওলাই একান্ত বিচৰণ কৰিলে সমতলত
আমাৰ নিলিখা কবিতাৰ বিষয়ীবোৰে এখন মসৃণ সমতল পাই
হাজাৰ মে'টাফৰৰ পিঠিত উঠি পৃথিৱী ফুৰিলে—
ফ'ক্‌নাৰৰ মেপত বিচাৰি পালোঁ শীলভদ্ৰৰ 'মধুপুৰ'

টেবুলৰ তলৰ অলয় আন্ধাৰখিনি টেবুলৰ নিয়তি—
এই আন্ধাৰত চলা লেনদেনৰ বাবে কাঠমিস্ত্ৰি জগৰীয়া নহয়
যিদৰে ফ্লাই-অ'ভাৰৰ তলৰ আন্ধাৰখিনিৰ বাবে দায়ী নহয় ইয়াৰ নিৰ্মিতা
টেবুল মাথোঁ বুনিয়াদ— খুব বেছি এখন সমতল—
য'ত ভাবনাই বিচৰণ কৰে



## এটা কবিতাৰ দ্বিতীয় খচৰা

*(প্ৰথম খচৰা সদায় মনৰ ভিতৰতে চলে)*

এখন গাঁৱৰ অন্তত এখন চহৰ
উপস্থিতি অনুপস্থিতিৰে পূৰ
ভোকৰ জুইকুৰাৰপৰা অঙঠা নি জ্বলোৱা
দামী চিগাৰেটৰ ছাইত জন্ম
এখন চহৰ— গাঁৱৰ অনুপস্থিতি

অ' কবিতা তোমাক মই পিছফালে চাওঁ...
তুমি আয়োজন কৰা আগফালে ওলাবৰ বাবে

চহৰৰ কাউৰী নোদোকা— অমংগল মাতিব নাজানে
(নহ'লে অজাতি মানুহ এটাক
ক'লা মাছেৰে এসাঁজ খুৱাই দিয়া দক্ষিণা-পাতি
নিলগৰ ঢৌ নিলগত মাৰ যাব)

কুমাৰী আৱৰ্জনাবোৰ বান্দৰে চুই
জুঠা কৰাৰ আগতে বস্তা ল ৰাতি পুৱাল
বস্তাত ভৰাই দ'ম কৰি থ পাইকাৰী ৰ'দ
নহ'লে চিক্‌মিকাই থকা জোতাবোৰত মুখ চাই উভতি যাব

গছৰ সৈতে হেনো আজি সমানে উৰিব ধোঁৱা
ধোঁৱাই ছাঁ দিব নোৱাৰে বুলি জানিও
দৰ্শক খেল চাবলৈ আহিব

শিৰোনাম— আজি সকলোৰে ভগৱান

## প্লুটো-দশা

*(সমমৰ্মিতাৰে)*

বাতিল হোৱা এখন খেল
যাৰ কেন্দ্ৰত আছিল এটা ফুটবল
দৰ্শকৰ হাতে হাতে এইখন খেলৰ টিকট

বলত খেলুৱৈৰ ভৰিৰ আৱৰ্তন
কক্ষপথত দুভৰিৰ কছৰৎ

বিষয়হে ফুটবল
বিষয়ী নহয়

নটা বুটাম থকা নীলা জাৰ্চিটোৰ
বুটাম ছিগিলেও
খেলত নপৰে ঘাটি
আৰু...
ফুটবলে নিজেতো গ'লপষ্ট বিচাৰি নাযায়
কোনোবাই ইয়াক খেলিব লাগিব
জয়ৰ উল্লাস অথবা
পৰাজয়ৰ গ্লানি সদায় খেলোঁতাৰহে...

ফুটবলৰ সদায়েই জয়।



## নতুন জোতা

মই তোমাৰ নতুন জোতা
তোমাৰ ফিৰিঙতি মাটিৰ বন্ধোৱা
ভৰি তোমাৰ যদিও খোজ কাঢ়োঁ মই
মাটিত থাকিব নোখোজে তোমাৰ উৰণীয়া ভৰি

মই চিক্‌মিকাই থকা নতুন জোতা
তেল পিছলা লাৱণী দেহা
ইটাই ঢাকি থোৱা ঘাঁহৰ দৰে শেঁতা
তোমাৰ পদ-যুগলৰ স'তে
ইমান সোনকালে মিল হ'ব ক'ৰপৰা

ভৰিৰ দৰে গঢ়োঁতে নিজকে
নতুন জোতাই কাটিব পাৰে

হয় মহাশয়, ভৰি কটাৰ পিছত
মোৰ সীতা-বনবাস— দহ দিন দহ ৰাতি
আন্ধাৰ কুঠৰীত ধূলিয়ৰি বায়ু, এলান্ধু,
মকৰাজাল, তেল-চিকটি, পঁইতাচোৰাৰ সহবাস
স্নিগ্ধ কোমল লাহী দেহাই সহে কিদৰে
ভিতৰতো নেদেখা এন্দুৰ এটাৰ কুট-কুটনি

ভৰিৰ কেঁচা ঘা শুকোৱাৰ দিনাই
তোমাৰ এযাৰ কথাই সহজ কৰি দিলে—
নতুন জোতাই কাটেই
ভৰিহে পিছলি নৰকলৈ যায়
পাদুকাই ৰাজ্যও শাসন কৰে

আকৌ তোমাৰ দুভৰিৰ স'তে সাৰটা-সাৰটি
খলা-বমাতো কি ছন্দোময় গতি

তোমাৰ মন্দিৰৰ বাহিৰত যেতিয়া
আনৰ সৈতে শাৰী পাতি থাকোঁ
তাৰপৰাই তোমাক উপাসনা কৰোঁ
চুমা খাওঁ তোমাৰ অনুপস্থিতিক
যিদিনা তুমি অপাৰেশ্যন কক্ষত সোমালা
সেইদিন ধৰি মই বাহিৰত ৰৈ আছোঁ
তুমি আহিবা— মই যে বহুদিন লোৱা নাই
তোমাৰ চৰণ-ধূলি...



## বাকলি বিজ্ঞাপন

বজাৰ জিলিকা বস্তুৰ ৰংচঙীয়া বাকলিবোৰে
নাজানে গ্ৰাহকে আচলতে কিনি নিয়ে কাক
নাজানে গ্ৰাহকৰ ঘৰত থকা শূন্যগৰ্ভ ডাষ্টবিনটোৰ কথা
যি অহৰ্নিশে সোঁৱৰাই থাকে ঃ মোক ব্যৱহাৰ কৰক
অথবা নাজানে বহুতৰ বাৰীৰ চুকত
জেকা মাটিত থাকে এখন অন্ধকাৰ চেঁচুক

বাকলি নিজৰ নহয়, বস্তুৰহে বিজ্ঞাপন
বন্ধন নিছিগালৈকে গাই থাকে ভিতৰৰ শ্ৰুতিগান

ল'ৰালিতে শুনা সাধুকথাবোৰত পশু-পখীয়ে
কথা কৈছিল, লাও-কোমোৰা বগাই গৈছিল
হাঁহে সোণৰ কণী পাৰিছিল, সাগৰে এৰি দিছিল বাট
আমি সৰল বিশ্বাসেৰে সাধুৰ বাদুও চুহিছিলোঁ
আজি সেই একেই বিশ্বাসেৰে ডাষ্টবিনটোক মূৰ্ত কৰিছোঁ
তাৰ গাত লিখিছোঁ ঃ মোক ব্যৱহাৰ কৰক
যিদৰে কবি ৰোমাণ্টিকে মৃত্যুক দিছিল প্ৰাণ
আৱাহন কৰিছিল, "হে' মৃত্যু দেৱী..."

সৌ সিদিনা কাকতত পঢ়া খবৰ ঃ
এগৰাকী সত্তৰবছৰীয়াই আত্মহত্যা কৰিলে
তাৰ আগতে তেওঁ পকা চুলিত কলপ লগালে
হাত-ভৰিৰ নখ কাটি নকল দাঁতযোৰ লগাই
তেওঁৰ আটকধুনীয়া কাপোৰ সাজ পিন্ধিলে
বাতৰিটো পঢ়ি কিয় জানো মোৰ মনত ভাহি উঠিল
বজাৰত জিলিকি থকা বস্তুৰ বাকলিবোৰৰ এখন ছবি...

## পূৰ্বৰাগ

আমলখি গছৰ ডালত বহি
এহাল চৰায়ে কাজিয়া কৰিছে
গছত এখিলাও পাত নাই

ভাগৰুৱা মাকৰ কোলাত এটা লুভীয়া কেঁচুৱা
দিনভৰ কিমান যে আমনি
মাকৰ পিয়াহ চুহিব পৰা নাই
সানি থৈছে তিতা-ভেঁকুৰি

প্ৰতিৱেশী পলাশে দহিছে আমলখিৰ লঠঙা শৰীৰ
জ্বলা জুইত ঘি ঢালিছে শিমলু ফুলে
শুকান ডালত মৰি আছে দ্বিতীয়াৰ জোন
চৰাইহাল উৰিব পৰা নাই
উমলিব পৰা নাই শিশু
চৌদিশে কয়লাৰ গুড়ি আৰু ধোঁৱা...

ইয়াৰ পাছত কি হ'ল
হয়তো বনবাসী বসন্ত আহিল উভতি
হাতত তুলি ল'লে সেউজীয়া ৰং-তুলি
লঠঙা ডালত সপোন মুচিয়ালে
কিশোৰ গালত ঠুটিয়ালে ডাড়ি...

এনে এখন ছবি চোৱাৰ আশাৰে
আমি আজি চিত্ৰশালালৈ যাম
চকুত লৈ যাম এখন ইন্দ্ৰধনু...



## গুপ্ত-দোষ

পুৰা ডাড়ি খুৰাওঁতে
তুমি নেদেখাকৈ অতি গোপনে
আচীঁৰ সমুখত মুখখন ভাঙো

তুমি ভগা আচীঁকে নোচোৱা
আৰু ভঙা মুখ?

কবিতা লিখি থাকোঁতে
কোনোবাই দেখে বুলি
আজিও অজান সংকোচ

তোমাক প্ৰথম চুমাটো খোৱাৰ দিনা
লিখি থাকোঁতে এটা প্ৰেমৰ কবিতা
তুমি দেখা পালা বুলি
আজিও মাজে মাজে আক্ষেপ হয়

এখন নিখুঁত বহল আচীঁত
নিমজকৈ ডাড়ি খুৰুওৱা মুখত
নিজকে পঢ়ি চোৱা

প্ৰতিমা মুখতো খলা-বমা
কাম নাপাই ঘূৰি অহা
দিন-মজুৰৰ মুখৰ বৰণ

নিজকে চোৱাৰ কি যন্ত্ৰণা...

## ফুটবল

*'কবিতা হৈ উঠিব বাতৰিকাকত পঢ়াৰ দৰে*
*অথবা ফুটবল খেল চাবলৈ যোৱাৰ দৰে*
*অভিজ্ঞতা ঃ অনায়াস, প্ৰাত্যহিক, জৰুৰী*
*যিদৰে চাহৰ টেবুলৰ খবৰ কাগজখন*
*অথবা ফুটবল খেলপথাৰত যি ঘটে'*
*— মিৰোশ্লাভ হোলুব*

হঠাৎ ৰেফাৰীৰ তীক্ষ্ণ হুইচেল
নাকচ হ'ল মোৰ গ'ল
তোমাৰ গ'ল-বক্সত সোমাই জালত খুন্দিয়াই ৰৈ গ'ল
মোৰ ভৰিৰ ঘাম লগা প্ৰিয়তম ফুটবল

টঙিজালত লাগি ছট্‌ফটায় মন-মাছ
ইমানবোৰ গ'ল-শূন্য খেল
অগণন অতৃপ্ত দৰ্শক
কেৱল কেৰিৰে সম্পূৰ্ণ নহয় ফুটবল
ভৰিহালো বৰ কুট্‌কুটাই আছে
বাহিৰত দৰ্শকক গুৰিয়াই থকাতকৈ
খোদ্ খেলপথাৰত নমাই ভাল



মনত পৰে সিদিনাও আছিল গ'ল-শূন্য নৱৈ মিনিট
গ'ললৈ শ্বট্ ল'ব নোৱৰা মিডফিল্ডাৰ দেখি
দাং খাই গ'ল মোৰ ভৰি আপোনা-আপুনি
সমুখত বহা পদাঘাতপীড়িত দৰ্শকে বোলে—
ভাং খাই আহিছ নেকি—

খেলপথাৰত নামিয়েই গ'ল-বক্সৰ সেউজীয়া পটত
ধেনুভিৰীয়াকৈ আঁকি দিলোঁ এটা গ'ল
ধাৰা-বিৱৰণি দিওঁতাই ক'লে— এটা সুদৰ্শন গ'ল
কিন্তু ৰেফাৰীৰ হুইচেলে ততালিকে তাক নাকচ কৰিলে
খেলপথাৰত অতিৰিক্ত খেলুৱৈ সোমাল ক'ৰপৰা...

কাৰো ভৰিত ফুটি নুঠিল এটাও বৈধ গ'ল

আজিকালি কাচিৎহে খেল চাবলৈ যাওঁ
দৰ্শকৰ মাজত বহি থাকোঁতে বলটো দেখিলে
ভৰিহাল কুট্‌কুটালেও একো গমকে নাপাওঁ

মোৰ ভৰিত যে এতিয়া চাইটিকা পেইন...

## আওটনি

সকলো পেলোৱাৰ আগতে
তোমাক পেলোৱা হ'ল
ইয়াৰ পাছত যিসকল শাৰী পাতি
তোমাৰ ওচৰলৈ গ'ল বা
খালী হোৱাৰ পাছতে যাব
তেওঁলোক তোমাৰ অতিথি
সকলোৰে বাবে উদাৰ তোমাৰ কোষ

তিনিআলিৰ দোকানত, দৈনিক বজাৰত
অথবা কোনো বাতানুকূল হাবত
পূৰ্ণতাই জন্ম দিয়া হাজাৰ-বিজাৰ
শূন্যগৰ্ভ হৈ তোমাতেই সমপতন
কোন ক'ৰ এই কথা অবান্তৰ

চোৰা, চোৰা ৰাজআলিত উঠি নিচিঞৰাকৈ
কেনেকৈ ওলাই আহিছে সমতা
শুকান বালিচৰত পৰি থকা
শামুকৰ খোলাৰ ভিতৰতে সাগৰ

সেই শৰীৰ— যি দিনে-ৰাতিয়ে
তোমালৈ পঠাই থাকে অতিথি
এদিন বাহী হৈ তোমাৰ খোলাত সোমাব
তাৰ পাছতো শেষ নহ'ব তোমাৰ অতিথি
কাৰণ সকলো ত্যাগ কৰাৰ আগতে
পৰিত্যাগ কৰা হ'ল তোমাক...



## চৰাইপানী

*(পদ্মা বাইদেউৰ স্মৃতিত)*

নদীৰ পাৰত কেতিয়াবা
ঢৌৰ বাবে বহি থাকিলে
ঘন ঘনকৈ শুনি ভাপ নাৱৰ উকি

উকিবোৰ শুনিলে ধূলিৰ দৰে উৰি যায়
পলসত পৰা দিন-ৰাতিৰ চামনি

নাহে আৰু উভতি পালতৰা নাওখন
শুকান বালিচৰত চৰাই নখৰ আঁচোৰ লৈ
পৰি আছে অনুকৃতি—

কুঁৱলীৰ দলঙেদি খোজ কঢ়াই
ক'ত থৈ আহিলোঁ তোমাক—
বুঢ়া বগৰীজোপাৰ গুৰিত—

ফুটুকা গছৰ চেঁচা বাহুত শুই আছা নেকি
নে ভগা টেকেলিমুখত তুমি ডুব যোৱা বেলি

তুমি সাঁচি থোৱা খালী ঠাইবোৰত
জাৰ মালতী ফুলে— ৰেণু লৈ পখিলা উৰে
ভালপোৱাৰ জ্বৰ-ঘাম পৰি
শুকান মাটিত গজি উঠে হেম-শস্য
শস্যৰ আয়ুসে নহয়, গভীৰতাইহে মুগ্ধ কৰে

এতিয়া চকু মুদিলেই ধোঁৱা এজাক উৰি যোৱা দেখি
দূৰ দিগন্ত ভেদি—
ধোঁৱাৰ ধূসৰতাত যেন মিলি যায় চৰাইপানী

চৰাইপানী যদি নাই তুমি-মই কোনো নাই
সকলোৰে আপোন অপেক্ষাৰ চৰাইপানী



## জীৱন অন্যত্ৰ

আৰু কিমান লাগে তোমাক মোক
জন্ম হৈয়েচোন এডোখৰ ঠাই উলিয়াই লওঁ
যি ঠাইত আকাশৰ দহজনী চৰায়ে
অনায়াসে ডেউকা কোবাই উৰি যাব পাৰে

এই যে ছফুটীয়া বিছনাখন
তাতে শুই কটাই দিছা অৰ্ধেক জীৱন
বাকী আধাৰ বাবে কিয় ঘাটি আৰু ঘাটি
নোজোৰে কিয় এখন বজাৰে, এখন গাড়ীয়ে
এখন ঘৰ-বাৰীয়ে, এটা ম'বাইলে, এটা আইপডে
এটা হাইড্ৰ'মেটে অথবা এজনী সাদৰী পত্নীৰ মৰমে

আৱেগ বেংকত কিয় ইমানবোৰ ধাৰ

যি কাৰণে তুমি-মই নোজোৰে বুলি ভাবোঁ
এই কাৰণবোৰেই আমাক নিৰ্বাসন দিয়ে
নিজৰ জীৱনৰপৰা—

সঁচা, বিচাৰি ফুৰাটো পৱিত্ৰ পাথৰ
শেষত বিচাৰি পোৱাবোৰ প্ৰায়ে সাপৰ জিভাৰ জুই!

## নীড়ৰ আশ্ৰয়

পুৰণি ঘৰটোৰ কাষতে এজোপা খেজুৰ গছ। ইয়াৰ ছিৰিলি পাতৰ ছায়াত এটা চৰাই-বাহ। দীৰ্ঘদেহী খেজুৰত আঁহত এডালে য'ত জোৰেৰে খামুচি ধৰি আছে ঠিক সেই ঠাইতে চৰাইজনীয়ে বাহটো সাজিছে। আঁহতজোপা বাঢ়িছে খেজুৰৰ ভৰসাত আৰু চৰাই-বাহটো আছে আঁহতৰ ডাল-পাত-শিপাৰ আশ্ৰয়ত। খেজুৰৰ এতিয়া আজৰি পৰ। গাত ফলৰ ভৰ নাই। অতএব, বাহিৰৰ আমনিও নাই।

ঘৰ বিচাৰি আহি যেতিয়া এই পুৰণি ঠেক-মেক ঘৰটোত সোমালোঁ, মোৰ একোৱেই ভাল লগা নাছিল। কিয় জানো ঘৰটোৰ পিছফালে থকা খিৰিকীখন খুলি দিলোঁ? খুলিয়েই চকুত পৰিল চৰাই বাহটো। চৰাইজনী উমনিত বহি আছে। ভয় খাই উৰি যাব বুলি মই আঁৰ চকুৰে তাইক চালোঁ। হঠাৎ কোনোবাই কিবা কোৱা যেন শুনি লাহেকৈ খিৰিকীখন বন্ধ কৰি থ'লোঁ। আচলতে চৰাই-বাহটোৱে মোক কৈছিল— "এই ঘৰটোকে লোৱা।"

ল'লোঁ। ঘৰটো লৈ পিছফালৰ খিৰিকীখন খুলি থওঁ। উমনিত বহা চৰাইজনীক চাওঁ। শান্ত-ধীৰ-একাগ্ৰ। খিৰিকীৰ আকাশত দেখা পাওঁ শুকুলা মেঘৰ জোলা। চৰাই-বাহটোক চুই অহা এছাটি শীতল বতাহে কঁপাই থৈ যায় মোৰ মেলা চুলি আৰু নাকৰ পাহি। ব্যস্ত দিনে যেতিয়া আচ্ছন্ন অৱসাদ আনে এটা পূৰ্ঠ ফলৰ দৰে দুভাগ কৰোঁ মোৰ ৰাতিৰ কোঠালি। এটা কোঠাত মই থাকোঁ।



আনটোত থাকে এজনী চৰাই। তাইৰ পাখিৰ শব্দত মই সাৰ পাওঁ। ক্ৰমশঃ মই বগাই যাওঁ তাই আশ্ৰয় লোৱা খেজুৰৰ ডালে-পাতে কাঁইটেৰে আৰু ছাঁৰে। মোৰ আঙুলিৰ পাবত লাগি আহে কেঁচা ঘাম আৰু তেজৰ চেঁকুৰা।

চৰাইজনীক এতিয়াও মনে মনে চাওঁ। মোৰ হাতৰ খাৰুপাট লাগি খিৰিকীত এটা ধাতৱ শব্দ হ'লে তাই উচাপ খাই উঠে। গাটো অকণো লৰচৰ নকৰি কণমানি চকুহাল পিৰিকিয়ায়...। খেজুৰ, আঁহত আৰু মোৰ খোলা খিৰিকীখনৰ ওচৰত তাই সহজ হৈ পৰাৰ দৰে মোৰ উপস্থিতিটোও তাইৰ এদিন সহজ হৈ পৰিব। মই সেই দিনটোলৈ বাট চাম। খিৰিকীৰ ফ্ৰেমত নহয়, মই তাইৰ আগত সখ্যতাৰে সমুদায় ৰূপত দেখা দিম। তাইৰ দৰে উমনিত বহিম।

সেই দিনটোৰ বাবে বৈ থাকোঁতে এদিন দেখিলোঁ সমাজৰ তামোল খাই বদনামী এটা চৰাই-বাহটোৰ ফালে দ্ৰুতভাৱে আহিছে বগায়। মই হাতৰ ঝাড়ুডাল জোৰেৰে খামুচি ধৰিছোঁ আৰু মোৰ সমগ্ৰ শৰীৰ খিৰিকীৰে বাহিৰলৈ উলিয়াই দিছোঁ...

## শোক আৰু শ্লোক

কোন স'তে জগাও তেওঁক
ইমান নিখুঁতভাৱে টোপনি গ'ল
নিজৰ টোপনি শুলে
নিজৰ ভাগৰ মাৰিলে

যিসকলে ভাবে তেওঁ সাৰে আছে, ক'লে—
এডাল ঘাঁহৰপৰা জোক এটা বগাই
আন এডাল ঘাঁহলৈ গ'ল
মৰুভূমিত পৰি থকা শামুকৰ
খোলাত এখন সাগৰ হ'ল
ৰাতিৰ চাকি নুমুৱাই দিয়া
সুন্দৰ পোহৰ হ'ল

লিখি থকা সময়তে এবাৰ
বাহিৰলৈ চাওঁতে দেখিলোঁ
আকাশত কপাহী মেঘ
এই মেঘমালা মোৰ ভাল লাগে
কাইলৈ হয়তো এই মেঘমালা নাথাকিব
মোৰ ভাল লগাখিনি থাকি যাব
তাৰেই লিখিব পৰা হ'ব এটা কবিতা
অথবা এযাৰি শ্লোক...



## চলিখৰি

উকা কাগজখন আগত লৈ
মাজে মাজে খুলি চোৱা খিৰিকীৰে
আজিও বাহিৰলৈ চালোঁ ঃ
কুঁৰলীৰ মাজে মাজে কান্ধত
কুঠাৰখন লৈ দেউতা গৈ আছে

হাবি ভাঙোতে ৰৈ যোৱা গছৰ মূঢ়া এটাক
অকলে পাই আঘোণৰ কুঁৰলীয়ে ধৰিছে ঘেৰি

গছৰ মূঢ়াক কুঁৰলীয়ে পিন্ধোৱা ৰহস্য-সাজ
কুঠাৰে এপদ এপদকৈ খুলিছে
কেৰাহীৰ গৰম বালিৰ তাপ পাই
উফৰি ফুৰা আখৈবোৰৰ দৰে
যেনি-তেনি ছিটিকিছে চলিখৰিবোৰ

লোৰ দীঘল শলখাত ক'লীয়া অসুৰৰ দৰে কেট্‌লি
আয়ে চিঞৰিছে ঃ পোনা, চলিবোৰ বুটলি আনগৈ
এয়া তোৰ বোটলাৰ বয়স...

আজিও চলি বুটলিম বুলি থাকোঁতেই
হঠাৎ সমুখৰ খিৰিকীখন বন্ধ হৈ গ'ল
হয়তো বোটলাৰ বয়স আৰু নাই
হাতৰ কলমটোকে কুঠাৰৰ দৰে
চলাইছোঁ সাৱধানে যাতে ঘাপবোৰ
ঠন্ ধৰি উঠা গছ-লতিকাত নপৰে

## ওলমা ঘণ্টা

ওলমি থকা টিলিঙা ঘণ্টাবোৰত
থূপ খাই থাকে মৌমাখিৰ জাক
বতাহতে হালে-জালে গুণ্‌গুণায় মিঠা মিঠা গান

ৰাতিৰ গভীৰ নিৰ্জনতা
বৰফৰ দৰে গোট মাৰে
পুৰা নিয়ৰৰ দৰে টোপ্ টোপ্‌কৈ সৰে...
উজ্জ্বল পৱিত্ৰ মংগল মুহূৰ্ত

এই ঘণ্টাবোৰৰ দৰে আমাৰ দশা
শিকলিত ওলমি থকা বৰ্তমান
ঠেলি-হেঁচি থাকিলেহে ওলায় গান
আৰু ইয়াৰ সুৰৰ বিস্তাৰ
সুমধুৰ আৰোহণ-অৱৰোহণ...

ওলমি থকাটো সত্য
সৰি পৰাটো ততোধিক সত্য
সৰি পৰিব বুলি আগতে জানিলে
গছ-বিৰিখে নকৰিব নেকি ফল-ফুল ধাৰণ

শিকলিত বন্ধা আজি আমাৰ ওলমা দশা
যেন বাজি আছে পগলা ঘণ্টা*
অস্থিৰ বীৰ্যহীন বৰ্তমান...

*পগলা ঘণ্টা ঃ সৰুতে চাহ বাগিচাত বিপদৰ সময়ত ‘পগলা ঘণ্টা’ বজা শুনিছিলোঁ।*



## পানী ধৰ্ম

খোলা, দুৱাৰ খোলা কমলা কুঁৱৰী
আন কোনো নহয়
জীৱনৰ অনুকৃতি
পানী

নানা ৰঙে বৰিছোঁ
বিচিত্ৰ পাত্ৰত গঢ়িছোঁ
সাগৰে সাগৰে নীলা ঢালিছোঁ
সলনি হোৱা নাই
পানী

বৰকৈ গাজিছে আজি
কঁপিছে উজনি-নামনি
ঠটা মাটি এৰি মেঘ হৈ আছাগৈ
উভতিবা সৰল মূললৈ বৰষুণ হ'বলৈ
পানী

ঘৰৰ চালে কাটে
বিপদ সীমাৰে মাপে
গাগিনীয়েও জুখি চায়
বৰকৈ মলিয়ালে আম
এইবাৰ মথাউৰিক মানিবানে
পানী

দেহা পানী কৰি
কিনি খাই নিজৰ নিমখ
আওৰাই জীৱন, বাই যোৱা নাও
মুখত এফাকি পুণ্য-বাণী
পানী

সৰি পৰা শুকান গছ-পাতৰ ওপৰেদি
খৰ্খৰাই বগাই
মেটাফ'ৰ হ'বলৈ কবিৰ ঘৰলৈ যায়
পানী

ভয় লগা সপোন দেখি
মাজনিশা সাৰ পাই চঁক খাই চিঞৰা
অ' মা, ডিঙি শুকাই যায়
পানী

জোনাকে-বিষাদে আৱেগত সেমেকে
হুমুনিয়াহে গধুৰ কৰে
তিতি থকা ৰুমালে-গাৰুৰে
দিয়ে সাক্ষী— ঐ ৰাম নিগৰে দুধাৰি
পানী

বাটলৈ চাই চাই চাতকৰ চকু বিষায়
নাদৰ নিভৃত তলিত
জোন-বেলিৰ শৃংগাৰ চাই
থম্থম্কৈ বহি থাকে
পানী



## আকাশলৈ চোৱা ভাল

*(চেঞ্চুৰী কৰি আকাশলৈ চোৱা শচীন তেণ্ডুলকাৰৰ প্ৰতি)*

মাজে মাজে আকাশলৈ চোৱা ভাল
সদায় নাথাকে যদিও শৰৎ কাল

দিনৰ পাহাৰ বগাই ঘামি-জামি ঘৰ সোমাই
হাত পাতি লওঁতে সন্ধিয়াৰ সেমেকা অভ্যৰ্থনা
এবাৰ আকাশলৈ চোৱা ভাল
অথবা ভাবি চাব পাৰি ৰ'দৰ আখৰ দেখি
ৰাতিপুৱা কুঁৱলী কিদৰে আঁতৰি যায়

সকলোৰে এতিয়া এটি মাথোঁ বাসনা
—কিবা এটা কৰি দেখুওৱা
বাসনাৰ এই ট্ৰেফিক জেমত ছিগ্‌নেলৰ বাবে বৈ থাকোঁতে
এবাৰ আকাশলৈ চাব পাৰি
অথবা ভাবি চাব পাৰি চৰায়ে বালিত পুতি থোৱা
কণীবোৰ উম দি বেলিৰ পোহৰে
কিদৰে জগায় ভৱিষ্যতৰ পোৱালি

তুমি খোজ কাঢ়ি ফুৰোঁতে কথা পাতা
কথা পাতি থাকোঁতেও খোজ কাঢ়ি ফুৰা
কথাৰ মাজতো পাতি থাকা কথা
বাঢ়ি গৈ আছে তোমাৰ টক-টাইম
সেয়েহে মাজে মাজে আকাশলৈ চোৱা ভাল
বতৰ নাথাকে যদিও সদায় ফৰকাল

ভিৰৰ মাজত হঠাৎ লগ পাই পুৰণি বন্ধু
বিনিময় কৰোঁতে হৃদয় বাৰ্তা—
বাজি উঠে যদি তেওঁৰ ম'বাইল, যেন এটা বিজ্ঞাপন বিৰতি
তেতিয়াই এবাৰ আকাশলৈ চাব পাৰি
অথবা ভাবি চাব পাৰি ডেউকা কোবাই কিদৰে উৰি ফুৰে পখী

তুমি হাতৰ মুঠিত লৈ ফুৰিছা পৃথিৱী
অথচ বাঢ়ি গৈ আছে আকাশৰ উচ্চতা
মনত আছেনে আকাশত বান্ধি থোৱা আছে তোমাৰ সীমা



## বন্ধন বা বন্ধনহীনতা

১
বতাহত শুকান গছপাতবোৰ লৰিছে
কেঁচাপাতবোৰৰ গম-গতি নাই
শুকান পাতবোৰ যেতিয়া সৰি শেষ হ'ল
কেঁচাপাতৰ লৰিবৰ মন গ'ল
বতাহৰ এতিয়া সময় নাই

২
জীয়েকে মাকৰ পকা চুলি কাঢ়ে
নাতিয়েকে কাঢ়ে আইতাকৰ
মোৰ পকা চুলি কাঢ়িছিল মোৰ ছোৱালীজনীয়ে
এতিয়া মোৰ ছোৱালীজনীৰো চুলি পকিছে
পকা চুলি কাঢ়িবলৈ তাই মোক মতা নাই
তাই বিচাৰি ফুৰিছে ভৱিষ্যতক
যাৰ এডালো চুলি পকা নাই

৩
খালী বটল আৰু পাবলৈ নাই
বটলৰ অতলত বহি থাকে বুদ্ধ
আমি শূন্যৰ দেশৰ মানুহ
খালী হ'লেই শূন্য নহয়— বুজি পাওঁ

৪
ৰাতিটোৰ ভিতৰত বান্ধি থোৱা
এডাল সৌকাৰে শাসন কৰা মোৰ পৌৰুষৰ ঘোঁৰা
মেলা চুলিয়ে আৰু গভীৰ কৰিছে
উজাগৰী আন্ধাৰ ৰাতি
বাহিৰত চেঁচা বতাহৰ সৈতে
বৰষুণে যুঁজিছে এপৰ
আস্তাবলত আদিম অৰণ্য-গোন্ধ
গোন্ধত মাতাল ঘোঁৰা
কদমত চেকুৰি ফুৰে

৫
দপ্‌দপাই জ্বলি থকা জুইকুৰাত
তিনি সন্ন্যাসীৰ নাচ...

৬
এখন অৰণ্য আছিল
তাত বনজুই আৰু আদিবাসী একেলগে আছিল
জুইক ধৰি আনি যেতিয়া ঘৰচীয়া কৰা হ’ল
আদিবাসীবোৰ নোহোৱা হ’ল



## মৃত্যুপক্ষ

মৃতক বৰ স্বাৰ্থপৰ
আনৰ টোপনি খতি কৰি
নিজে ইমান নিখুঁতভাৱে শুব পাৰে

নিজে নাহাঁহে বুলিয়েই আনকো
হঁহাৰ অনুমতি নিদিয়ে
জীৱনৰ একেবাৰে আগত বিশ্বৰূপ ধৰি
এনেদৰে থিয় হৈ থাকে যাতে
কোনেও কাকো চিনিব নোৱাৰে

সময়কো নিজৰফলীয়া কৰি লয়
অকালতে যাতে ভাঙি নেপেলায় শোকৰ ঘড়ী
ঘণ্টা-মিনিট-ছেকেণ্ডৰ কাঁটাত ওলমি ৰয়
নিয়ৰৰ গধুৰ টোপাল আৰু
শুকান বতাহৰ কাঁইট

কৰ্ম-ধৰ্মৰ বাবে সকলোকে সময় লাগে
মৃতকৰো নিজা কাম থাকে
মৃত্যুপক্ষই নকৰে অপৰাধ; ৰাতিটোহে বেইমান
কাৰো কিয় নাহে টোপনি...

## অৱৰোহণ

তেওঁ ওপৰ মহলালৈ গ'ল— ঠিকনা সলনি হ'ল
সংসাৰৰ বস্তু তেওঁৰ নতুন ঘৰলৈ গ'ল
নগ'ল পুৰাৰ বাতৰিকাকতখন— জোৰ কৰা হকাৰ ভাই
হাত পোন হোৱা নাই— টাৰ্গেট নতুন
ওপৰলৈ দলিয়ালে নিজৰ গাতে পৰে

প্ৰথম দিনা উৰি আহি বাতৰিকাকতখনে যেতিয়া তেওঁৰ
চছ্মাযোৰ ভাঙিলে— তেওঁ লগে লগে তললৈ চালে
চছ্মা নহ'লে তেওঁ একো নেদেখে
(সিদিনাৰ প্ৰধান বাতৰি— ইটাৰ ভাতাত নজন শ্ৰমিকক হত্যা)

পিছদিনা কাকতৰ কাঁড়ে আঘাত কৰিলেহি
তেওঁৰ চাহৰ কাপ আৰু গিলাচত
তললৈ নামি আহিব খুজিও তেওঁ ৰৈ গ'ল
য'তে-ত'তে সিঁচৰতি ভঙা কাঁচৰ টুকুৰা
(সিদিনাৰ ঘাই বাতৰি— অপহৃত শিক্ষক পণবন্দী)



কালি আকৌ মিছাইলৰ দৰে কাকতখন আহি
তেওঁৰ টাবত জক্মকাই ফুলি থকা ৰঙা গোলাপত পৰিল
মজিয়াত ছিটিকি গ'ল গোলাপৰ পাহি
সেই তেজত তেওঁ খোজ কাঢ়িব নোৱাৰিলে
(মুখ্য বাতৰি— পিতৃৰদ্বাৰা নাবালিকা ধৰ্ষণ)

আৰু আজি
কাকতখনে এচটা শিল হৈ আঘাত কৰিলে তেওঁৰ কপালত
এইবাৰ তেওঁ তললৈ নামি আহিল—
তেওঁ মাটিত ভৰি দিয়াৰ ঠিক অলপ আগতে
তেওঁৰ প্ৰিয় নেতাজনক গুলীয়াই হত্যা কৰা হ'ল

## প্ৰত্যাৱৰ্তন

আধা পঢ়া কিতাপখনৰ ওপৰত চছ্মাযোৰ
থৈ মানুহজন গুচি গ'ল— প্ৰাৰ্থনাৰ আয়োজন হ'ল

ধনুখনত জুৰি থোৱা কাঁড়পাট এৰি দিলে
কাৰ মুক্তি— ধনু নে কাঁড়ৰ

অহা বাটে সহজ সাজে উভতি গ'ল তেওঁ
এখন নিৰ্বিশেষ মুখ
যি মুখ তেওঁ এদিন মোহাৱিষ্ট হৈ চাব খুজিছিল
মোৰ চঞ্চল আৰ্চীত
কি অস্থিৰ মতি কৈশোৰ আৰু বয়ঃসন্ধি
পিতৃৰ আৰ্চী হ'বলৈ দুৰ্ঘোৰ আপত্তি ঃ
চৌপাশৰ চিনাকি মুখবোৰ, চকু মুদি থাকা
নোকোৰাকৈ ঘৰৰপৰা ওলাই যোৱা কিমান মজা

তুচ্ছ কৰিছিলোঁ তেওঁৰ উপস্থিতিক
কাৰণ তেওঁৰ সাধু হাত চতুৰ দোকানীৰ আগত
প্ৰায়ে এবেগেত চুটি— শেষত পচা চাউলৰ আখল যাত্ৰা
চকুৰ আগতে কিমানে থপিয়াই নিলে
জাকৰুৱা সপোনৰ এমা-ডিমা



দুৱাৰ-খিৰিকীৰ ফাঁকেদি অহাবোৰ সদায়
বিশুদ্ধ গালি আৰু গ্লানি— তাৰে দুটামান
বুটলি তেওঁ সঁচলৈ ৰখা তিয়ঁহ আৰু
ছিঁৰালগুটিৰ সৈতে বেৰত লিপি থোৱা
আজিও মোৰ মনত আছে

আজি হঠাৎ তেওঁ লিখি থৈ যোৱা
দুটামান কবিতা পঢ়ি
তেওঁৰ সেই নিৰ্বিশেষ মুখখনত
বাৰে বাৰে প্ৰক্ষেপ কৰিছোঁ মোৰ মুখ
এনেকৈয়ে কথাবোৰ সলনি হৈ গ'ল
পিতা, তুমি মোৰ পুত্ৰ— মই আদেশ— তুমি পালোঁতা
সিদিনা তুমি উভতি যাওঁতে ময়ো লাখুঁটিত ভৰ দি
খুপি খুপি তোমাৰ পিছ লৈছিলোঁ—
তুমি আকৌ খোজ কঢ়া শিকি বাগৰি পৰি
মাটি খোৱা বুলি...

## অৱশেষ অমিয়া

সকলোৰে অৱশেষ ৰৈ যায়
পূৰ্ণতা য'ত শেষ হয় তাৰপৰাই শূন্যক দেখি
শিলৰ বুকুত থাকি যায় ইতিহাসৰ ইতিকথা
ঘনঘোৰ আন্ধাৰৰ মাজতো থাকে পোহৰকণা
শুকাই যোৱা কুঁৱাটোৰ অটল তলিত
থাকি যায় পানীৰ পিয়াহ
ল'ৰাৰ মুখত প্ৰক্ষিপ্ত হয় বুঢ়াৰ মুখ
প্ৰেয়সীৰ গালত খোৱা প্ৰথম চুমাটোৰ
অৱশেষ ৰৈ যায় শোঁটোৱা পৰা ওঁঠৰ ভাষাত
আপোনাৰ গালত পৰা টুলটোৰ অৱশেষ ৰৈ যায় নাতিনীজনীৰ গালত
যাৰ বাবে প্ৰেমিক চকুৰে তাইক ধুনীয়া দেখে
জুইকুৰা নুমাই গ'লেও থাকি যায় উত্তাপ
সঁচা কথা কোৱাৰ মাজত থাকে মিছাৰ ৰেশ
মিছাত থাকি যায় সঁচা কোৱাৰ তাড়না
অশ্বত্থমা হত ইতি গজ;
আজিৰ মাজত কালি আৰু কাইলৈৰ
মাজত থাকিব আজিৰ অৱশেষ অমিয়া



## পুৰা-বৃত্ত

জীৱন এতিয়া ৰোলাৰ কোচ্টাৰ ৰাইড। জীৱনধাৰী কাকো চিনিব নোৱাৰি। তেজবোৰ পানী। পানী বৰফ। কিমান ডিগ্ৰী উষ্ণতাত গলালে বৰফবোৰ পানী আৰু পানী আকৌ তেজ হ'ব কোনে ক'ব? মঙহৰো একে দশা। পোকে খোৱা দাঁতৰ দৰে সৰি পৰিছে। তাৰ মাজতে দুই-এজনে অতীতৰপৰা দিন এটা বাছি লৈ বকুল ফুল এপাহৰ দৰে শুঙি আছে। শীতৰ প্ৰকোপ বাঢ়িছে। জুই একুৰাও জ্বলাব নোৱাৰি। চগা।

এনে সময়তে শতাব্দী নামৰ ৰে'লখন ৰ'লহি। দীঘল-ডঢ়ীয়া মানুহ এজন ৰে'লৰপৰা নামিলে। সদাব্যস্ত ৰাজপথটোত ৰৈ তেওঁ এবাৰ আকাশলৈ চালে। তাৰপিছত ট্ৰেফিক পুলিচৰ দৰে দাঙি ধৰিলে তেওঁৰ আজানুলম্বিত হাত। সকলো যাতায়াত স্থবিৰ হৈ পৰিল। তেওঁ শূন্যতে আঁৰি দিলে এডাল দীঘল ৰছী। মানুহজনৰ খোজ-কাটল আৰু কিচ্‌কিচীয়া ক'লা চুলিবোৰ দেখি কোনে ক'ব তেওঁ দ্বি-শতায়ু বুলি। ৰছীডাল যি প্ৰথমে দেখা পালে তেওঁ তাৰ ওপৰেদি জঁপিয়াই দিলে। তাৰপিছত জঁপিয়ালে আৰু তিনিজনে— আৰু দহজনে। সকলো পথচাৰীয়ে জঁপিয়াবলৈ আৰম্ভ কৰিলে। কিছুমানে

আকৌ আনক দেখিয়েই জঁপিয়ালে। সদায় একেধৰণৰ
জাঁপ মাৰি আমনি লগাসকলে মাৰিলে বান্‌জি জাঁপ।
এইদৰে প্ৰকৃতিৰ সকলো ৰূপ-তাল-মান-লয় আহৰণ
কৰি কিছুমান জাঁপ মঞ্চত উঠিল। হাঁহি এটা মাৰি
ডাঢ়ীয়া মানুহজন উভতি গ'ল। তেওঁ নিজকে যেন ক'লে—
"মোৰ একো ভুল হোৱা নাছিল।"
তেওঁ যোৱাৰ পিছত মই কেমেৰাত ধৰি থোৱা
তেওঁৰ হাঁহিটো খুলি চালোঁ। হাঁহিটো সাইলাখ
ডাৰউইনৰ দৰে। অত্যন্ত স্বাভাৱিক।



## নিশি কথা

প্ৰত্যাখান দিনৰ নিমন্ত্ৰণ
কি যাচিব আজিৰ দিনে
খুব বেছি একাপ গৰম চাহ বা কফি

বন্ধ কোঠাত ফেনৰ শুকান বতাহত
উৰি ফুৰিছে কেলেণ্ডাৰৰ শেষ তাৰিখ
এতিয়াও দিবলৈ বাকী প্ৰেমৰ শেষ কিস্তি

বাদুলী-চুঙাৰপৰা ওলাই আহা ৰাতি
আন্ধাৰ বিছনা পাৰা
পাৰি দিয়া শীতল নিৰ্জনতা
ৰচনা কৰোঁ নতুন নিশি-সংহিতা

ৰাতিৰ উছৰত গহন আন্ধাৰত
নাঙঠ হয় দেৱতা পুৰুষ আদিম-অৰ্বাচীন
পুৱা সাৰি নিয়া জাবৰখিনিলৈকে চোৱা
পৰি থাকে ঘৰৰ কিমান গোপনীয়তা

## বিষয় তালিকা

সংখ্যাবোৰ মোৰ বাবে অদৃশ্য
তাৰিখবোৰ অদৃশ্য
অদৃশ্য মাহৰ শেষ
গতিকে মোৰ বাবে দৃশ্যমান কিবা এটা কৰিব খুজি
তেওঁ আঁঠুৰা তলৰপৰা ওলাই আহে
উকা কাগজৰ পিঠি এটা লৈ
মাহৰ অনিবাৰ্য তালিকাখন লিখে
আৰু লিখি যেতিয়া শেষ হয়
তেওঁৰ পাকঘৰৰ টেমাবোৰে হালিজালি নাচে
সেই দৃশ্য মই দেখোঁ

তেওঁৰ তালিকা আৰু অস্থিৰতা
দুয়োটা একেলগে মোৰ হাতত পৰে
তেওঁ জানে মোৰ তালিকাভীতি আছে
নেদেখা আখৰেও আমনি কৰে
আৰু তেওঁৰো তালিকাৰ বাহিৰলৈ যোৱাৰ
অহেতুক প্ৰৱণতা থাকে
সেয়েহে তালিকাখন ভাবস্তিৰে পঢ়ি
মোৰ তুলাচনীত উঠাই চাওঁ



আজি তেওঁৰ তালিকাখনত দেখিলোঁ
এটা আচৰিত ফৰমাচ— ১১। কবিতাৰ বীজ
কি এই আজগুবি— কিবা নতুন প্ৰডাক্টহে
তেওঁ ক'লে ঃ তুমি কবিতা নিলিখা বহুদিন হ'ল
আজি বজাৰত পাবানে কবিতাৰ বীজ
(তেওঁ মোৰ সকলো কবিতাৰ প্ৰথম পাঠক)

একো নকৈ মই তালিকা পাঠত মন দিলোঁ
সকলো বস্তু মোৰ চকুত সাকাৰ হৈ উঠিল
দেখা পালোঁ শস্যৰ জন্মচক্ৰ, শ্ৰম-ঘাম-সংগ্ৰাম
পণ্যৰ বিতৰণ, বজাৰ, শুভলাভ অথবা মন্দা-দশা
তাৰ মাজৰ এটা দিনৰ জোনাকীৰ দৰে মই মোক— গ্ৰাহক
এই সকলোবোৰেই হ'ব পাৰে কবিতাৰ বীজ

কোনো বিলাসী সামগ্ৰীৰ দৰে তেওঁৰ নতুন ফৰমাচ
তালিকাৰপৰা মই নিঃসংকোচে কাটি পেলালোঁ...

## মহানগৰীৰ কেমিকেল গধূলি

এইযে পালোঁহি—
কি কৰিব— সুন্থৰিকে এটা মাৰক
তাৰ পিছতে হ'লে বিজ্ঞাপন বিৰতি...

এতিয়া ব'লক ভিৰ ফালি ফালি
কোনেও আপোনাক দেখা নাই বুলি...
হেৰি আগৰ মানুহ, বহি দিয়ক
আগৰ মানুহ বহি দিয়ক...
বাসনাৰ দীঘল জিভাই কেনেকৈ চেলেকিছে চাওক
আপোনাৰ প্ৰিয় জি এছ ৰোড

আগৰ ফাকিটো ঢাকিবৰ বাবে আন এটা ফাকি
ফাকি মাৰি পিছে মনত ৰাখিব লাগে
ফাকিৰ চোলাৰ বুটাম নাথাকে, ছিগে
জীৱনটোওচোন এটা নিৰ্দোষ ফাকি
সময়ে মৰা ফেৰিৱালা চিঞৰ



নিৰ্ঘাত মৰণ জানিও জীয়াই থকাৰ
তাড়নাৰ কি অদ্ভুত ছলনা
গাখীৰৰ দোকানৰ আগত গাড়ী ৰখাই
জল্‌মল্ বিলাতীৰ বিপণিত হেৰায়
কত কেমিকেল গধূলি

বুকুত বিষ ওঁঠত সুখ
ছোৱালীটি মহানগৰৰ কলেজত পঢ়ে
মাজে মাজে হেনো তাইৰ কাষলৈ বাইক এখন আহে
কথাটো মাকৰ বাহিৰে আন কোনেও নাজানে

পলিথিনৰ হাজাৰ ৰঙীন চিলা বতাহতে উৰি ফুৰে
উৰাৰ পিছত পখিলা আপোনাৰ হৈ নাথাকে

এতিয়া খন্তেক আকৌ বিজ্ঞাপন বিৰতি
তাৰ পিছতে আমি আকৌ যাম...

## আপেক্ষিক


তুমি তেওঁৰ গুণমুগ্ধ
দেখা পোৱা তেওঁৰ ওখ অৱস্থান
তোমাৰো তালৈ যাবৰ মন
পিছে বান্ধিব পৰা নাই বাট

তেওঁ প্ৰশংসা কৰে আন এজনক
এখন চহকী মনোজগত
দূৰৰপৰাই দেখিছে তেওঁৰ গুণীজন থকা ঠাই
সেই ঠাইত তেওঁৰো বহিবৰ মন

তেওঁৰ গুণীজন তোমাৰ প্ৰিয় নহয়
কাৰণ সেই উচ্চতা তুমি ঢুকি নোপোৱা
কাণেৰে নুশুনা, বুজি নোপোৱা তেওঁৰ অমাতৰ মাত

তথাপি তুমি আছা বাবেই তেওঁ আছে
তেওঁ আছে বাবেই আছে তেওঁৰ গুণীজন






**হয়তো মুদ্ৰাদোষ**, ২০১৬
লোপামুদ্ৰা প্ৰকাশন, গুৱাহাটী, প্ৰচ্ছদ ঃ কুশল দত্ত

## বাটচ’ৰা

বিশ্বাস কৰক— নাজানো মই কিমানৰ মানুহ
মাজে-মধ্যে চলি আছোঁ
জুইক পুৰিব নোৱৰাৰ দৰে
পানীক ধুই ল’ব নোৱৰাৰ দৰে
ময়ো দেখা নাপাওঁ নিজকে

নিজকে চোৰাৰ যেতিয়া তীব্ৰ বাসনা জাগে
খুব বেছি অনুমান কৰিব পাৰোঁ
কাম চলি যোৱা ধৰণৰ জোখ এটা
মোৰ গাত লিপিত খাই পৰে

মানুহে যেতিয়া কয়— মই বৰ হিচাপ কৰি চলোঁ
ভয় হয় কোনোবাই দেখা পালে নেকি
মই লৈ ফুৰা তুলাচনীখনি
যাৰ এটা মূৰৰ ভৰ সদায় মোৰ ফালে থাকে

কথাবোৰ আজি খোলোচাকৈ কওঁ
কবিতাই দিব জানো অনুমতি
কবিতাৰে যি কথা ক’ব নোৱাৰি
সেই কথা ক’বলৈ এই যাত্ৰাত
বাহিৰলৈ হাত-মূৰ উলিয়াই দিব পাৰি নে নোৱাৰি
তাতে ৰ’ব নে কবিতা
ঢোকাতে ৰ’ব নে কলথোকা
নে কলথোকাতে ঢোকাটো...



## বকুল বকুল

আজিও ভাব হয় এৰি থৈ আহিলোঁ
ক’ৰবাত আপোনাৰ বকুল...
মৰিয়নি মাটিত ফুলা প্ৰথম ফুলপাহ
বকুল বকুল দেহৰ ভূগোল

সেই চাৱনি যি পাহৰণিৰ দ্ৰুত জোকাৰণিতো স্থিৰ, ধ্ৰুব
তাৰ জিলিকনিক আজিও মই স্বৰ্ণকাৰৰ কষটিত থৈ চাওঁ
কল্পনাৰ পাখি পিন্ধি কৰোঁ অৰ্থ-অনৰ্থৰ বিনিৰ্মাণ

কি সেয়া... প্ৰশ্ন নে প্ৰশ্নাতীত, নে
যুৰীয়া শালিকাৰ ৰূপত অসময়ত অহা শুভ সংবাদ
শ্ৰেণীকোঠাতে হাত পাতি লওঁতে যাক
শিক্ষকৰ কাণমলাই লিলিয়ানক বুজাই দিয়া ইহ বাস্তৱ

তথাপি আজিও ভাল লাগে ভাবিলে
গালত পৰা টোলটোৰ বাবেই
অসীমে কিয় ভাল পালে গোটেই মানুহজনী

এৰি থৈ আহিলোঁ বুলি যদি ভাব হয়
কেতিয়াবা আপোনাৰ বকুল
একেখন ঠাইলৈকে আকৌ যাব পাৰি
পুৰণি ৰূপকৰ দলঙেৰে নামি যদিও চুব নোৱাৰি
বোঁৱতী নদীৰ একেখিনি পানী
নৈ-পৰীয়া গছৰ কুঁহিপাতত থৈ আহিব পাৰি হৃদয়ৰ কঁপনি
বতাহে যাক নচুৱাই ভাল পায়...

এতিয়াও সপোনতে দেখা নে লিলিয়ান
ডাঠ ফ্ৰেমৰ চছ্‌মাৰ ফাঁকেৰে অহা সেই প্ৰশ্নবাণ...
তোমাৰ বাৰীত ফুলা প্ৰথম ফুলপাহৰ নাম কি
বকুল...



## জ্ঞান স্থিৰ সৰোবৰ

এইমাত্ৰ গোৱালে দুৱাৰমুখত
বজাই থৈ গ'ল আৰু এটা দিনৰ সূচনা সংগীত
সময় বাগৰি হাত বাগৰি সি হ'ল বে-সুৰা

গোৱালে বাচনত ঢালি থৈ যোৱা জুলীয়াখিনি অলপ অস্থিৰ
পিছে আমাৰ গাখীৰৰ জ্ঞান স্থিৰ
গাখীৰ পুষ্টিকৰ— গ্ৰহণত ৰৈ যায় এটা সন্তুষ্টি
এই কথা গোৱালে জানে বাবে
খুচিমত গাখীৰত মেলি দিয়ে পানী

তথাপি সলনি হয় জানো পানীৰ প্ৰকৃতি
ভাঙি-পাতি শূন্যৰে একো গঢ়িব নোৱাৰি
ফিলিপ লাৰ্কিনৰ দৰে ময়ো ভাবোঁ
গঢ়িবই লাগে যদি নতুন ধৰ্ম এটা
তাত অনিবাৰ্য্যভাৱে থাকিব পানী...

## ফুল ছিঙা মানুহ

আজিকালি ফুলৰ স'তে তুমি বৰকৈ খেলা
ফুলেৰে আৰম্ভ কৰা দিন
বেঙা মেলি মেলি আনৰ ফুলবাৰী চাই
ছেগ বুজি ছিঙি নিয়া আধা ফুটা মাতবোৰ

কাউৰীবোৰেও পুৱাতে জাবৰ খোঁচৰে
বেলিটো আকাশত, সেন্দূৰৰ ফোট কপালতহে ধুনীয়া দেখি

মহানগৰীৰ অলিয়ে-গলিয়ে ফুলবোৰ পীড়িত হ'লে
কোমল পাহি কলি কাৰোবাৰ গচকত পৰিলে
মই প্ৰথমে তোমাক দোষো
তুমি চাফাই গোৱা এইবুলি—
মই নুফুৰোঁ নহয়, পুৱা গোসাঁইহে ফুৰাওঁ
ফুলবোৰো মোক গোসাঁয়েহে ছিঙায়

গোসাঁয়ে ভালপায় নে ফুল
লয় নে ফুল অথবা ফুলকলিৰ গোন্ধ
শুনা— তোমাৰ অজুহাতৰ হাত তেনেই চুটি
ফুলৰ ঈশ্বৰক কেতিয়াও নোপোৱা ঢুকি



## নিষিদ্ধ অঞ্চল

জাৰকালি আবেলি
গৰম কাপোৰেৰে গাটো আমেজ লগাকৈ ঢাকি
হয়তো বৰকৈ নভবাকৈয়ে ক'লা তুমি—
হাতৰ আঙুলিতে চকু এটা থকা হ'লে
ধুৰ্ বুলি নিয়মৰ বিধি-পথালি
চাই ফুৰিলোঁহেঁতেন কিমান যে নোচোৱা ছবি

মৌ-মাখিবোৰে সাজিব পৰা হ'লে শব্দ
কিমান যে ধুনীয়া কবিতা লিখিলেহেঁতেন
পশু-পখীয়ে ক'ব পৰা হ'লে মানুহৰ ভাষা
খুলি গ'লহেঁতেন কত যে বিচিত্ৰৰ দুৱাৰ-খিৰিকী

থোৱাহে ৰস অৰতাৰ,
তোমাৰ গছত গৰু উঠা ছবি
মানুহৰ দৰে পশু-পখীয়ে মাতিব পৰা হ'লে মাত-কথা
মানুহৰ নীতি-নিয়মেও বান্ধিব আটি আটি
পশু-পখীৰ বাবেও ন ফ্লাই জ'ন, ভিছা, পাৰপত্ৰ, নাগৰিকত্ব, আধাৰকাৰ্ড
কোনে দিব গেৰাণ্টি, উৰি ফুৰাৰ আজাদী
জিভা কটা যাব, 'হোৱা' দিও বঁটা পাব

মানুহে শুনি থকাই ভাল কুলি-কেতেকীৰ মৌ-মাত
মইনা, ভাটৌ ধৰি আৰু শিকাব নালাগে
নিজৰে মাত-কথা— আহক বহক খবৰ পঢ়ক

## ধূলিৰ ওপৰত ধূলি জাপি

মই ধূলিৰ ওপৰত জাপিছোঁ ধূলি
কুছিনাৰালৈ আহিছোঁ

অনিত্যৰ মাজত নিত্য ক'ত
কোনে ক'ব
শিল নে শালগছে

আজি তোমাৰ কথা শুনিম
মোৰ আইৰ ভাষালৈ ভাঙিম মৃত্যুক
যাৰ আঁৰত সময়ে লুকুৱাই থ'লে মোৰ পিতাক

কুছিনাৰা কমাৰ কাঠফুলা আৰু চিৰ আনন্দ

এজাক বতাহে শালগছৰ পাত লুটিয়াইছে
তাতে মই পঢ়িলোঁ তোমাৰ মনৰ জোনাক
আত্ম দীপো ভৱঃ

এয়া চোৱা, কমাৰৰ ঘৰত তুমি খোৱা
কাঠফুলাৰ এৰেহাখিনিৰ দৰে
মই পুতি পেলাইছোঁ শোক

কুছিনাৰালৈ আহিছোঁ
ধূলিৰ ওপৰত জাপিছোঁ ধূলি...

*টোকা ঃ কুছিনাৰা বা কুছিনগৰ ঃ বুদ্ধৰ মহাপৰিনিৰ্বাণৰ ঠাই।*



## গৰখীয়া

মোৰ আগে আগে দৃঢ় খোজে
এজন আদহীয়া
মাজে মাজে তেওঁ নিজকে কিবা কয়
নিজৰ স'তে কথা পাতিব পৰাকৈ
তেওঁ ঘূৰাই আনিছে পালৰ সকলো গৰু

মই তেওঁৰ পিছে পিছে
ইচ্ছা হ'লেও নিজৰ লগত কথা পাতিব পৰা নাই
মই মেলা গৰুজাকে ঘাঁহ পোৱা নাই

মোৰ ওঁঠৰ পদূলিত আজিও আছে
এখিলা কুমলীয়া আঁহত পাত...

## হাতৰ হেতালি

*Things fall apart*
*The centre cannot hold...*
*– W B Yeats*

ইমান ইমান হাত
ন পানী, উজানৰ মাছ
হাতে খামুচি ধৰি হাত
সাজে ৰজাৰ দৌল
সকলো বাটৰ মূল

নামাতো বুলিও মাতোতে আহিল
ক'ৰ এইজাক ক'লী কুকুৰ
ধেকেছ্‌কৈ ভাগি গ'ল দৌল

হাতবোৰ যেনি-তেনি ছিটিকি
খাল-বাম ভৰি গ'ল

উফৰি পৰা দুই-এখন হাতে মাজে মাজে
বুঢ়া আঙুলি জোকাৰি গায়—
মাছ ধৰ, মাছ ধৰ... বেং
ময়েই কেন্দ্ৰ ময়েই দৌল

বাদ-বাকী হাতৰ হেতালি খেল
এখন হাতৰে কি দৌল সজা যায়...



## শিলৰ সেৰা

১
মায়া কৰি শিল বাদ্যৰ ভিতৰ সোমাল
বাদ্য নবজা হ'ল
মৰা জোনৰ নিশা বাদ্য-গৰ্ভৰপৰা
ওপজিল ক'লীয়া বিড়ালী
সৰিয়হ ডুলিত পুতি থ'লে
এমাহতে হেনো সোণৰ হ'ব

আশাত বন্দী মানুহ
ৰাশিফলে সূচনা কৰে দিন
'ফীলগুড'ৰ সীমিত মাইলেজ
ৰাতিৰ বেৰত হাতৰ আঙুলিৰে সজা
ছায়া ছবি বাঘ ভালুক শহা হৰিণ...

২
তোমাৰ মৰমৰ ছাদত মিলি যাবলৈ
এজাক শিল বন্ধুৰ স'তে
নাচি নাচি আহি আছিলোঁ
ঠিকাদাৰৰ খোলা গাড়ীত
কোন পাকত যে মই কেঁচা ৰাস্তাত
পৰি গ'লোঁ
সিদিনাৰপৰা ৰাইজৰ সেৰাত আছোঁ...

## জেব্ৰা ভাবনা

বান্ধি থোৱা ছাগলীজনীৰ দৰে
বেবাই থকা এটা দিন

মহানাগৰিকৰ এটা পৰিচিত ট্ৰেফিক জেম
বাইকত উঠি উৰি ফুৰিছে পিজ্জা

ট্ৰেফিকে ঠাণ্ডা কৰিব নেকি
আজি আইনুলৰ ধান্দা

তাতে অৱৰুদ্ধ মোৰ জেব্ৰা ভাবনা...



## চকুহাল যোৰ পুখুৰী

তোমাৰ চকুহাল যোৰ পুখুৰী
তাৰ পানীত ফুলা
পদুম ফুলত
তোমাৰ চকুহালৰে সুগন্ধি

মোৰ চকুহাল যুৰীয়া শালিকী
কেতিয়াবা—
চৌৰাচিয়া আৰু জাকিৰৰ যুগলবন্দী

চকুহালে ইটোৰপৰা সিটোলৈ
বৈ যাব খোজে
খাটনি ধৰে বতাহক অথবা দুধাৰি চকুলোক
যি নিজ বাটেৰে ওলাই
নিজতে শুকায়...

চকুহাল ইটো-সিটোৰ
কাহানিও নুফুৰা মিতিৰ

দুয়ো লগা লগি হ'লে
কি কথা পাতিব পাৰে

আনৰ কথা নাজানো
মোৰ চকুহালে অৱশ্যেই ক'ব—
দুয়ো আজিলৈকে দেখা প্ৰিয়তম ছবি
জোনজনী গাভৰু হোৱা...

## দুই-এটা খলকনি

ভাবনাৰ জঁট ভাঙি আমনি লাগিলে
হাতত মোনাখন লৈ বজাৰলৈ যাব পাৰি
পুখুৰীৰ নিথৰ পানীত শিল এছটা মাৰি
তুলিব পাৰি দুই-এটা খলকনি

সন্ধিয়া বজাৰৰপৰা উভতি আহোঁতে
জনপদ এৰি বিচাৰি ল'ব পাৰি নিজান পথ
এবাৰো কোনোফালে নাচাই একান্তে ভাবি ল'ব পাৰি
আহি আছে পিছে পিছে এটা ছায়ামূৰ্তি
নুশুনিও শুনিব পাৰি তাৰ গদহা ভৰিৰ বিচৰণ
ওৰে বাট তাৰ অশৰীৰী শৰীৰৰ চৰ্চা, পিছ লোৱা শিহৰণ
গাৰ নোমবোৰ ডাল ডাল কৰি বুকুত কঁপনি লৈ
উধাতু খাই লৰি যাব পাৰি পোহৰ বিচাৰি

ভাবনাৰ জঁট ভাঙি আমনি লাগিলে অথবা
বজাৰৰপৰা খালী মোনা লৈ উভতি আহোঁতে
আপোন পুখুৰীত এটা খলকনি বিচাৰি
সকলোৰে খেলিব পাৰে এই বিনামূলীয়া খেল

খেলাৰ শেষত ঘৰত সোমাই
খালী কৰা বুলি ভাবি লৈ বজাৰ-বেহানি
মোনাত ভৰাই থ'ব পাৰি আপোনাৰ এই পানীমিঠৈ
সন্ধিয়াৰ হাটলৈ তাক যে আকৌ নিব পাৰি...



## অপ্ৰকাশিত

ল'ৰালিতে ধেমালিতে সৰু আৰ্চি এখন লৈ
তোমাৰ গালে-মুখে সিঁচি দিছিলোঁ বেলি
তেতিয়া তুমি মোক নেদেখিলা
মই উঠি আছিলোঁ এজোপা ৰবাব গছত
আমৰলি পৰুৱাৰ লানিয়ে বেৰি আছিল মোৰ বাট

গছৰপৰা এদিন নামি আহিলোঁ
মাটিত খোজ কাঢ়ি বহুদূৰ পালোঁহি
আগৰ ওখ ঠাইবোৰ এতিয়া যেন কেঁচুমটা

আজিও ক'ৰবাত পকা ৰবাবৰ গোন্ধ পালে
অথবা সৰু আৰ্চিত নিজকে চালে
তোমাক দেখা পাওঁ সেই প্ৰতিমা ৰূপতে

হঠাৎ সকলোৰে চকুৰ আগতে
তুলনাৰ বাবে খোল খাই গ'ল গোটেই পৃথিৱী
চিনিব নোৱৰা হ'ল দেশ-মহাদেশৰ ভেদৰেখা

কোন কাৰপৰা কিমান দূৰৈত পলকতে জনা হ'ল
ভাব-প্ৰতিমাৰ বাবে ৰৈ থাকোঁতে প্ৰতিদিনে
কিমানবাৰ হেৰুৱালোঁ নিজকে

অতীতবোৰ এতিয়া আকৌ ঘটা হ'লে
মোৰ ভৱিষ্যৎবোৰচোন ঘটিলে কেতিয়াবাই...

## একেটি সাৰেং চৰাইৰ মাত

মই ফুল ফুলিছোঁ
তুমি ফুল গোন্ধাইছা
একেজুপি গছৰে গাত

সৰি পৰাৰ ধৰ্ম পাহৰি
মই বৰষুণ-ফুল গোন্ধাইছোঁ
তুমি জুইফুল বৰষিছা
ডালিমৰ ফুল হৈ
দুয়ো বাৰে বাৰে কৰিছোঁ
আসক্তি অপৰাধ...

আজি গাৰ পাহিবোৰ মৰহিলেও
তোমাৰ ফুলাম দৃশ্য মোৰ প্ৰেমত প্ৰকট
মই যে আজীৱন ফুলৰ দৰ্শক

আমাৰ বুকুত আজিও বাজি আছে
একেটি সাৰেং চৰাইৰ মাত...



## বৰষুণৰ বেদীত

আনক তিয়াবলৈ যাওঁতে বৰষুণ নিজেও তিতে
নিজে নাচি আনকো নচুৱায়

বৰষুণৰ টোপাল সকলোতে একেদৰে পৰে
কোনে কিদৰে গ্ৰহণ কৰে বা এৰাই চলে
সেই খবৰ বৰষুণক প্ৰয়োজন নাই

গছে কাৰো পিছে পিছে গৈ নিদিয়ে ছাঁ
ছাঁ বিচাৰি গছৰ তললৈ যাব লাগে

কেঁচা মাটিৰ গোন্ধ ল'ব জনাসকলে জানে
কিদৰে কাতৰে মাটিয়ে আদৰে বৰষুণক
কেঁচুৱাক ভালেপৰ গাখীৰ খুৱাবলৈ নোপোৱা
মাতৃৰ যিদৰে টন্‌টনায় দুগ্ধৱতী স্তন

গহৰা গজা জাৰ্মানী বনবোৰে ঢাকি থাকিলেও
পথৰ দাঁতিত জাৰণিত পৰি থকা
অচল গাড়ীখনো সদায় তিতে বৰষুণত

এদিন এটা তেজাল ঘোঁৰাৰ দৰে গাড়ীখন
দিন নাই ৰাতি নাই জঁপিয়াই ফুৰিছিল এম্বুলেন্স হৈ

আমি জাৰ্মানী বনবোৰৰ কথা নাজানিলেও
জানো, জীৰ্ণ এম্বুলেন্সে কিদৰে গ্ৰহণ কৰে বৰযুণক

গাড়ীখনৰ ভিতৰৰ বতাহত আজিও বৈ থকা
কোনো ৰোগীৰ মৰণকাতৰ চিৎকাৰ, আত্মীয়ৰ কান্দোনৰ ৰোল
আৰু দীঘল দীঘল হুমুনিয়াহবোৰ
নুমোৱাৰ আগতে জ্বলি উঠা চাকি যেন আশাবোৰ
বৰযুণে সকলোকে মুক্তিৰ বাট দেখুৱায়

এই মুক্তিযজ্ঞৰ ধোঁৱাৰ গোন্ধ আমি পাওঁ
যিদৰে পাওঁ শুকান মাটিত বৰযুণ পৰিলে সেই ফুৰ্‌ফুৰীয়া গোন্ধ...



## আকৌ পুখুৰী পাৰত

১
মোৰ ছোৱালীজনীক সিদিনা
আমাৰ পুৰণি পুখুৰীটোৰ পাৰলৈ নিছিলোঁ
য'ত মই সৰুতে সাঁতুৰিছিলোঁ

দূৰৈৰপৰা দেখাজনে ক'ব
পুখুৰীৰ পাৰত আমি দুটাই বগলীৰ দৰে
মাছ ধৰিবলে' যেন জপ্ কৰি আছোঁ

মই তাইক পুখুৰীটোৰ পানী চুবলৈ দিছিলোঁ
চুই চাবলৈ দিছিলোঁ তাৰ চাৰি চুক
যাতে মই এতিয়াও বামতে সাঁতুৰি ফুৰাৰ কাৰণ তাই বিচাৰি পায়
আৰু সাগৰত সাঁতুৰিব নোৱৰাৰ বাবে মোক ক্ষমা কৰি দিব পাৰে...

২
পুৰণি পুখুৰীয়ে দিব নোৱাৰিলে শিহৰণ
তুলিব নোৱাৰিলে তাৰ খলকনি
খান্দিব লাগে পুখুৰীৰ মাজতে আন এটা পুখুৰী
ময়ো আকৌ খান্দিছোঁ মোৰ পুখুৰী
বান্ধিছোঁ তাৰ সেন্দূৰী পাৰ
চাৰি চুকে চাৰিটা খুঁটি
পানীৰ উঁহ চাই
পানী পুঙত পুতিছোঁ নাগমাৰি
ৰহ ঢালি নিকা কৰিম পানী
জিলিকিব জলজ শস্য বিভূতি
আৰু ৰূপহী পাৰৰ কৃষ্টি...

## সুপ্ৰভাত

আপুনি খিৰিকীৰে দেখা আকাশ দূৰলৈ গ'ল

পুৰা দুৱাৰ খুলি যেতিয়া দেখে...
আগ চোতালত ধপ্ধপাই পৰি আছে
এটা আধামৰা কাউৰী আৰু
তাকে দেখি পোহনীয়া কুকুৰটোৱে যদি যায় খেদি...
আপোনাৰ ঘৰৰ ওপৰত কাউৰী কুলৰ ৰৈ-ৰমলি
কাচিৎহে নুশুনাকৈ থাকে

পুৰা পিছ দুৱাৰ খুলি দেখে...
নিগনি এটা মুখত লৈ মেকুৰী এটা দৌৰি গ'ল
নাদৰ পাৰত সাপে গিলিছে ভেকুলী
খৰালি নৌহওঁতেই শুকাই গ'ল আপোনাৰ নাদৰ তলি

এনে এটা পুৱাই কি দিব পাৰে

তথাপি কাষেৰে পাৰ হৈ যোৱা চিনাকি মানুহজনে
আপোনাক সুপ্ৰভাত বুলি ক'লে আপুনিও যেন
সুপ্ৰভাত বুলি ক'বলৈ নাপাহৰে
হওকচোন তেওঁৰ প্ৰভাত সবল-সুঠাম
আগবঢ়াই দিয়ক এখন নিৰোগী হাত...
সুপ্ৰভাত



## কিছুমান প্ৰশ্নবোধক

(প্ৰয়াত পিতৃ সুশীল চন্দ্ৰ বৰুৱাৰ পূণ্যস্মৃতিত)

১
সংসাৰখন ফুৰি-চাকি আহি
আকৌ তোকেহে দেখি
বুঢ়ী মাৰে দিলে সেই চিনাকি মিঠা গালি—
এই মৰিব নজনাটো...

জীয়াই থকাসকলেহে লৈ ফুৰিব লাগে ফটোসহ বৈধ প্ৰমাণ
ডেথ চাৰ্টিফিকেটত নাথাকে মৃতকৰ ফটো
আম এটা আঁকি তাৰ তলতে
আম বুলিতো নিলিখা তুমি

কিয় সুধিলা— কেতিয়া মৰিলে মানুহজন
ডেকা নে বুঢ়াকালত?
সুধিছা যেন কাৰ ওজন বেছি
এক কিলোগ্ৰাম কপাহৰ নে এক কিলোগ্ৰাম শিলৰ?

২
তুমি পৰ হ'লা
অলপ আগতেহে তোমাক পৰ দি আছিলোঁ
আপোন-পৰ
ইপাৰ-সিপাৰ
ইমান যে টোপনি নিখুঁতভাৱে শুব পাৰা

কাকো নোকোৱাকৈ ঘৰৰপৰা ওলাই যোৱাৰ কি মজা
তুমি ক'ৰবালৈ ওলাই গৈছা...

ধনুখনত জুৰি থোৱা কাঁড়পাট এৰি দিলে
কাৰ মুক্তি— ধনু নে কাঁড়ৰ?



## আমাৰ শ্বেইক্সপিয়েৰ

Soul of the Age
The Applause! Delight! the wonder of
Our stage! my Shakespeare rise...
– Ben Jonson

কালিয়েই ভৰিল পৃথিৱীৰ নাটঘৰ
খালী নাই এখনো আসন, ভৰিতব্যৰো চুক-কোণ
আজিও লিখা নাই নাটক
গ্ৰীক ৰোমান ৰজাবোৰ আৰু তেওঁলোকৰ
বংশলতা, ৰোমান আৰু ক্যান্ট্ৰীমেনে সাৰ পোৱা নাই
সকলো শুই আছে ইতিহাসৰ ৰঙচুৱা পাতত
সেয়া, মেকবেথো লালকাল নিজৰ নিৰ্দোষ টোপনিত

ব্যাকৰণ পঢ়ি উঠি
খুব বেছি দুই-এটা গ্ৰীক্ লেটিন অক্ষৰ
তাৰ পিছত কেনেকৈ পঢ়া মানুহৰ সমুদায় মন
শব্দ-শব্দ-শব্দ

তেতিয়াৰপৰা এই শৰতলৈকে
নাটঘৰত বহি থকাসকলে নাজানে
তেওঁলোকৰ দেহা ধনী কৰা মনবোৰ তাত নাই
সকলোবোৰ তুমি পঢ়ি আছা পঢ়াশালিত
আৰু এভনৰ আপোন পৰীক্ষাগাৰত
এচাকি তেল পুৰি তুমি লিখি আছা
সদৌ ভাৰৰীয়াৰ ইহ আৰু ভাবীকালৰ বচন
চুই আছা আৱেগৰ প্ৰতিডাল সূতা

জ্ঞানত ৰাখিছা মানুহৰ ইন্দ্ৰিয় আৰু পাৰ্থিৱ
আচৰিত! কোন বিন্দুত লগালগি হ'ল
দৰ্শকৰ বিপুল দাবী আৰু তোমাৰ সৃজনী যাদুকৰী

তোমাৰ পত্নী এনী অন্তঃসত্ত্বা
আঁৰ কাপোৰ তুলি ধৰা, জন্ম হ'ব নাটক
পৃথিৱীৰ সকলো মানুহে মাতিব চিৰন্তন বচন
ভাষা পুৰাতন, ছন্দ তাত গৌণ
তুমি পঢ়া মানুহৰ মুখ আৰু মুখা
তুমিহে খুলিলা পৃথিৱীৰ মানুহৰ আধা খোলা দুৱাৰ

মই তোমাৰ আপেলৰ বাগিচাত বহি আছোঁ
তুমি নাই— হয়তো চিকাৰলৈ গ'লা
পহু খেদি ফুৰোঁতে কিজানি নিজৰ হাততে ধৰা পৰিলা
সকলোৰে উগাৰি দিয়া ভঙা হৃদয়ৰ টুকুৰা গোটাই
ময়ো বিচাৰি ফুৰিছোঁ ইয়াত আদৰ্শ ৰজা

তোমাৰ এভনৰ বাগিচাত বহি
এনীয়ে গুঁথা কোমল হাতমোজাযোৰ পিন্ধি
মই বিষয় আপেল ছিঙিছোঁ
মোৰ অথে'লীয় ছালৰ স্পৰ্শ আপেলত লগা নাই
তাকে দেখি হয়তো তুমি ক'লাহেঁতেন
ৰাজীৱ, তুমিও!

*(উইলিয়াম শ্বেইক্সপিয়েৰৰ ৪০০বছৰীয়া স্মৃতিদিৱসত শ্ৰদ্ধাৰ্ঘ্য)*



## কবিতা কেঁচকলি

১
অকণমান নুজুৰিলে
অলপমানহে বাকী থাকিল...
ইয়াকে লৈ কেতিয়াবা আক্ষেপ
কেতিয়াবা সন্তুষ্টি

অকণমানে নোজোৰাৰপৰা
কোনোমতে জোৰালৈ বৰ বেছি দূৰ নহয়
পিছে ভালকৈ জোৰাৰ বা অনায়াস কৰাৰ বাবে
যাব লাগে বহু যোজন বাট

অকণমান নোজোৰাৰপৰা
ভালকৈ জোৰাৰ মাজত কি যে বিশাল ব্যৱধান...
জীৱন-মৃত্যু
স্থিতি-অনুপস্থিতিৰ দৰে

২
চেনেলত বহি 'বিশিষ্ট'জনে কৰি আছে আলোকপাত
তথাপি ইমান এন্ধাৰ এই মুলুকত

মানুহ আছে
সমস্যাইহে আঁৰ কৰি নেদেখা কৰিছে
কোন ডাঙৰ, মানুহ নে সমস্যা?

৩
ভিতৰৰ শিশুটো যদি
জীয়াই নাৰাখে
কাৰ স'তে খেলিব আপুনি আবেলিৰ বেলি

৪
দুখন দুৱাৰেৰে ঘৰটোত
ওলাব-সোমাব পাৰি
মই অহা-যোৱা কৰোঁ খিৰিকীৰে
য'ত উৰি থাকে মোৰ ভাবনাৰ পতাকা...

৫
হৰিৎ পথাৰত
সেউজীয়া জাচী পিন্ধা
খেলুৱৈ প্ৰবীণ— ফৰিং কাই

৬
লিখিছানে তোমাৰ কবিতা
উঠিছেনে বৰশীত মাছ
ভাবনাই বৰকৈ খুঁটিছে
কবিতা জীয়ন দিয়া মাছ



৭
মোৰ টেবুলৰ গোলকত
বগাই আছে এটা পৰুৱা
কালি সি মোৰ কম্পিউটাৰৰ
মনিটৰত বগাইছিল
হয়তো মিঠা ছফট্ৱেৰৰ সোৱাদ লৈছিল

৮
দেওবাৰে আই ক'লৈকো নোলায়
আগচোতালত দুখবোৰ ৰ'দায়
ৰ'দ নোলোৱা দিনা
আইৰ দুখ কুলাই-পাছিয়ে নধৰা হয়...

৯
চ'তমহীয়া নৰিয়াত পৰিছে বিহুৱা
কেঁচা বাঁহত ধৰিলে ঘুণ
বেজী আন বটিয়া আন
সী লওঁ বিহুতলীখন

১০
খুলিবৰ বাবে বন্ধ হৈ থাকে দুৱাৰ
ঘন নিশ্বাসে গধুৰ নকৰিলে বতাহ
চকু-মুখ নপৰিলে ৰঙা-ছিঙা
নগলিলে বৰফাৰণ্য
দূৰ হয় জানো দ্বিতীয় ক্ষুধা...

১১
কাব্যিকতা কৰিব পৰাকৈ
নদীখনত পানী নাছিল...
তথাপি নদীত নামিছে
কাটি পেলোৱা নখ এটাৰ দৰে জোন...

১২
কটাৰী ধাৰ কৰিবলৈ অহা মানুহটোৱে
ৰেপি ৰেপি কাটিছে মোৰ নিৰ্জন দুপৰীয়া...
নাজানো কিহেৰে ধৰায় তাৰ মাত

১৩
মোৰ ডায়েৰীখনৰ এখিলা পাতত
এটা অপূৰ্ণ কবিতা
ষ্টি'ভ জব্‌ছ— এটা আধাখোৱা আপেল

১৪
বানপানীয়ে ধুৱাই থৈ গ'ল ইস্তানবুল
পথৰ পলসত
সপোনৰ স'তে খেলি ফুৰিছে অৰহান পামুক



১৫
দেউতাৰ কাহটোৱে ৰখি থাকে মোৰ ৰাতি
লাখুঁটিডালে দিনটো
কাহ আৰু লাখুঁটি দুয়োটাকে মই ঈৰ্ষা কৰোঁ

১৬
একেটা বাটেৰে যায় ফকীৰ আৰু ফেৰাৰী
নাই মুখ— বিশেষ
সকলোতে দেখা এই মুখ— নিৰ্বিশেষ

১৭
নতুন এসাজ পিন্ধিলে
দেহ-মন এবাৰো নকৰে যদি ৰাই-জাই
জানিবা তোমাৰ বয়স হ'ল...

১৮
মই শুনো
গুড়িপৰুৱাই চেনিৰ দানা ভঙাৰ শব্দ
শব্দমালাৰ সংগীত বাজিলেহে অৰ্থই নাচে
কবিতাই বিচাৰে এটা জীৱন্ত শৰীৰ

১৯
তেওঁ আন্ধাৰ মুখ
হাঁহিলে কাচিৎ উজলি উঠে
তাতে তেওঁক দেখা পাওঁ জান-নেজান

২০
পিঠিৰ ফালে সদায় পিঠি দিওঁ
যেন নিজৰ নহয়
দেচোন দে পিঠিখন খজুৱাই দে...

২১
ফুটপাথত হঠাৎ পুলিচৰ হুইচেল
পাছিত উঠি ভোট-জলকীয়াৰ পলায়ন



## নেন' জীৱন

এই শৰীৰটোক মই আকৌ তুচ্ছ কৰিছোঁ
যাক কেতিয়াবা নিজেই নিচিনা হওঁ
কি প্ৰয়োজন এই বিৰাট বপুৰ
য'তে-ত'তে ইমান ভিৰ-ভীতি, বক্ৰতাৰ যুঁজ-বাগৰ
পদৰ ওপৰত পদ আৰু বিপদ
ঘাই সমস্যা আজি আউটি প্ৰধান
কোনে কাৰ বাবে ৰাখে সৰু-বৰ অৱকাশ

মোৰ নতুন বীজ গজিছে
যুগপৎ খহাই পেলাইছোঁ শৰীৰৰ মাংসল ভাৰ
মই পূৰ্ণ ৰূপত ওলাব খোজোঁ
সকলোৱে দেখক মোৰ পুৱা
গা আৰু গৰ্ভৰ মটীয়া ৰং

ঊৰ্ধ্বমুখী গছৰ আগলিক
পচা ডাল-পাতৰ প্ৰয়োজন নাই
সৰু কায়া এটা হ'লেই হ'ব মোৰ উদ্‌যাপন

হয়তো তুমি ভাবিব পাৰা
পুৰুষালি দেখনৰ দেহ বলেহে পূৰায় যৌৱনৰ জৰুৰত
ব'ব পাৰে সময়ৰ ছয়খৰীয়া ডাঙৰিৰ ভাৰ
মিতাব পাৰে শিল খাই হজম কৰা ভোক
যৌৱনক সাৰথিৰ প্ৰয়োজন ক'ত
যৌৱন নিজেই এটা বিপুল শক্তি

ক্ষুদ্ৰতে জী থাকক মোৰ বিশাল ইচ্ছাধাৰী জীউ
বাধাহীন গভীৰ আশাবাদৰ আয়ু...



## কাৰ আগত ক'ম

মই স্বীকাৰ কৰিব খোজোঁ অতীতৰ ভুল
কাৰ আগত ক'ম— শুনিবলৈ কাৰো সময় নাই
বতাহক মাতিছিলোঁ— শুনি বিয়পাই দিয়ক
পিছে বতাহৰ সময় নাই— এতিয়া বসন্ত কাল
নিচুকাব লাগে গছৰ কোমল কুঁহিপাত

ৰ'দক শুনাব খুজিছিলোঁ মোৰ ভুলৰ দস্তাবেজ
ৰ'দেও শুনিব নোখোজে— কমি যাব পাৰে চোক
আৰু বৰষুণ,
হ'ব পাৰে ভাল শ্ৰোতা
পিছে বহুদিন দেখা-দেখি নাই

মোৰ কাষতে থকাজনক শুনাব খুজিছিলোঁ কথাবোৰ
তেওঁ ক'লে— "মই অতীতত নকৰোঁ বাস
মোৰ বাবে বৰ্তমানটোৱেই ভাল"

মানুহ আছে— অথচ
আনৰ ভুলৰ ভাৰ লৈ কোনেও নবঢ়ায় জঞ্জাল

আজি মই থিৰাং কৰিছোঁ— সোনকালে সাৰ পাম
ভুলবোৰ ক'ম পুৱাক
য'ৰপৰা সদায় আৰম্ভ হয় দিন

## বৰ্তমানৰ শোকগাথা

মৰণ আমৰণ কৌতূহল
আকস্মিক আঘাতৰ ধল যেতিয়া নামে
জীৱনৰ পাৰ বান্ধি কোনেও নাপায় আহৰি

আপোন জ্ঞানেৰেও যেতিয়া বুজিব নোৱাৰি আপোনক
বলে নোৰৰা শিলক পৰি নমস্কাৰ

আপুনি মই আজিৰ মানুহ, যুক্তিয়ে পৰশা মন
ন্যায্যতা দিয়াৰ প্ৰয়াস কৰোঁ মৃত্যুক
বিচাৰি লওঁ প্ৰতিটো অকাল আঘাতৰ কাৰ্য-কাৰণ
নহ'লে ফিকা হৈ যাব জীৱনৰ ৰং আৰু
কোনো অদৃশ্য হাতে কাঢ়ি নিব পাৰে
আমাৰ মূৰৰ শিতানৰ কোমল গাৰু
হ'লেও হওক সংবেদন উকা কেনভাছ!



সিদিনা হঠাতে অহা বানত মেটেকাৰ দৰে
উটি গ'ল শুকান নদীত নমা এটা জীয়া পৰিয়াল
চকুবোৰ সেমেকিলেও বুকু তৰাং হ'লেও
হুমুনিয়াহে গধুৰ কৰিলেও আমাৰ সুগন্ধি বতাহ
মনে বিচাৰি লয় তাৰ ন্যায্য (?) কাৰণ
পিছে জীৱনক ভাল পালে কোনো মৃত্যুকে
ন্যায্যতা দিব নোৱাৰি

আমাৰ মূৰৰ শিতানতে গাৰুটো থকালৈকে
মাটিয়ে সহি থকালৈকে আমাৰ দেহৰ ভাৰ
সকলো ঠিকেই আছে, এইদৰে চলি থাকক পৃথিৱী
লাগিবলৈ নিদিওঁ আমাৰ কাপোৰত আনৰ
ৰং যোৱা কাপোৰৰ ৰং
হ'লেও হওক সংবেদন এখন উকা কেনভাছ!

## ৰ'দবাহিনী

আজিও মোৰ এই দিন অনৰ্থৰ ফালে গৈ থাকোঁতে
হঠাৎ এটা পুৰণি নাদৰ মুখত
দেখা পালোঁ এটা বাঘ মকৰাৰ জাল
জালৰ সূতাবোৰ ৰ'দ পৰি জিলিকিছে
তিৰ্‌বিৰাইছে মকৰাৰ দেহৰ কেঁচা সোণ বৰণৰ আঁচ
সেই তিৰ্‌বিৰণিৰ তলত
নাদৰ গভীৰ অন্ধকাৰ অতল

কাষতে এটা বাঁহৰ খুঁটা আধা পচা
তাতে বাঘ মকৰাৰ বাহ
বাঁহৰ খুঁটাই আজিও সাক্ষী দিয়ে
পানীৰ বাবে এটা জলপাত্ৰই কিদৰে মানি লৈছিল
এডাল ৰছীৰ সৈতে তাৰ বন্দী দশা

বাঘ মকৰাই কাকো জালত পেলাব পৰা নাই
ৰ'দ বাহিনীয়ে সেই জালত সোমাই নীৰৱে চলাইছে অভিযান
জিলিকি উঠিছে বাঘ মকৰাৰ কেওটা ঠেং
আৰু তাৰ দেহৰ ৰূপালী ৰেছমী পাং

খোদ চিকাৰী মকৰা আজি ৰ'দৰ চিকাৰ
আৰু অথলে নাযায় মোৰ এই দিন...



## ভৰি চুই বিশালতাৰ ফালে

মই দৃশ্যপ্ৰিয় দৰ্শক
অদেখাকো দেখা পাওঁ, অদৃশ্যকো চাওঁ
সদায় চাই থাকিব খোজোঁ সেই দৃশ্য
সমুদ্ৰতীৰত সকলো মানুহৰে ভৰি চুই বিশালতাৰ ফালে
কিদৰে উভতি যায় পানী

মই অনুভৱ কৰিব খোজোঁ কিমান আকুলতাৰে
ব'হাগৰ প্ৰথম বৰষুণে স্পৰ্শ কৰে শুকান মাটিক
গেজেপনি হাবিতো আন্ধাৰে কিদৰে জ্বলায়
জোনাকীৰ উদৰৰ কণ চাকি
স্পৰ্শ কৰিব খোজোঁ ধানৰ সীহলৈ অহা গাখীৰৰ পৱিত্ৰতা
ফুলৰ ৰেণুত পৰা পখিলাৰ পেলৱতা

শুনিব বিচাৰোঁ সকলো নৱজাতকৰ প্ৰথম কান্দোন
গুড়ি পৰুৱাই চেনিৰ দানা ভঙাৰ শব্দ
অনুভৱ কৰিব খোজোঁ— প্ৰথম পৰশত জঁই পৰা লাজুকীলতাৰ সংবেদন
আৰু প্ৰেয়সীৰ গালত খোৱা প্ৰথম চুমাৰ পৰশত আলোকিত হৃদয় স্পন্দন
কৰমৰ্দন কৰিব খোজোঁ পৃথিৱীৰ আটাইতকৈ নিঃস্ব হাতখনৰ সৈতে...

## আধাৰ

এইখন তোমালোকৰ বিছনা— দুজনীয়া
মই জানো তোমালোক পতি-পত্নী
লৌকিকতায়ো দিব সাক্ষী
অথচ বিছনাৰ চুক এটা কিয় ল'লা বাছি
মাজত কিমান যে খালী, অপেক্ষাৰ দীৰ্ঘ শাৰী

ধীৰ শান্তভাৱে তুমি ক'লা—
সেইবোৰ ঠাই নেদেখাই ভাল
সূতা দীঘল হ'লে তাঁত-বাটিত আউল লাগে

তোমাৰ উত্তৰ শুনি তেওঁ ভিতৰৰপৰাই দিলে মাত—
সদায় কাষত শুই থাকিও মই দেখা
সপোনবোৰ যিহেতু তেওঁ নেদেখে
সেয়েহে এই খালী ঠাইবোৰ লাগে
অপূৰ্ণতাক পূৰাব পাৰি অপূৰ্ণতাৰে...

যাত্ৰাৰ শেষ হ'লে অপেক্ষাৰ অন্ত পৰে
ওচৰতে থাকিও তেওঁ ৰৈ যায় দূৰে দূৰে
নহ'লে ক'ত শুনিব এই কথোপকথন
ঃ হেৰা শুনিছানে
ঃ ৰ'বা গৈছোঁ...

খালী ঠাই পাই বাঢ়ে সম্পৰ্ক সন্ধিৰ পুলি



## উৰণ

চৰাইক দেখি ফুলবোৰৰো আকাশত উৰাৰ মন
উৰণীয়া সুবাসে ফুলক কাণে কাণে কয়হি
উৰি ফুৰাৰ কিমান মজা
মৌ-মাখি ভোমোৰাই তাকে নিতৌ সোঁৰৰায়
উৰি ফুৰিবলৈ ফুলৰো বৰ মন যায়

জিএগটোৱে বৰশীৰ ডাঁৰিত পৰি কয়হি
খোঁচা-বিন্ধাৰ কি কাম
উৰি ফুৰাসকলৰহে খুচনাম
মানুহৰ চকুত উৰাৰ সপোন জগাৰ আগতেই
উৰাজাহাজৰ নক্সা আঁকি আকাশত
উৰি ফুৰিছিল ডা ভিঞ্চি

সকলোৱে উৰিব খোজে
আনকি ঘৰৰ দুৱাৰ-খিৰিকীবোৰেও
পিছে মানুহৰ মহাভাৰ বাসনাই
সিহঁতক ৰাখি থৈছে ধৰি-বান্ধি

উৰা ভাবনা মাটিতহে গজে
আকাশত উৰি ফুৰি
আকৌ মাটিলৈ নামি অহা
এইদৰেই শেষ হয় এই পৰিক্ৰমা...

## পাঠ

বৰষুণজাক আহে
কচুপাতত কিবা অলপ আমালৈ থৈ
আকৌ নোহোৱা হয়

শেষ হ'ল যেতিয়া পৰীৰ দেশৰ সকলো সাধুকথা
কটাকটি খেলৰো ৰস-পম গ'ল
আমাৰ শ্ৰেণীকোঠাৰ দুই উতনুৱা
বাজি ধৰি হ'ল ৰাজী—
কোনে খুলিব পাৰে প্ৰথমে ৰহস্য সাজ
কাৰ গাত ফুটিছে চাওঁ ডেকালিৰ গুটি
সহপাঠী হ'ব সাক্ষী, ব'ল বাহিৰলৈ ব'ল
সময় তেতিয়া পানী খোৱা ছুটী

কচুপাতত থৈ অহা জুলীয়াখিনিৰ বাবে
কাৰো কোনো খেদ নাই
মৰি মৰি ওপজে জোন
আদি বীৰ্য্য ধন পানীৰ জীৱন
এইদৰেই লিখি থোৱা ভাল আমাৰ ল'ৰালিৰ ডায়েৰী...
ஒ ஒ



## হয়তো মুদ্ৰাদোষ

আপোনাৰ ভংগিমাতে আপুনি থাকে
অৱশ্যে সহজভাৱে
হয়তো মুদ্ৰাদোষৰ দৰে

জড় আৰু জীৱন সকলোকে
আপোনাৰ স্পৰ্শ লাগে
জোকাৰি থকা হাতখনে যেতিয়া সঁহাৰি নাপায়
আঁঠুৰে নীৰৱে সামৰি থয়
আগৰ খোজবোৰতে নতুনে খোজকাঢ়ে

ক'ব নোৱাৰে ভেঙুচালিবোৰত আপুনি নাই
অৱশ্যে অসতৰ্ক অদৃশ্য ভাবত

আপোনাতে সিদ্ধ আপোনাৰ হাত
তাকে জানো নকয় সিদ্ধহস্ত
হাতৰ তলুৱাতে ভাগ্য ৰেখা আঁকি
বিধিয়েও দিছে তাতে মোহৰ মাৰি...
ஒ ஒ

## লাজৰ ৰেটিং

নেদেখাৰ কিহৰ লাজ
দেখাৰহে লাজ-বীজ
সিদিনা সহকর্মী পুষ্প বৰাক সুধিলোঁ
আপোনাৰ লাজ লাগেনে কেতিয়াবা
সিদিনাও কঠিনক কোমল কৰি
খেপিয়াই খেপিয়াই মোৰ হাতত ধৰি তেওঁ ক'লে—
তেওঁ মনৰ চকুৰে দেখে
লাজৰ ঠাইত আজিকালি লাজক নেদেখি
থিতাতে মৰি যোৱা যেন লাগে



## খেলুৱৈসুলভ

আমি জীৱন বৃত্তৰ অংশকালীন কর্মচাৰী
আগত এটা দীঘল কর্মদিন
কোনোমতে পাৰ হওক দিয়া আজিবোৰ
কাইলৈ আহি আছে এটা মজাৰ দিন
বিশেষ একো নাই
ভাৰতক জিকাব লাগে আৰু এখন খেল

## শিপাই বিচৰা মাটি

স্মৃতিৰ ঘৰত ওখ হৈ থকা দেৱালখনৰ
ইটাবোৰৰ এটাও যাতে নপৰে খহি
আমি চহৰীয়া মানুহবোৰে বহুত কামেই কৰোঁ

গাঁৱত এৰি থৈ অহা বকুল বিৰিণাবোৰ
কেতিয়াবাই মৰি উছন হ'ল বুলি জানিও
তাৰ গোন্ধ-ভাপ এতিয়াও পাওঁ বুলি
বিৰিণা বনৰ সুহুৰি আজিও আহে উৰি বুলিয়েই
চহৰীয়া মন মাটিত গজাব বিচাৰোঁ
অচিন অঘটনৰ গুটি কিম্বা আজগুবি

যথা— খুব বেছি তিনিফুটীয়া উপপথটোৰ নাম হ'ব পাৰে
বকুল পথ বা বিৰিণা পথ— তাৰ মাজে মাজে আকৌ এমুঠন বোকাপানী
নহ'লে 'সৰণি'বোৰে ল'ব ঠাই অধিকাৰ কৰি

চহৰৰ বায়ু-পানীয়ে নুশুজে বুলি নাহিলেও আই
ড্ৰয়িংৰুমত সজাই থ'ব পাৰি যাক
এৰা— ঘৰৰ পিৰালিত গছৰে বয়স লেখি বহি থাকে জন্মদাত্ৰী
পকা চুলিয়েদি নামি আহে— কাণিমুনি গধূলি

ছাতৰ ওপৰত টাবতো ফুলিব পাৰে হাঁহিচম্পা ফুল
কিন্তু ফুলগছৰ শিপাই বিচাৰে মৰিয়নি মাটি



## প্ৰতাৰণাৰ প্ৰথম কাহিনী

প্ৰথম প্ৰতাৰণাৰ নাম ম'ৰাচালি
ময়ূৰ আৰু বেলি
দুয়ো সদ্য পতি-পত্নী
পখীকুলৰ মাংগলিক উৰুলি
জোন আৰু তৰাবোৰ তাৰ সাক্ষী

বেলিৰ স'তে আকাশত সাতপাক ঘূৰা
ময়ূৰে মাটিলে চাই তধা লাগিলে
তলত সেয়া কোন ৰূপৱতী
বেলিতকৈও তাইক ধুনীয়া দেখি

বেলিৰ শপত উচুপনি একোকে নুশুনি
ময়ূৰ মাটিলে আহিল নামি
মাটিয়েহে দিলে ভ্ৰম ভাঙি
আগেয়ে জনা হ'লে তাই সৰিয়হ ফুল বুলি

ময়ূৰৰ আকাশ চিৰকাল মাটি হৈ গ'ল
পোহৰৰ বাদে বেলিক আৰু নেদেখা হ'ল
পুৱা যেতিয়া সি পেখম ধৰে
উপবাসী বেলিয়ে বৰকৈ কান্দে
বেলিৰ চকুপানীবোৰ ময়ূৰৰ পাখিত পৰি
মুকুতাৰ দৰে তিৰ্‌বিৰাই উঠে

প্ৰথম প্ৰতাৰণাৰ নাম ম'ৰাচালি...

## প্ৰতাৰণাৰ দ্বিতীয় কাহিনী

প্ৰতাৰণাৰ দ্বিতীয় নাম মেকুৰী
মাছ নহয় জিজি
বনৰ বাঘ আৰু তাৰ মেকুৰী মাহী
একেটা চোঙতে আছিল হাঁহি-মাতি
দুয়ো একেটা চিকাৰকে খেদি খেদি
ঠেঁটুৱৈ ধৰা জাৰত একেলগে কঁপিছিল
একুৰা জুইৰ কথা একেলগে ভাবিছিল

জাৰ সহিব নোৱাৰি দুয়ো ওলাল
মানুহৰ জুই বিচাৰি...

সৰু সুৰুঙাৰে সাউতকে পাৰ হয় মাহী
বাঘ ভাগিন বাহিৰতে ৰয়
মানুহৰ ঘৰৰ মজিয়া
মেকুৰী খোজেই সুচল

মেকুৰী মাহী মানুহৰ জুহাল পালেগৈ
জুইৰ সেক আৰু মাছৰ জুতি পাই
সিদিনাৰপৰাই তাই ঘৰচীয়া হ'ল

বনৰ বাঘ বনতে ৰ'ল
আমাৰ কাপোৰ-কানি ক'লা হ'ল

প্ৰতাৰণাৰ দ্বিতীয় নাম মেকুৰী মাহী
মাছ নহয় জিজি



## খিৰিকী লৈ ফুৰা মানুহ

মানুহজন য'লৈকে যায় খিৰিকীখন লৈ যায়
খিৰিকীৰে চাই ফুৰে তেওঁ সাজিম বুলি ভবা অথচ আজিও নসজা
তেওঁৰ নিজা ঘৰ, এগৰাকী ভাবী পত্নীৰ মুখ আৰু হ'ব লগা সন্তান
এই খিৰিকীৰেই দেখা পায়— তেওঁলোকৰ ঘৰলৈ আহিব লগা
মিতিৰ-কটুম, অতিথি, চোৰ, দগাবাজ, ভিক্ষাৰী, চান্দা খোজা মানুহ
হকাৰ, ডাকোৱাল, গোৱাল আৰু পানী বিচাৰি অহা আৰ্তজন

তেওঁ লৈ ফুৰা খিৰিকীখনেৰে অবাধে ওলায়-সোমায়
ৰ'দ, বতাহ, ডাৱৰ, জোনাক, ধূলি ধোঁৱা, গোন্ধ, ভাপ, তাপ
জোনাকী পৰুৱা, চৰাই, পখিলা, মৌ-মাখি, ভোমোৰা আৰু পপীয়া তৰা
জোৰকৈ সোমাই আহে ফাগুনত বিলাবলৈ থোৱা শুকান পাতৰ চিঠি
বতাহত উৰি ফুৰা তেওঁৰ নসজা ঘৰটোৰ নক্সাৰ ৰঙচুৱা পাতখিলা

তেওঁৰ খিৰিকীৰে আন্ধাৰতো দেখা পায় ভাবীকালৰ পৃথিৱী
ভাৰত ভাগ্যলিপি, দুৰ্ভিক্ষ, সিদ্ধি, ছেনছেক্সৰ উঠা-নমা ছবি
স্পষ্টকৈ দেখি তেওঁলোকৰ ঘৰৰ বাৰীত গজিবলৈ ৰৈ থকা ঘাঁহ-বন
গছ-গছনি আৰু তাত বাহ সাজিবলৈ ৰৈ থকা বাৰীসুন্দৰী চৰাই
জগিবলৈ ৰৈ থকা গৰু-ছাগলী, নিগনি, পইতাচোৰা, জেঠী
আধা সজা কেঁচুমটাৰ কাৰেং, গণেশ আৰু লাফিং বুদ্ধ মূৰ্তি

তেওঁৰ খিৰিকীৰে ডালিকো দেখে যি তেতিয়াও অঁকা নাই
ভিজা কাপোৰেৰে খিৰিকীৰ কাষত ৰৈ থকা তেওঁৰ ভনীয়েকৰ ছবি
মানুহজনে লৈ ফুৰা খিৰিকীখন সদায়েই খুলি থয়
তেওঁৰ খিৰিকীৰে আমি তেওঁকে চাওঁ, আমাৰ চকু চোৰাংচোৰা

এদিন হঠাৎ মৃত্যুৰ বতাহে খিৰিকীখন জপাই দিব
সিদিনাই হয়তো তেওঁৰ মানস ঘৰটো মাটিতে সাজিব



## কবিতা

একে সময়তে তেওঁ আছে আৰু নাই
মাজে মাজে তেওঁ অৰ্থ বা অনৰ্থক বিচাৰি ফুৰে

হেমন্তত যেতিয়া গছৰ পকা পাতবোৰ সৰি
ডালবোৰ লঠঙা হৈ পৰে
উভতি অহাৰ বাট হেৰুৱাই
তেওঁ গছৰ ফেৰেঙনিত বহি থাকে

তাৰ ঠিক তলতে তেওঁৰ নাতিহঁতে
বালিঘৰ সাজে অথবা লুকাভাকু খেলে

তেওঁ কাক জানো চিএঞৰি থাকে—
মোক সংসাৰলৈ আকৌ লৈ যোৱা
একে একে দুই হওক...

হে য়াহোডা, সঁচাকৈয়ে মানুহৰ সময় নাই
এটি মাথোঁ জীৱন, সামান্য অৱকাশ
তাতে নিজকে হেৰুৱাবও লাগে, বিচাৰিবও লাগে
একেখন হাতেৰে দলিয়াবও লাগে বুটলিবও লাগে
একেযোৰ চকুৰে কান্দিবও লাগে হাঁহিবও লাগে
অথচ একেবোৰ কামকে কৰিবলৈ
ইতিহাসক লাগে শ শ বছৰ

মোৰ দেউতা সমতলৰ সাধাৰণ জীৱন
ৰজা-মহাৰজাৰ কথাৰেহে ভৰি থাকে ইতিহাস

গছৰ লঠঙা ডালবোৰে প্ৰতিটো হেমন্ততে কয়—
সকলোৰে বাবে আছে আমাৰ অৱকাশ



## প্ৰাগত প্ৰাতঃ ভ্ৰমণ

*A man does not mean anything*
*But the place...*
— *জয়ন্ত মহাপাত্ৰ*

প্ৰাগৰ এই পুৰা-প্ৰহেলিকা
এটা সজাই বিচাৰি ফুৰিছে পৰিভ্ৰমী চৰাই
আৰু মই সজাটোৰ পাছে পাছে
ৰুদ্ধ আৱেগ আৰু সপোন শিলে গঢ়া খলা-বমাত
খুপি খুপি খোজ কাঢ়ি তোমাক বিচাৰিছোঁ

ঘৰত থকা হ'লে আজি পুৱা
বাৰীৰ বকুল ফুল বুটলিলোঁহেঁতেন
মোৰ পৰ্য্যটক চকু মেলিব পৰা নাই
সকলোতে প্ৰকৃতি স্থপতিৰ হাঁহি
উৰি ফুৰা অপ্সৰা-দিব্যজ্যোতি

মোৰ স'তে প্ৰায় একেলগে খোজ কঢ়া
চেক্ মানুহজনে চতুৰ চকুৰে চাই দিয়ে সমিধান—
তিনিখন দলং পাৰ হৈ যাব লাগিব
পিছে দলঙে নহয় ভেলত'ভাইহে বাট দেখুৱায়

ভাঁজ লোৱাৰ আগতে বিদায় পৰত
এই নদীখনে মোক সুধিলে— তুমি অন্ধ নেকি
যাজকেও সুধিছিল যোচেফ কে'ক এই প্ৰশ্ন

তিনিখন দলং নহয়
একেখন ছাততে তিনিচকীয়া গাড়ী
চেক্, জাৰ্মান্ আৰু ইহুদী
তলৰ মহলাত এখন মনোহাৰী দোকান পাইকাৰী
তাতে তোমাৰ জীৱনৰ আদিপাঠ
মাৰ্কেজৰ মাততো শুনি তোমাৰ মাত

তুমি ঘৰত নাই
বন্ধ ঘৰৰ সমুখত তুমি ট্ৰায়েলত থৈ যোৱা
সেই দঁড়ীয়া দ্বাৰপাল
আৰু মই
সেই ন্যায়প্ৰাৰ্থী গঞাজন
দুৱাৰ খোলাৰ বাবে আছোঁ বাট চাই
পিছে— “দুৱাৰ মুকলি ক'ত?”



## মালিকৰ দুৱাৰ

চিচাৰ গিলাচত লালচাহ এঢোক পি
কাঠমিস্ত্ৰীৰ কথাই কথাই ভাংতি
জিভাত তংলতি সৰস্বতী
এচলীয়া দোকানখনত তাৰ অট্টালিকাৰ মালিকক যেন
খাড়া কৰি দিয়েহি—
চা, আমাৰ মালিকলৈ চা...
শ্ৰোতা যোগালী বটালি

মিস্ত্ৰীয়ে দুনিয়া দেখিছে
সেই চকুৰে সিহঁতেও তাৰ মালিকক দেখে—
আমাৰ মালিকৰ কথা শুনিবি
কালি পুৱাই তেওঁৰ ঘৰলৈ মাতিছিল
দুনিয়াৰ সুকাঠী কাঠ আনিছিল
এখন দুৱাৰ ‘বনাব’ লাগে

ঘৰ পুৰণি হ'লেও দুৱাৰ নতুন লাগে
কামত ধৰোঁতেই সেই যে কথা হ'ল চুৰু
শেষ হোৱাৰ নাম-গোন্ধেই নাই
বেলা ভাটী দিওঁ দিওঁ— মালিক, এতিয়া কামত ধৰোঁ

কথাৰ লাচতে মালিকে খুলি দিলে তেওঁৰ ভিতৰৰ এফাল
কাঠমিস্ত্ৰীয়ে স্পষ্টকৈ দেখিলে ঘৰৰ মজিয়াত
পৰি আছে সেই দুৱাৰখন যাৰ বাবে সি
কাঠ কাটিবলৈ লৈছিল, ৰান্দা-বাইচ আনিছিল
সি সাজিব খোজা দুৱাৰখন দেখা পাই কি ক'লে জানে—
চাচোন, আমাৰ মালিকৰ কি যে ধেমালি...



# অসংকলিত কবিতা

## ভূতৰ ভৱিষ্যৎ

ইমান যে পোহৰ হ’ল
দিন গ’লে ৰাতি আহে কিন্তু এন্ধাৰ নাহে
তই ওলোৱাৰ তেন্তে অৱকাশ ক’ত

কাতিমহীয়া দিন এটাৰ দৰে তই টুটি আহিছ
টুটি আহিছে তোৰ ছায়াহীন অপছায়া
পকা দলি চপৰাৰে তই খেলি ফুৰা নিজান পথাৰখনত
এতিয়া চাইবাৰ বজাৰ বহে

মই জানো
তই মেটেকাৰ শিপাৰ চুলি পিন্ধি
ফুটকলাৰ প্ৰসাধন কৰি ওলাবৰ বাবে ৰৈ আছ

তোৰ স’তে আছে তোৰ এন্ধাৰমূলীয়া বংশধৰ
জখিনী ডাকিনী জিগিনী যখ প্ৰেত কবন্ধ
আৰু মূৰত বগা পাগুৰি মৰা বুঢ়া ডাঙৰীয়া

তোৰ অশৰীৰী ছালৰ প্ৰসাধন শুকাই কৰাল মাৰিছে
ক’তো আৰু তোৰ নেমেলে আওপুৰণি নাট
ভয় আৰু আতংক গঢ়াৰ ঠিকা তালিবানীহঁতে পালে



তই ওলাবি নে নোলাবি—
তোৰো সেই একেই হেমলেটীয় দ্বন্দ্ব
ওলাব নোৱাৰিলে মানুহে তোক পাহৰি যাব
আৰু ওলায়ো কাকো খুৱাব নোৱাৰিলে ভয়
মিছাতে সকলোৰে হাঁহিয়াতৰ পাত্ৰ হ’বি
অথচ তই নোলালেও জীৱন আৰু এক তৰংগ দুখীয়া হ’ব
নুমাই যাব কল্পনাৰ এটি চাকি
অদৃশ্য হৈ যদি তই পোহৰৰ স’তে ফুৰিব পাৰ
নিজেই কৰিব পাৰিবি তোৰ পুনৰ্নিৰ্মাণ
সলাই পেলাব পাৰিবি তোৰ অসামাজিক মেটাফৰ মেটাবলি

পোহৰৰ মাজত তই কৰিব লাগিব ছিদ্ৰৰ সন্ধান
নহ’লে তই ওলোৱাৰ বাবেই মানুহে কিয় কৰিব অমানিশাৰ আহ্বান

## সময় আয়োগ

এই কথা সময়েহে ক'ব—
এইদৰে আমি বহুকথাই সময়লৈ থওঁ
কওঁতাই পাহৰিলেও সময়ে নাপাহৰে
সময় হ'লেই কয় শেষ কথা
কাৰো মুখলৈ নাচায় ঃ শূন্য সহনশীলতা

সময় এজনীয়া আয়োগ
নিপিছুৱায় তাৰিখ নবঢ়ায় কাৰ্য্যকাল
নুশুনে প্ৰতিবাদ ধৰ্মঘট ধৰ্ণা অনশন

এই আয়োগ ক'ত বহে
খাটাং খবৰ কোনেও নাজানে
পিছে কৰিব পাৰি এটি অনুমান—
সময় আয়োগ বহে বালিত
নহ'লেনো মৰণশীল মানুহে
সময় বালিত খোজৰ চিন থোৱাৰ বাসনা
পোহন দিয়ে কিয় যুগে যুগে

লুইতৰ বালি বগী ধকেধকীত
এতিয়া এখন মিনা বজাৰ বহিছে
তাতে আমাৰ থলগিৰি সময়
ৰঙা-নীলা চকৰিত ঘূৰিছে
নে আমাক ঘূৰাই আছে
আমি ক'ত কাৰ মাটিত
এই কথা সময়েহে ক'ব



## ৰাজীৱ বৰুৱাৰ কবিতা ঃ বিভিন্নজনৰ মত

সুখৰ কথা যে ৰাজীৱ বৰুৱাই এটা নিজস্ব ৰীতি ইতিমধ্যে গঢ় দিবলৈ সক্ষম হৈছে। প্ৰতীকধৰ্মী ৰীতিৰে (ফৰাচী প্ৰতীকবাদ নহয়) তেওঁ কবিতাত নতুন বাস্তৱৰ সন্ধান কৰিছে, যিটোৱে আগ্ৰহী পাঠকক স্থিতাৱস্থাৰপৰা মুক্ত কৰি ন-কৈ ভাবিবলৈ বাধ্য কৰিব।

— নলিনীধৰ ভট্টাচাৰ্য্য

মিঠা, কোমল আৰু আৱেগসৰ্বস্ব অসমীয়া কবিতাই পাঠকক আমুৱাবলৈ আৰম্ভ কৰাৰ সময়তে অসমীয়া কবিতাত এটা ব্যতিক্ৰমধৰ্মী শক্তিশালী কণ্ঠস্বৰ শুনিবলৈ পোৱা গৈছে। সেই কণ্ঠস্বৰ কঢ়িয়াই আনিছে ৰাজীৱ বৰুৱাৰ 'খালী বটলৰ মালিতা' নামৰ কবিতা কিতাপখনে। মেথ্যু আৰ্নল্ডে তাহানিতে কৈ থোৱা কবিতা হ'ল জীৱনৰ সমালোচনা কথাষাৰৰ সত্যতা অনুভৱ কৰিব পাৰি ৰাজীৱ বৰুৱাৰ কবিতা পঢ়ি। জীৱনৰ বিচিত্ৰ জিজ্ঞাসা আৰু অভিজ্ঞতা তেওঁৰ কবিতাৰ বিষয়বস্তুত পৰিণত হৈছে আৰু সোণৰ লগত অকণমান তাম মিহলাই ল'লেহে সি গহণা গঢ়িবৰ জোখেৰে কঠিন হোৱাৰ দৰে বৰুৱায়ো তেওঁৰ জীৱন বীক্ষা প্ৰকাশ কৰিবলৈ আৱেগৰ লগত বুদ্ধিমত্তাৰ মিশ্ৰণ ঘটাই তেওঁৰ কবিতাৰ ভাষাক কিছু কঠিন কৰি ল'ব লগা হৈছে। বেছিভাগ সমসাময়িক অসমীয়া কবিৰপৰা ৰাজীৱ বৰুৱাক স্বতন্ত্ৰ ৰূপত চিহ্নিত কৰিছে তেওঁৰ বিষয়বস্তুৰ বৈচিত্ৰ্যই, জীৱনবোধৰ মৌলিকতাই আৰু সংযত আৱেগৰ তীব্ৰতাই।

— হোমেন বৰগোহাঞি

ৰাজীৱ বৰুৱা নিজস্ব বৈশিষ্ট্যৰে এজন উজ্জ্বল কবি। 'তুমি কি কবি নিজৰ এটা পুখুৰী নাই'— তেওঁ পুখুৰীক বোধ-অনুভূতিৰ ধাৰকৰূপে চিত্ৰিত কৰিছে।

— হীৰেন্দ্ৰ নাথ দত্ত

ৰাজীৱ বৰুৱাৰ কিবা অলপ ক'ব লগা আছে। দেখাক দেখি পালৰ গৰুৰ দৰে তেওঁ কবিতাত মুখ দিয়া নাই। সমসাময়িক কবিতাত দুৰ্লভ কেতবোৰ জিজ্ঞাসা আৰু উপলব্ধি লৈ তেওঁৰ কবিতাৰ বণিজ। একাষাৰ কথাতে ক'বলৈ গ'লে আধুনিক নিঃসংগ মানুহৰ সত্তা আৰু অচিন বাস্তৱতাৰ সন্ধান তেওঁৰ এই জিজ্ঞাসা আৰু উপলব্ধি মূল সূত্ৰ।

— ডঃ হীৰেন গোহাঁই

ৰাজীৱ বৰুৱাৰ এটা নিজস্ব প্ৰকাশভংগী আছে। আছে নিজা শব্দ সম্ভাৰ। কেতিয়াবা ই বিদ্ৰূপাত্মক। মধ্যবিত্তৰ অৱস্থানটোকে যেন ব্যংগ কৰিছে।

— ৰবীন্দ্ৰ সৰকাৰ

ৰাজীৱ বৰুৱাৰ সৰহভাগ কবিতাই শব্দ, বাক প্ৰতিমা আৰু প্ৰতীকৰ সমন্বয়ত পাঠকক এক অনাস্বাদিত নান্দনিক চেতনা প্ৰদান কৰাত সফল হৈছে।

— দিনেশ গোস্বামী

জীৱন আৰু জগতৰ অলেখ ঘটনা আৰু প্ৰৱণতাই কবিক চিন্তাক্লিষ্ট কৰি ৰখাৰ সাক্ষী হৈ পৰে তেওঁৰ অৰ্থৱহ আৰু সুখপাঠ্য অথচ চিত্তাকৰ্ষক কবিতাবোৰ। ভাষাৰ কালিকা তেওঁৰ কাপেৰে আকৰ্ষণীয় আৰু বিশুদ্ধ ৰূপ লৈ আহে।

— মনোজ বৰপূজাৰী

আপাত দৃষ্টিৰ তুচ্ছ প্ৰাত্যহিকতাক গভীৰ কাব্য ৰসেৰে সিক্ত কৰি আধুনিকতাবাদী অসমীয়া কবিতাক এটি নতুন আয়তন প্ৰদান কৰিলে কবি ৰাজীৱ বৰুৱাই।

— ডঃ এম কামালুদ্দিন আহমেদ

ৰাজীৱ বৰুৱাৰ কবিতাই তেওঁৰ সমসাময়িক প্ৰায় সকলো অসমীয়া কবিতকৈ সুকীয়া গুৰুত্ব গ্ৰহণ কৰে। চিনাকি শব্দবোৰেই তেওঁ এনেধৰণে ব্যৱহাৰ কৰে যে কাৰোপক্ষেই তেওঁৰ অনুকৰণ কৰা সম্ভৱ নহয়। কেতিয়াবা বাক্যৰীতি বা সংৰচনা পদ্ধতিৰ সন্ধান আচহুৱাকৰণৰ জৰিয়তে, কেতিয়াবা প্ৰচলিত চিনাকি সজ্জাতে (context) নাটকীয় বা অভাৱনীয় উপস্থাপনৰ জৰিয়তে, বা আন কেতিয়াবা বিশেষ প্ৰেক্ষাপট এটাক বিস্তাৰিত কৰাৰ বাবে ব্যৱহৃত কাব্য-গদ্যৰ মনোমুগ্ধকৰ মিশ্ৰণেৰে ৰাজীৱ বৰুৱাৰ



কবিতাই পাঠকৰ সন্মুখত উন্মোচন কৰে তাৎপৰ্য্যৰ অন্য এক জগত।

— ডঃ প্ৰাণ্জিৎ বৰা

সমকালীন অসমীয়া কবিতাৰ বা বহল অৰ্থত এশবছৰীয়া আধুনিক অসমীয়া কবিতাৰ যদিহে এখন চুটি ইতিহাসো লিখিব লগা হয় তাত ৰাজীৱ বৰুৱাৰ নামটো থাকিব এই যুক্তিত— an age automatically knows that a poet exists.

— জ্যোতি খাটনিয়াৰ

ৰাজীৱ বৰুৱাই এনে এক পথ নিৰ্বাচন কৰি ল'লে যি সাম্প্ৰতিক অসমীয়া কাব্য পৰিক্ৰমাত একক আৰু অনন্য বুলি বিবেচিত হৈছে। বৰুৱাৰ কবিতাত আধুনিক জীৱনৰ ব্যংগ আৰু কৌতুক আছে; প্ৰাত্যাহিক, আপাততুচ্ছ ঘটনাক্ৰমৰ মাজৰপৰা তেওঁ এনে কেতবোৰ উপাদান সংগ্ৰহ কৰি লয় য'ত প্ৰতিভাত হয় জীৱনৰ 'পেৰাড', চমৎকাৰ আৱেগ আৰু সজীৱ মনন। তাকে কৰিবলৈ যাওঁতে কবিয়ে সন্ধান কৰে নিত্য নতুন বিষয়ৰ। ৰাজীৱ বৰুৱাৰ কবিতাত পুনৰাবৃত্তি নাই।

— হেমচন্দ্ৰ দত্ত

এটা নিজা কাব্য ভাষা নিৰ্মাণ কৰি ল'ব পৰাকৈ তেওঁ (ৰাজীৱ বৰুৱা) প্ৰতিভাশালী বা কষ্টসহিষ্ণু।

— ডঃ মৃদুল শৰ্মা

ৰাজীৱ বৰুৱাৰ কণ্ঠস্বৰ অকলশৰীয়া, কিন্তু স্বাধীন আৰু নিজস্ব।

— অৰিন্দম বৰকটকী

ৰাজীৱ বৰুৱাই কবিতাৰ মাজেদি জীৱনৰ অৰ্থ-অনৰ্থৰ সন্ধান কৰিবলৈ প্ৰয়াস কৰিছে। ফলত তেওঁৰ কবিতাত সততে ভুমুকি মাৰিছে জীৱন সম্পৰ্কে মেথ্যু আৰ্নল্ডে কোৱাৰ দৰে এক আধ্যাত্মিক অসন্তুষ্টি (Divine discontent) আৰু প্ৰশ্নাৰ্ত মনোভাবে। অগতানুগতিক কথনত বুদ্ধিদীপ্ত চিন্তাৰ প্ৰকাশ পাঠকৰ বাবে তেওঁৰ কবিতাৰ সবাতোকৈ আকৰ্ষণীয় দিশ।

— বিদ্যুৎ বৰুণ শৰ্মা

I have been dipping into the poems. I like their sense of fascination with ordinary life. In that respect they reminded me of Neruda, particularly 'Tales of a pair of Shoes', 'Pockets', 'Poets' disrepute'.

— Anjum Hasan

Rajeev Barua is a distinctive voice in contemporary Assamese poetry. He's poems are refreshingly and at times deceptively simple in form but carefully crafted and rich in connotation. He uses a language that is closer to the contemporary spoken idiom but lovingly and sometimes playfully nuanced.

— Dr. Madan Sarma

Rajeev Barua is most metaphysical. His poetry is not philosophical but are in search for meaning of life. Metaphysical thoughts help him to form an attitude.

— Dr. Ananda Bormudoi

Rajeev Barua captures moments of illumined nebula of perception in chiseled words and brilliant metaphors.

— Dr. Garima Kalita



# ৰ'দবাহিনী

ৰাজীৱ বৰুৱাৰ জন্ম যোৰহাট জিলাৰ বৰহোলাত ১৩ ছেপ্টেম্বৰ, ১৯৬৩ চনত। বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ বৰুৱাই গোলাঘাটৰ দেবৰাজ ৰয় মহাবিদ্যালয়ৰপৰা ইংৰাজীত অনাৰ্ছসহ স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। 'দ্য ছেণ্টিনেল' কাকতত সাংবাদিকতাৰে কৰ্মজীৱন আৰম্ভ (১৯৮৫) কৰি পিছলৈ 'নতুন দৈনিক' কাকতত চীফ্ ষ্টাফ ৰিপ'টাৰ হিচাপে কাৰ্যনিৰ্বাহ (১৯৮৬-৯৩) কৰা বৰুৱা সম্প্ৰতি আকাশবাণীৰ উত্তৰ-পূৰ্বাঞ্চলৰ গুৱাহাটীৰ মুখ্য কাৰ্য্যালয়ৰ সহকাৰী সঞ্চালক তথা মুৰব্বী।

এই পৰ্যন্ত অসমীয়া ভাষাত প্ৰকাশিত ৰাজীৱ বৰুৱাৰ সাতটা কবিতা সংকলন হ'ল— **অঘৰী দিনৰ ডায়েৰী** (১৯৮৫), **গছে পোহৰ দিয়া দিন** (১৯৯২), **পানীৰ ঘৰ** (১৯৯৭), **তুমি কি কবি, নিজৰ এটা পৃথিৱী নাই** (২০০৩), **খালী বটলৰ মালিতা** (২০০৫), **কিছুমান বোধৰ বৰণ** (২০১১) আৰু **হয়তো মুদ্ৰাদোষ** (২০১৬)। ২০১০ চনত প্ৰকাশ পায় বৰুৱাৰ নিৰ্বাচিত কবিতাৰ হীৰেন্দ্ৰনাথ দত্ত, প্ৰদীপ আচাৰ্য্য, কৃষ্ণদুলাল বৰুৱা আৰু স্বৰ্ণজ্যোতি গোহাঁই অনূদিত ইংৰাজী সংকলন **LINES IN THE VOID** আৰু একেটা বছৰতে প্ৰকাশ পায় দিনকৰ কুমাৰ অনূদিত হিন্দী সংকলন **বোধ জো অভিব্যক্তি বননা চাহতা হৈ**। তদুপৰি ২০০৫ চনত প্ৰকাশ পায় নীলমণি ফুকন, হীৰেন গোহাঁই, মামণি ৰয়ছম গোস্বামী, অমৰজ্যোতি চৌধুৰী, মলয়া গোস্বামী, কমল শৰ্মা, অৰুনী বৰা আদিৰদ্বাৰা পঠিত শ্ৰব্য সঁফুৰা (CD) **ধুনীয়া দেখি**।

সাহিত্য কৃতিৰ বাবে ১৯৯৯ চনত ৰাজীৱ বৰুৱাই লাভ কৰে মুনীন বৰকটকী স্মাৰক ন্যাস প্ৰদত্ত **মুনীন বৰকটকী বঁটা** ('পানীৰ ঘৰ' সংকলনৰ বাবে)।